# মায়ঙৰ মন্ত্ৰ কথা ঃ বিজ্ঞান, বিশ্বাস আৰু অন্ধবিশ্বাস

ড° উৎপল নাথ
সহকাৰী অধ্যাপক, অৰ্থনীতি বিভাগ

*"ক্ষেত্ৰ অধ্যয়নৰ পৰা এই কথা জানিব পৰা গৈছে যে লোক সমাজত চাঞ্চল্যৰ সৃষ্টি কৰিব পৰা কিছুমান ভয়ংকৰ তন্ত্ৰ-মন্ত্ৰৰ সাধনা আৰু চৰ্চা একালৰ মায়ঙত আছিল। উদাহৰণস্বৰূপে ঃ আকাশেদি উৰা মাৰি যাবৰ আছিল উৰণ মন্ত্ৰ, অদৃশ্য হৈ কোনো অসাধ্য সাধনৰ বাবে আছিল লুকি মন্ত্ৰ, বনৰীয়া বাঘক বশ কৰিবৰ বাবে আছিল বাঘ বুলোৱা মন্ত্ৰ ইত্যাদি আৰু বহুতো। ইয়াৰ বাহিৰেও মানুহক ভেড়ালৈ ৰূপান্তৰ কৰিব পৰা, গছপাতক মাছলৈ ৰূপান্তৰ কৰিব পৰা, বন্দুকৰ নলীয়েদি গুলিৰ পৰিৱৰ্তে পানী বোৱাব পৰা তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলনো অতীতৰ মায়ঙত আছিল বুলি স্থানীয় বয়োবৃদ্ধ ব্যক্তিসকলে কয়।"*

যাদুবিদ্যা তথা তন্ত্ৰ-মন্ত্ৰ সাধনাৰ এক উচ্চ স্তৰৰ কেন্দ্ৰ হিচাপে মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত মায়ং নামৰ ঠাইখনে সুদূৰ অতীতৰে পৰা অসমৰ জনমানসত এখন সুকীয়া আসন দখল কৰি আছিছে। গৱেষকসকলে অনুমান কৰা অনুসৰি খৃষ্টীয় ৮ ম-৯ম শতিকা মানতে নীলাচল-কামাখ্যাৰ পৰা জলপথেৰে প্ৰায় ৪০ কি.মি. পূবে অৱস্থিত এই ঠাইখনত তন্ত্ৰ-মন্ত্ৰ সাধনাৰ সূত্ৰপাত ঘটিছিল। ঠাইখনৰ বিভিন্ন স্থানত সিঁচৰতি হৈ থকা প্ৰত্নতাত্বিক সমল সমূহেও অন্ততঃ এই কথাটোকে প্ৰতিপন্ন কৰিব খুজে। খ্ৰীষ্টিয় ৮ম-৯ম শতিকাৰ পৰা ১১শ-১২শ শতিকাৰ অন্তৰ্গত বুলি ঠাৱৰ কৰা মায়ঙৰ প্ৰত্নতাত্বিক সমল সমূহৰ ভিতৰত শিৱ-পাৰ্বতী, শিৱলিংগ, যোনীপীঠ, সূৰ্যচক্ৰ, পদ্ম চক্ৰ আদিৰ সংখ্যাই সৰহ। গৱেষকসকলে এই সমূহক মায়ঙীয়া তান্ত্ৰিকসকলে মন্ত্ৰ সাধনাৰ বাবে একালত ব্যৱহাৰ কৰা 'যন্ত্ৰ' বুলি অভিহিত কৰিছে। এই 'যন্ত্ৰ' সমূহক উপলক্ষ্য কৰিয়েই হেনো তান্ত্ৰিকসকলে চলাইছিল 'মন্ত্ৰ'ৰ নিৰন্তৰ সাধনা।

মীৰ্জা নাথন, হিউ-ৱেন-চাং, ইবন-বতুতা, চাহাবউদ্দিন, সূৰ্যাখড়ি দৈৱজ্ঞ, চাৰ এডবাৰ্ড গে'ইটকে ধৰি ভালে কেইগৰাকী ঐতিহাসিকৰ লেখনিত পুৰণি অসম তথা কামৰূপত তন্ত্ৰ-মন্ত্ৰ সাধনাৰ স্থিতি আৰু বিস্তৃতি কেনে আছিল সেই বিষয়ে ভালেমান ৰোমাঞ্চকৰ বিৱৰণ পোৱা যায়। কিন্তু অসম তথা কামৰূপৰে অন্তৰ্গত মায়ং নামৰ এই সৰু ঠাইখনৰ বিষয়ে পৃথককৈ ক'তো কোনো কথাৰ উল্লেখ থকা বুলি জানিব পৰা নাযায়। এই ক্ষেত্ৰত আমি অনুমান কৰিব খুজো যে যিহেতু তন্ত্ৰ সাধনাৰ পীঠস্থান হিচাপে পৰিগণিত নীলাচলৰ কামাখ্যাক কেন্দ্ৰ কৰি সেই সময়ত সমগ্ৰ অসমতে ব্যাপক ৰূপত তন্ত্ৰ-মন্ত্ৰৰ চৰ্চা আৰু সাধনা চলিছিল। সেয়েহে বুৰঞ্জী লেখকসকলে মায়ঙৰ বিষয়ে পৃথককৈ কিবা উল্লেখ কৰাৰ বিশেষ একো প্ৰয়োজন অনুভৱ কৰা নাছিল বা এইটোও হ'ব পাৰে যে বৰ্তমান মায়ং বুলি সৰ্বজ্ঞাত এই সৰু ঠাইখনৰ নামটো সেই সময়ত হয়তো মায়ং নাছিল বা ইয়াৰ কোনো নামেই নাছিল। এই প্ৰসংগত আমি এইবুলিও অনুমান কৰিব খুজো যে সেই সময়ত মায়ং সম্পৰ্কে

উল্লেখ কৰিব পৰাকৈ হয়তো সেই বুৰঞ্জী লেখকসকলৰ হাতত কোনো উপযুক্ত তথ্য নাছিল বা ঠাইখন অতি দুৰ্গম স্থানত অৱস্থিত হোৱা হেতুকে তেওঁলোকে তথ্য আহৰণৰ বাবে কোনো ব্যৱস্থাও কৰিব পৰা নাছিল। সি যি নহওঁক, কোনো লিখিত তথ্য নাথাকিলেও তন্ত্ৰ-মন্ত্ৰ সাধনাৰ কেন্দ্ৰ হিচাপে কিন্তু নীলাচলৰ কামাখ্যাৰ পাছতে মায়ঙৰ নামটো অসমৰ জনমানসত অজানা কালৰে পৰাই স্থান পাই আহিছে। অতি সম্প্ৰতি আকৌ তন্ত্ৰ-মন্ত্ৰ বুলি ক'লেই অসমৰে নহয় সমগ্ৰ ভাৰতৰে জনগণৰ মনলৈ পোনচাতেই অহা নামটোৱে হ'ল মায়ং। কিয় এইটো হৈছে সেই সম্পৰ্কেও চিন্তা-চৰ্চাৰ স্থল আছে বুলি আমি ভাবোঁ।

ক্ষেত্ৰ অধ্যয়নৰ পৰা এই কথা জানিব পৰা গৈছে যে লোক সমাজত চাঞ্চল্যৰ সৃষ্টি কৰিব পৰা কিছুমান ভয়ংকৰ তন্ত্ৰ-মন্ত্ৰৰ সাধনা আৰু চৰ্চা একালৰ মায়ঙত আছিল। উদাহৰণস্বৰূপে ঃ আকাশেদি উৰা মাৰি যাবৰ আছিল উৰণ মন্ত্ৰ। অদৃশ্য হৈ কোনো অসাধ্য সাধনৰ বাবে আছিল লুকি মন্ত্ৰ, বনৰীয়া বাঘক বশ কৰিবৰ বাবে আছিল বাঘ বুলোৱা আৰু বাঘ বন্ধা মন্ত্ৰ, মানুহ নিধনৰ বাবে আছিল টেকেলী বাণ, ঠুমৰী বাণ, বিষ, জ্বৰ, গ্ৰহণী আদি ৰোগ-ব্যাধি জাপি মানুহক মৃত্যু মুখত পেলাবৰ নিমিত্তে আছিল বিষ বাণ, জ্বৰ বাণ আৰু গ্ৰহণী বাণ, কোনো অসাধু কাম সমাধাৰ বাবে মানুহক গভীৰ নিদ্ৰাত পেলাই ৰাখিবৰ নিমিত্তে আছিল নিদ্ৰা বান, জুই নোমোৱাৰ বাবে আছিল জুই নিবাৰণী মন্ত্ৰ; কাৰোবাক বন্দী কৰি ৰাখিবৰ বাবে আছিল পাশ মন্ত্ৰ; দুটা পক্ষৰ মাজত কাজিয়া লগাবৰ বাবে আছিল কাজিয়া লগোৱা মন্ত্ৰ, কাম পীড়াৰে কাৰোবাক উন্মাদ কৰি তুলিবলৈ আছিল কাম বাণ মন্ত্ৰ আদি। ইয়াৰ বাহিৰেও মানুহক ভেড়ালৈ ৰূপান্তৰ কৰিব পৰা, গছপাতক মাছলৈ ৰূপান্তৰ কৰিব পৰা, বন্দুকৰ নলীয়েদি গুলিৰ পৰিৱৰ্তে পানী বোৱাব পৰা, আকাশেদি জ্বলন্ত মাটি চাকি উৰাই পঠাব পৰা, কাৰোবাক আক্ৰমণৰ বাবে মন্ত্ৰৰ বলেৰে কণী চলাই পঠাব পৰা আদিৰ দৰে তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলনো অতীতৰ মায়ঙত আছিল বুলি স্থানীয় বয়োবৃদ্ধ ব্যক্তিসকলে কয়।

এই মন্ত্ৰসমূহৰ কিছুমান মৌখিক ৰূপতে চলি আছিল আৰু কিছুমান মন্ত্ৰই লিখিত ৰূপ পাইছিল। যিবোৰ মন্ত্ৰ মৌখিক ৰূপত আছিল, সেইবোৰ সেইকালৰ বেজ-জ্ঞানীসকলৰ মৃত্যুৰ লগে লগে মায়ঙৰ বুকুৰ পৰা হেৰাই গৈছিল আৰু যিবোৰ মন্ত্ৰই সাঁচিপাত বা তুলাপাতত লিখিত ৰূপ পাইছিল, সেইবোৰ কিছুমান এতিয়াও মায়ঙত সংৰক্ষিত অৱস্থাত পোৱা যায়। তেনে মন্ত্ৰ সম্বলিত তিনিশতকৈও অধিক মন্ত্ৰপুথি মায়ঙীয়াসকলৰ ঘৰে ঘৰে সংৰক্ষিত হৈ থকাটো এই লেখকে প্ৰত্যক্ষ কৰিছে। কিন্তু দুখৰ কথাটো হ'ল— এই মন্ত্ৰপুথি সমূহত লিপিবদ্ধ থকা মন্ত্ৰসমূহৰ সাধন প্ৰণালী আৰু প্ৰয়োগ বিধি জনা ব্যক্তি মায়ঙৰ নতুন প্ৰজন্মৰ বেজ-জ্ঞানীসকলৰ মাজত বিচাৰি পোৱা নাযায়। যাৰ বাবে, এই মন্ত্ৰসমূহ বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰি ইয়াৰ কাৰ্যকৰী শক্তি তথা সত্যতাৰ প্ৰমাণ ল'বলৈ আমাৰ কাৰোৰে হাতত আজি কোনো উপায় নাই।

এই মন্ত্ৰসমূহৰ সাধনা আৰু চৰ্চা কিয় মায়ঙৰ বুকুৰ পৰা হেৰাই গ'ল সেই সম্পৰ্কত ভালেকেইগৰাকী লোকসংস্কৃতিৰ গৱেষকে ভালেমান কাৰণ দৰ্শাইছে। আমি সেই কথাখিনি বৰ্তমান এই লেখনিৰ আওতালৈ আনিব খোজা নাই। মুঠ কথাত যিবোৰ তন্ত্ৰ-মন্ত্ৰৰ সাধনা আৰু চৰ্চা থকা বুলি একালত অসমৰ মানুহে মায়ংখনক ভয় কৰিছিল, সেই ভয়ংকৰ তন্ত্ৰ-মন্ত্ৰবোৰৰ সাধনা আৰু চৰ্চা কিন্তু বৰ্তমান মায়ঙত নাই। সেই হ'লেও আমি এইটো ক'ব খোজা নাই বা ক'বও নোৱাৰো যে তন্ত্ৰ-মন্ত্ৰ সাধনাৰ এই ঐতিহাসিক পৰম্পৰাটো মায়ঙৰ বুকুৰ পৰা সমূলি শেষ হৈ গৈছে। বৰং আমি এইটোহে দেখিছো যে মায়ঙৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনত এই পৰম্পৰাটোৰ অস্তিত্ব অন্য বহু পৰম্পৰাৰ তুলনাত কিছু বেছিকৈ প্ৰকট। অৰ্থাৎ মায়ঙত এতিয়াও ই এক জীৱন্ত পৰম্পৰা (Living Tradition)।

এইটো দেখা গৈছে যে যিবোৰ মন্ত্ৰৰ সাধনা আৰু চৰ্চা মায়ঙৰ গাঁওবাসীৰ মাজত অদ্যাপিও চলি আছে, সেইবোৰৰ প্ৰায় সকলোখিনিয়েই ব্যৱহাৰ হয় বিভিন্ন ৰোগ-ব্যাধি চিকিৎসাৰ কামত। মায়ঙৰ গাঁওকেইখনৰ অলিয়ে গলিয়ে দুপাকমান দিলেই এই কথাটো সহজে অনুমান কৰিব পাৰি যে অঞ্চলটোৰ প্ৰায় ৭০% মানুহেই এতিয়াও এই মন্ত্ৰ চিকিৎসাৰ ওপৰত ক্ষীণকৈ হ'লেও বিশ্বাস এটা ৰাখিছে। সৰু-সুৰা ৰোগ ব্যাধিত আক্ৰান্ত হ'লেই তেওঁলোকে কোনো আধুনিক চিকিৎসাৰ ওচৰ চপাৰ বিপৰীতে সততে গাঁৱৰ বেজ-জ্ঞানী সকলৰহে ওচৰ চাপে। মন্ত্ৰ চিকিৎসাৰ লগতে আধুনিক এল'পেথিক চিকিৎসাও সমান্তৰালকৈ গ্ৰহণ কৰা মানুহ মায়ঙত আছে। কিন্তু ৰোগ আৰোগ্যৰ পাছত সাক্ষাৎ কৰিলে তেওঁলোকৰ কিছু অংশই সততে কয় যে 'অমুক' বেজে দিয়া মন্ত্ৰপুত ডোল ডালহে গুণ দিলে, মায়ঙত বৰ্তমানেও চলি থকা কিছুমান মন্ত্ৰৰ উদাহৰণ হ'ল— সাপৰ বিহ জাৰা মন্ত্ৰ, কঁকালৰ বিহ জাৰা মন্ত্ৰ, পেটৰ বিহ জাৰা মন্ত্ৰ, নাড়ী জাৰা মন্ত্ৰ, প্ৰসৱ বেদনাৰ মন্ত্ৰ, চকুৰ কোট জাৰা মন্ত্ৰ, গা বন্ধা মন্ত্ৰ, কচকা জাৰা মন্ত্ৰ, জুয়ে পোৰা মন্ত্ৰ,

বগৰী গুটিয়াৰ মন্ত্ৰ, সৰ্বধাক মন্ত্ৰ, সাৰ বেমাৰৰ মন্ত্ৰ, যকৃত বেমাৰৰ মন্ত্ৰ, বাণ কটা মন্ত্ৰ, মূৰৰ মন্ত্ৰ, মূৰৰ বিহৰ মন্ত্ৰ, মুখ লগা মন্ত্ৰ, তেজ ৰখোৱা মন্ত্ৰ, উশাহ শূলৰ মন্ত্ৰ, পিয়াহ সিৰাৰ মন্ত্ৰ, বলীয়া কুকুৰে কামোৰা মন্ত্ৰ, মোহিনী মন্ত্ৰ, বায়ুৰ মন্ত্ৰ, পাটিত মুতা ভাল কৰা মন্ত্ৰ, আলজিভা জাৰা মন্ত্ৰ, জ্বলনি-পোৰণি মন্ত্ৰ আদি।

মায়ঙত যাদু-মন্ত্ৰ সাধনাৰ অতীত আৰু বৰ্তমানৰ স্থিতি সম্পৰ্কে আমি থোৰতে এই কথাখিনি উল্লেখ কৰাৰ পাছত শিৰোনামৰ বাকী অংশটোলৈ যাব খুজিছো। ২০০২ চনৰ পৰা মায়ং অঞ্চলত পৰ্যটন উন্নয়নৰ লগতে ইয়াৰ সংস্কৃতি আৰু পৰিবেশ প্ৰকৃতি সংৰক্ষণৰ কামত প্ৰত্যক্ষ কিম্বা পৰোক্ষভাৱে জড়িত হৈ থকাৰ সূত্ৰে এতিয়ালৈ দেশ-বিদেশৰ ভালে সংখ্যক পৰ্যটক, গৱেষক, লেখক আৰু সাংবাদিক আমি লগ পাইছো। আমাৰ জন্ম স্থান মায়ং হোৱা হেতুকে এই গৱেষক, লেখকসকলৰ প্ৰায় সকলোখিনিয়েই আমাক এই প্ৰশ্নবোৰ সদায় কৰি আহিছে যে — এই তন্ত্ৰ-মন্ত্ৰৰ কৰ্ম-কাণ্ডবোৰ বাৰু সঁচানে? ইয়াৰ কিবা বৈজ্ঞানিক ভিত্তি আছেনে? বা এইবোৰক আমি বিশ্বাস কৰোনে?— এই এটা প্ৰশ্নৰো যথাযথ উত্তৰ আমি দিব পৰা নাছিলো আৰু আজিৰ তাৰিখতো নোৱাৰিম। সঁচা কথা ক'বলৈ গ'লে— এই প্ৰশ্নবোৰ আমি নিজকে নিজেও কৰি আহিছো— কোনো সদুত্তৰ কিন্তু পোৱা নাই। আমি ভাবো, এই বিষয়টোৰ ওপৰত অতি সূক্ষ্ম দৃষ্টিৰে, বিজ্ঞান সন্মত ৰূপত, বিস্তৃত অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন আছে। সেইটো নকৰাকৈ দুই একৰ গৱেষণাৰ ভিত্তিত ওপৰে ওপৰে চাই এই তন্ত্ৰ-মন্ত্ৰৰ কৰ্ম-কাণ্ডবোৰ মিছা, এইবোৰ অন্ধবিশ্বাস বা ইয়াৰ কোনো বৈজ্ঞানিক ভিত্তি নাই বুলি কৈ মানৱ সভ্যতাৰ এই হেজাৰ বছৰীয়া বিশ্বাস তথা পৰম্পৰাটোক আমি একে আষাৰে ওলাই কৰিব নোৱাৰো, কৰাটো যুগুত বুলিও নাভাবো। এইখিনিতে আমি পঢ়ুৱৈ সকলক জনাই থ'ব খুজো যে এই লেখনিটোত আমি আমাৰ অনুভৱবোৰহে ব্যক্ত কৰিব খুজিছোঁ। এইবোৰ আমাৰ সিদ্ধান্ত বুলি যেন কোনেও ভুল নকৰে।

এইটো স্বীকাৰ্য যে তন্ত্ৰ-মন্ত্ৰৰ আঁৰৰ ৰহস্য সম্পৰ্কত দেশ-বিদেশৰ বিজ্ঞানী মহলত এতিয়াও ক'ত কেনেদৰে গৱেষণা হৈছে সেই সম্পৰ্কে আমি সবিশেষ জ্ঞাত নহয়। কিন্তু বিভিন্ন কাকত-আলোচনীৰ পাতত এই সম্পৰ্কে কিছু লেখা পঢ়ি আৰু বিভিন্ন সময়ত বিভিন্ন জনৰ লগত আলোচনা কৰি আমি জানিব পাৰিছোঁ যে এই তন্ত্ৰ-মন্ত্ৰবোৰৰ আঁৰত কোনো বৈজ্ঞানিক ভিত্তি নাই বুলিয়েই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰবক্তাসকলে এই সাধনাবোৰৰ প্ৰতি এটা নেতিবাচক দৃষ্টিভংগী পোষণ কৰি আহিছে। অৱশ্যে ৰোগ-ব্যাধি আৰোগ্যৰ বাবে তন্ত্ৰ-মন্ত্ৰ প্ৰয়োগৰ বিষয়টোৰ ওপৰত গৱেষণা কৰি দুই-এক গৱেষকে এই বিশ্বাস তথা পৰম্পৰাটোক ইতিবাচক দৃষ্টিভংগীৰেও চাইছে। উদাহৰণস্বৰূপে ঃ স্পেইনৰ প্ৰখ্যাত চিকিৎসা বিজ্ঞানী ডাভি বাৰ্নাৰে প্ৰকাশ কৰিছে যে তন্ত্ৰ-মন্ত্ৰ প্ৰয়োগৰ জৰিয়তে এজন ৰোগীৰ আত্মবিশ্বাস, মনোবল তথা সহ্য ক্ষমতা বৃদ্ধি কৰিব পৰা যায়, যিয়ে ৰোগীৰ ৰোগ আৰোগ্যৰ ক্ষেত্ৰত এক ধনাত্মক ভূমিকা লয়। তেওঁৰ মতে, যিবোৰ ৰোগ প্ৰধানতঃ মনৰ পৰা উদ্ভৱ হোৱা — সেই ৰোগবোৰ সহজে তন্ত্ৰ-মন্ত্ৰ প্ৰয়োগৰ দ্বাৰা আৰোগ্য হয়। উদাহৰণস্বৰূপেঃ কোনো কাৰণ নথকা বিষ, ভয় লগা, দুশ্চিন্তা, বদহজম, হিকটি ইত্যাদি। এই প্ৰসংগত সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ নাম থকা অসমৰ বিশিষ্ট চিকিৎসা বিজ্ঞানী, জি এন আৰ চিৰ সঞ্চালক প্ৰধান ডাঃ নোমল বৰাদেৱেও গৱেষণিক দৃষ্টিৰে চিন্তা-চৰ্চা চলাই থকাৰ খবৰ আমি বাতৰি কাকত যোগে পাইছোঁ।

এইখিনিতে তন্ত্ৰ-মন্ত্ৰৰ সাধনাবোৰৰ কোনো বৈজ্ঞানিক ভিত্তি নাই, এইসমূহ কোনো প্ৰমাণৰ আধাৰৰ প্ৰতিষ্ঠিত নহয় বা বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰি এই সমূহৰ কোনো প্ৰমাণ সাব্যস্ত কৰিব পৰা নাযায় বোলা ধাৰণাৰ প্ৰসংগত আমাৰ মনলৈ অহা উপলব্ধি কেইটামান ব্যক্তি কৰি খুজিছো। এইটো নিঃসন্দেহে সত্য যে বিজ্ঞানে এতিয়ালৈ এই তন্ত্ৰ-মন্ত্ৰবোৰৰ কোনো ৰহস্য উদঘাটন কৰিব পৰা নাই আৰু সেইবাবেই আমাৰ সকলোৰে মনত এনে সাধনাবোৰৰ প্ৰতি এটা অবিশ্বাস আৰু অৱজ্ঞাৰ মনোভাব গঢ়লৈ উঠিছে। কিন্তু অন্য এক দৃষ্টিৰে চালে দেখা যায় যে অকল যাদু-মন্ত্ৰয়েই নহয়, এই বিশ্ব প্ৰকৃতিৰ বহু গভীৰ ৰহস্যই বিজ্ঞানে এতিয়ালৈ উদঘাটন কৰিব পৰা নাই। বহু ক্ষেত্ৰত আকৌ দেখা গৈছে যে এটা যুগত সত্য বুলি স্বীকৃত বিজ্ঞানৰ বহু সিদ্ধান্তও পাছৰ যুগৰ বিজ্ঞানীয়ে অসত্য তথা ভুল বুলি প্ৰতিপন্ন কৰিছে।

বিজ্ঞানে আবিষ্কাৰ কৰা কোনো এটা সূত্ৰ যিদৰে একেদিনাই মানি লোৱা নহয়, বহু পৰীক্ষা-নিৰীক্ষাৰে প্ৰমাণ পোৱাৰ পাচতহে যিদৰে ই সত্য আৰু গ্ৰহণযোগ্য বুলি স্বীকৃত হয়, ঠিক একেদৰে আমাৰ অনুভৱে ক'ব খোজে যে আজিৰ পৰা কেইবা হাজাৰ বছৰৰ আগেয়ে ঋষি-মুনিসকলে কঠোৰ তপস্যা আৰু যুগ সাধনাৰ বলত উদ্ভাৱন কৰা এই তন্ত্ৰ-মন্ত্ৰবোৰো সৰ্বসাধাৰণে হয়তো একেদিনাই গ্ৰহণ কৰা নাছিল, বহু প্ৰমাণ পোৱাৰ পাছতহে লোক সমাজত এইবোৰ সত্য আৰু বিশ্বাসযোগ্য বুলি স্বীকৃত হৈছিল। তন্ত্ৰ-মন্ত্ৰক বাদ দি তাহানিৰ সাধু-সন্ন্যাসী, তপস্বীসকলে

কৈ যোৱা কিছুমান কথাৰ আঁৰৰ ৰহস্য উদঘাটন কৰি বিজ্ঞানীসকলে সেইবোৰ সত্য বুলিয়ে প্ৰতিপন্ন কৰিছে। তন্ত্ৰ-মন্ত্ৰৰ দৰে যিবোৰৰ ৰহস্য বিজ্ঞানে উদঘাটন কৰিব পৰা নাই সেইবোৰৰ কিছুমানক আমি অন্ধবিশ্বাস বুলি এৰি দিছো আৰু কিছুমান লোক সমাজত প্ৰচলিত সাধাৰণ বিশ্বাস বা পৰম্পৰা হিচাপেই আজিৰ তাৰিখতো আমি মানি চলিছো।

তন্ত্ৰ-মন্ত্ৰৰ আঁৰৰ ৰহস্য উদঘাটন কৰিব নোৱাৰাৰ প্ৰসংগত আমাৰ মনলৈ আহি থকা অন্য এটা অনুভৱ হ'ল যে তন্ত্ৰ-মন্ত্ৰবোৰ যিহেতু গুপুত বিদ্যা আছিল সেয়েহে সেইবোৰ কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰাৰ আচল কৌশল বা পদ্ধতিবোৰ হয়তো সাধু-সন্যাসী আৰু তপস্বীসকলে গোপনে ৰাখিছিল। আজি আমি লিপিবদ্ধ ৰূপত তাহানিৰ যিবোৰ মন্ত্ৰ প্ৰত্যক্ষ কৰিছো সেইবোৰৰ কিছুমানততো সাধনাৰ কৌশল বা প্ৰয়োগ পদ্ধতিৰ কোনো নিৰ্দেশনা নায়েই, যিবোৰৰ আছে, ভাব হয় সেইবোৰতো যেন কিবা এটা হ'লেও গোপন কৰি থোৱা আছে। আমি সন্দেহটো এই কাৰণেই কৰিছো যে আনতকৈ নিজকে শ্ৰেষ্ঠ হিচাপে প্ৰতিপন্ন কৰিব খুজাটো মানুহৰ এটা স্বাভাৱিক প্ৰবৃত্তি আৰু সেয়ে হয়তো ঋষি-মুনিসকলে কঠোৰ সাধনাৰে লাভ কৰা এই তন্ত্ৰ-মন্ত্ৰবোৰৰ প্ৰয়োগ বিধি সম্পৰ্কে কিছু কথা গোপন কৰি ৰাখি নিজকে নিজৰ সমসাময়িক সমাজখনত শ্ৰেষ্ঠ বোলাই ৰাখিছিল। যিহেতু আজিৰ যুগৰ দৰে সেই সময়ত 'পেটেণ্ট ৰাইট' বা স্বত্বাধিকাৰী আইনবো কোনো ব্যৱস্থা নাছিল, সেয়েহে সকলো কথা ভেদ ভাঙি কৈ তেওঁলোকে হয়তো নিজৰ উদ্ভাৱিত তত্বৰ স্বত্ব হেৰুৱাব খোজা নাছিল। সম্ভৱতঃ এই বাবেও আজিৰ যুগৰ বেজ-জ্ঞানীসকলে তাহানিৰ সেই শক্তিশালী তন্ত্ৰ-মন্ত্ৰবোৰ বাস্তৱ ক্ষেত্ৰত ৰূপায়ণ কৰি তাৰ সত্যতা প্ৰতিপন্ন কৰিব নোৱাৰে আৰু বিজ্ঞানেও এইবোৰৰ ৰহস্য নিৰূপণ কৰাত পদে পদে বিফল হয়।

তাৰোপৰি আমি ভাবো যে বিজ্ঞানে যিহেতু সদায় নতুন নতুন আৱিষ্কাৰ বা নতুন নতুন উদ্ভাৱনৰ সন্ধানত থাকে, সেয়েই তন্ত্ৰ-মন্ত্ৰৰ দৰে এটা ৰহস্যাবৃত কৌটিকলীয়া বিষয়ৰ ওপৰত গৱেষণা কৰি সময় খৰচ কৰাৰ কোনো যুক্তিও বিচাৰি নাপায়। আকৌ কওঁ, এইবোৰ হয়তো আমাৰ অনুৰ্বৰ মস্তিষ্কৰ অনুভৱহে। আজিৰ পৰা কেইবা হাজাৰ বছৰৰ পূৰ্বে প্ৰজ্ঞাৱান ঋষি-মুনিসকলৰ দ্বাৰা সৃষ্ট এই ৰহস্যময় বিদ্যাটোক বিজ্ঞানৰ দোহাই দি পোনচাতেই অৱজ্ঞা কৰিব নোৱাৰাৰ দোষতেই আমাৰ মনত এই অনুভৱবোৰে ক্ৰীড়া কৰি থাকে। তন্ত্ৰ-মন্ত্ৰৰ সমৰ্থক সকলেতো চিধা-চিধিকৈ এই কথাটোকেই কয় যে তন্ত্ৰ-মন্ত্ৰবোৰ হ'ল সাধনালব্ধ জ্ঞান। কঠোৰ তপস্যা আৰু গভীৰ সাধনা অবিহনে এইবোৰ কাৰ্যকৰী কৰাটো অসম্ভৱ।

এইবাৰ আমি বিষয়টো আন এটা দৃষ্টিকোণৰ পৰা চাব খুজিছো। ড° সৰ্বেশ্বৰ ৰাজগুৰুৱে তেখেতৰ এটা প্ৰবন্ধত যাদু-বিদ্যা আৰু বিজ্ঞান প্ৰসংগত এগৰাকী খ্যাতি সম্পন্ন পণ্ডিতে কোৱা এষাৰ কথা এই বুলি উল্লেখ কৰিছিল যে, — 'Magic in the opinion of the leading anthropologists must necessarily be false and barren, for were it ever to become true and fruitful, it would no longer be magic but science. Magic, on analysis, resolves itself into a mistaken application of the laws of asociation of the ideas by similarity and cantignity. Legitimately applied, these same principles yeild science and illegitimately applied, they yeild magic.' অৰ্থাৎ "খ্যাতনামা নৃতত্ববিদসকলৰ মতে যাদু মিছা আৰু নিষ্ফল, কাৰণ ই সঁচা আৰু ফলপ্ৰসূ হোৱা হ'লে যাদু নহৈ বিজ্ঞান হ'লহেঁতেন। বিশ্লেষণ কৰি দেখা গৈছে যে যাদু হৈছে সাদৃশ্য আৰু সংলগ্নতাৰ ওপৰত ভিত্তি কৰি ভাব-সংযোগ নীতিৰ এটা ভুল প্ৰয়োগ। এই নীতিবোৰৰ আইন সংগত বা শুদ্ধ প্ৰয়োগে আমাক বিজ্ঞান দিয়ে আৰু অশুদ্ধ প্ৰয়োগৰ ফলত ই হয় যাদু।"

উল্লেখিত কথাখিনিৰ পৰা এইটো স্পষ্টকৈ বুজা যায় যে যাদু কেতিয়াও বিজ্ঞান নহয়, কিন্তু বিজ্ঞান যাদুৰ পৰা বৰ বেছি দূৰতো নহয়। বহু গৱেষকে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰাথমিক সূচনা যাদুতেই হোৱা বুলিও স্পষ্টকৈ মত পোষণ কৰিছে। যাদু হ'ল মানৱ সভ্যতাৰ আদিমতম অন্ধবিশ্বাস। এই অন্ধবিশ্বাসৰ পৰাই ক্ৰমে ক্ৰমে প্ৰণালীবদ্ধ ৰূপত প্ৰসাৰতা লাভ কৰিছে ধৰ্ম আৰু বিজ্ঞান এই প্ৰসংগত দাৰ্শনিক পণ্ডিত বাট্ৰেণ্ড ৰাছেলৰ এষাৰ উক্তি প্ৰণিধানযোগ্য। তেখেত কৈছিল যে— 'Interest in practical uses of Science came first through supersitions and Magic.' ইয়াৰ পৰা আমি সহজে এই কথা অনুমান কৰিব পাৰো যে মানৱ সভ্যতাৰ আৰম্ভণিৰে পৰা চলি অহা এই যাদুবিদ্যাৰ চৰ্চা আৰু সাধনাবোৰৰ কোনো বৈজ্ঞানিক ভিত্তি নাথাকিলেও এইবোৰে কিন্তু বিজ্ঞানৰ উৎস হিচাপে কাম কৰিব পাৰে, বিজ্ঞান আৰু প্ৰযুক্তিৰ ন ন সৃষ্টি তথা ন ন উদ্ভাৱনৰ চিন্তা-চেতনালৈ ই অৰিহণা যোগাব পাৰে। ভাৰতীয় সভ্যতাৰ প্ৰাণ স্পন্দন স্বৰূপে বহুপঠিত মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ আলমতে আমি এই কথাখিনি অলপ দকৈ জুকিয়াই চাব পাৰো। এই দুয়োখন মহাকাব্যতে অলেখ যাদুকৰী কৰ্ম-কাণ্ডৰ কথা উল্লেখ আছে, ৰজা-মহাৰজা, সাধু-সন্যাসীসকলে যাদুকৰী শক্তিৰ প্ৰভাৱতে অনেক অসাধ্য সাধন কৰাৰ কাহিনী আছে। প্ৰাচ্যৰ এনে কল্পনাপ্ৰসূত কাহিনীবোৰৰ

দ্বাৰা প্ৰভাবান্বিত হৈয়ে পাশ্চাত্যত বিজ্ঞান আৰু প্ৰযুক্তিয়ে বিকাশ লাভ কৰিছে বুলিয়ে বহু ভাৰতীয়ই দাবী কৰিব খোজে।

প্ৰথমে আমি পৃথিৱীৰ প্ৰথমখন মহাকাব্য ৰূপে স্বীকৃত ৰামায়ণৰ পৰাই কাহিনী এটা লওঁ। ৰামায়ণত উল্লেখ আছে যে ৰজা ৰাৱণে বনৰ পৰা সীতাক হৰণ কৰি নিওঁতে 'পুষ্পক' নামৰ এখন উৰণীয়া ৰথ ব্যৱহাৰ কৰিছিল। 'পুষ্পক' নামৰ এই উৰণীয়া ৰথখনৰ উৰণ কৌশলৰ আঁৰত কোনো বিজ্ঞান নাছিল, কোনো প্ৰযুক্তি নাছিল, সি আছিল যাদু। কিন্তু ৰাইট ভাতৃদ্বয়ে আবিষ্কাৰ কৰা বৰ্তমানৰ উৰণীয়া ৰথ (উৰাজাহাজ) খনৰ উৰণ কৌশলৰ আঁৰত কোনো যাদু নাই, কোনো মন্ত্ৰ নাই, ই বিজ্ঞান, ই প্ৰযুক্তি। কিন্তু আমাৰ মনত উদয় হোৱা প্ৰশ্নটো হ'ল ৰাইট ভাতৃদ্বয়ৰ মনলৈ আকাশেদি উৰি যাব পৰা যান্ত্ৰিক ৰথ এখন আবিষ্কাৰৰ সপোনটো কিয় আৰু কেনেকৈ আহিছিল অৰ্থাৎ এই সপোনটোৰ উৎস কি আছিল? এই একেটা সপোনকেটো মহামুনি বাল্মিকীয়ে আজিৰ পৰা, কেইবা হাজাৰ বছৰৰ আগেয়ে দেখিছিল আৰু 'পুষ্পক' ৰথৰ জৰিয়তে ৰামায়ণৰ পাতত তাৰ ধাৰণাও দি গৈছিল? পাৰ্থক্য মাথোঁ এটাই আছিল যে বাল্মীকিয়ে ৰজা ৰাৱণৰ সহায়ত 'পুষ্পক' ৰথখন উৰুৱাই নিছিল যাদু বিদ্যাৰ মহিমাৰে, যাক আমি কেতিয়াও বিজ্ঞান বুলি ক'ব নোৱাৰো। কিন্তু এটা দৃষ্টিৰে আমি এইবুলি ক'ব পাৰো যে ই আছিল একপ্ৰকাৰৰ কল্পবিজ্ঞান আৰু লগতে ভাবিব পাৰো যে ৰাইট ভাতৃদ্বয়ৰ সেই যুগান্তকাৰী আবিষ্কাৰৰ সপোনটোৰ আঁৰত এইধৰণৰ কল্পনাপ্ৰসূত যাদুকৰী কাহিনীবোৰেও অৰিহণা যোগাইছিল।

এইবাৰ মহাভাৰতৰ পৰা এটা কাহিনী লওঁ। ত্ৰিকালজ্ঞ ঋষি ব্যাসৰ দ্বাৰা প্ৰণিত এই মহাকাব্যখনত উল্লেখ আছে যে, কুৰুক্ষেত্ৰৰ যুদ্ধত প্ৰতিদিনে ঘটা ঘটনা-উপঘটনাসমূহ ঘৰতে বহি জন্মান্ধ ধৃতৰাষ্ট্ৰক জনাই আছিল সঞ্জয়ে। ইয়াৰ বাবে যাদুকৰ শ্ৰীকৃষ্ণই সঞ্জয়ক প্ৰদান কৰিছিল দিব্য দৃষ্টি (মায়ঙত প্ৰাপ্ত 'নখ বাচনিৰ মন্ত্ৰ'টোও প্ৰায় এই শাৰীৰে বুলি পাৰি), যাৰ জৰিয়তে সঞ্জয়ে ঘৰত থাকিয়েই যুদ্ধক্ষেত্ৰৰ সকলো ঘটনা জীৱন্ত ৰূপত দেখা পাইছিল। এতিয়া আমাৰ মনলৈ অহা প্ৰশ্নটো হ'ল সঞ্জয়ৰ এই 'দিব্য দৃষ্টি'ক আজিৰযুগৰ 'টেলিভিচন'টোৰ স'তে ৰিজাই চাব নোৱাৰিনে? সেই 'দিব্যদৃষ্টি'য়ে যি কাম কৰিছিল, সেই একে কামকেইটো এতিয়াৰ টেলিভিচনটোৱে কৰি আছে। আমি ভাবিব নোৱাৰোনে যে এনে দিব্যদৃষ্টিৰ লেখিয়া যাদুকৰী ধাৰণাবোৰৰ দ্বাৰা অনুপ্ৰাণিত হৈয়ে জন বেয়াৰ্ডে টেলিভিচনৰ দৰে যন্ত্ৰ এটা আবিষ্কাৰৰ সপোনটো দেখিছিল?

বিশ্ব ইতিহাসৰ পাতত এনে বহু কাহিনী আছে যিবোৰক পাছৰ যুগৰ বিজ্ঞানী আৰু প্ৰযুক্তিবিদসকলে দেখা সপোনবোৰৰ উৎস আছিল বুলি আমি বিনাদ্বিধাই অনুমান কৰিব পাৰো। আজিৰ বিজ্ঞানী আৰু প্ৰযুক্তিবিদসকলে যিবোৰ অসাধ্য সাধন কৰি দেখুৱাইছে, ঋষি-মুনিসকলে প্ৰায় একে ধৰণৰ কিছুমান অসাধ্যকে সাধন কৰাৰ সপোন দেখিছিল বা কৰি দেখুৱাইছিল আজিৰ পৰা কেইবা হাজাৰ বছৰৰ আগতে, যাদুবিদ্যাৰ মহিমাৰে। ঠিক এইকাৰণেই যাদু আৰু অন্ধবিশ্বাসৰ বুকুতেই বিজ্ঞানৰ প্ৰাথমিক সূচনা ঘটিছিল বোলা কথাষাৰৰ যুক্তিযুক্ততাক আমি সহজে ওলাই কৰিব নোৱাৰো। সৰ্বশেষত আমি ক'ব খোজো যে মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত মন্ত্ৰ প্ৰসিদ্ধ মায়ঙৰ লগতে পৃথিৱীৰ চুকে-কোণে আজিৰ তাৰিখতো যিখিনি যাদু-মন্ত্ৰৰ চৰ্চা অব্যাহত আছে, সেইখিনিক যেন বিজ্ঞানী তথা গৱেষক-পণ্ডিতসকলে হেয়-জ্ঞান নকৰে। আমি বিচাৰো এই চৰ্চাবোৰৰ ওপৰত উপযুক্ত অধ্যয়ন হওঁক, উচ্চ স্তৰৰ গৱেষণা হওঁক। কোনে জানে- এইবোৰেও বিজ্ঞানীসকলৰ মনত নতুন কোনো ধাৰণাৰ জন্ম দিব পাৰে, মানৱ সমাজৰ বাবে প্ৰায়োজনীয় নতুন কিবা আবিষ্কাৰৰ সন্তেদ দিব পাৰে। এইবোৰ একো নহ'লেও, সংস্কৃতিৰ ৰূপতে এই যাদু-মন্ত্ৰৰ চৰ্চাখিনি জীয়াই থকাটো দৰকাৰ । কাৰণ মানৱ সভ্যতাৰ কোনো এশ-দুশ বছৰীয়া সংস্কৃতি নহয়, কেইবা হাজাৰ বছৰীয়া পুৰণি সংস্কৃতি। এই সংস্কৃতিৰ বুকুতে আমি দেখা পাম আমাৰ অতীত, আমাৰ ঐতিহ্যক। ইয়েই আমাক দিব— চিন্তা-চেতনাৰ কোনটো প্ৰাথমিক বিন্দুৰ পৰা যাত্ৰা আৰম্ভ কৰি, প্ৰজ্ঞাৰ কিমান সমুদ্ৰ সাঁতুৰি-নাদুৰি আহি মানৱ সভ্যতাই আজিৰ এই বিন্দুত উপনীত হৈছে— সেই কথা উপলব্ধি কৰাৰ বিমল সুযোগ। ◆ ◆

বিষয়

# শিক্ষা - প্রশিক্ষা

# মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ইতিহাস

ড° ফণীভূষণ নাথ
অধ্যক্ষ
মায়ং আঞ্চলিক মহাবিদ্যালয়

আগকথা ঃ মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত প্ৰতিষ্ঠিত মায়ং আঞ্চলিক মহাবিদ্যালয়খন বৃহত্তৰ মায়ং অঞ্চলৰ একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান। ১৯৯২ চনৰ পৰা এই মহাবিদ্যালয়খনিয়ে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক স্নাতক মহলা পৰ্যন্ত শিক্ষা গ্ৰহণৰ সুবিধা দি আহিছে। বান পীড়িত, অৰ্থনৈতিকভাৱে অনগ্ৰসৰ, যাতায়তৰ সুব্যৱস্থা নথকা এই অঞ্চলৰ দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলৰ বেছিভাগৰ বাবেই চহৰস্থিত মহাবিদ্যালয়ত পঢ়ি উচ্চশিক্ষা লোৱাটো অলীক সপোন হৈ ৰ'লহেতেন যদিহে মায়ং আঞ্চলিক মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ নকৰিলেহেতেন। ১৯৯৫ চনত এই মহাবিদ্যালয়ৰ পৰা প্ৰথম Batch অত ৮ জন ছাত্ৰই স্নাতক ডিগ্ৰী লাভ কৰে। সেই বছৰৰ পৰা আৰম্ভ কৰি আজি পৰ্যন্ত মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা প্ৰায় ১৫০০ স্নাতকৰ ৭০ শতাংশ বা ততোধিকে স্নাতক হ'ব নোৱাৰিলেহেতেন যদিহে স্থানীয়ভাৱে উচ্চশিক্ষাৰ সুবিধাকণ নাপালেহেতেন। গতিকে ইমান গুৰুত্বপূৰ্ণ এই অনুষ্ঠানটিৰ বুৰঞ্জী থূল-মূল ভাৱে হ'লেও কিছু জনাৰ প্ৰয়োজন আছে মায়ং অঞ্চলবাসীৰ বাবে; কিয়নো উচ্চশিক্ষাৰে শিক্ষিত নহ'লেও বা নিৰক্ষৰ হ'লেও এই অঞ্চলৰ এচাম শিক্ষানুৰাগী, দূৰদৃষ্টিসম্পন্ন মহান ব্যক্তিৰ সুচিন্তাৰ পৰিণতিতেই জন্ম হৈছিল **"মায়ং আঞ্চলিক মহাবিদ্যালয়"** নামৰ এই অনুষ্ঠানটিৰ।

যোৱা ইং ১৯৮৩ চনতে মায়ং অঞ্চলৰ শ্ৰীৰসধৰ ডেকা, হংসৰাম শইকীয়া, ৰতিকান্ত শইকীয়া, ৰঘুবৰ নাথ, মোহনবংশী চৰকাৰ, দিপন চন্দ্ৰ নাথ, প্ৰফুল্ল কুমাৰ ভূঞা আদিকৰি কেইগৰাকী উদ্যোগী লোকে উচ্চশিক্ষাত অধিক পিছপৰা মায়ং অঞ্চলত উচ্চশিক্ষাৰ সুবিধাৰ্থে এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ সপোন ৰচি আহবায়কৰ ভূমিকা লৈ ৯-১০-১৯৮৩ তাৰিখে মায়ং, পকৰীয়া, বোকনি আৰু মনহা মৌজাৰ ৰাইজক আহ্বান কৰি মায়ং উচ্চ মাধ্যমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰিছিল। প্ৰতিকুল বতৰৰ বাবে ৰাইজৰ উপস্থিতি আশানুৰূপ নোহোৱাত তেওঁলোকৰ প্ৰথমবাৰৰ এই প্ৰচেষ্টা বিফল হয়। তথাপি এইসকল আশাশুধীয়া ব্যক্তি নিৰাশ নহৈ পুনৰ ২৮-১-১৯৮৪ তাৰিখে উপৰোক্ত আটাইকেইখন মৌজাৰ ৰাইজক আহবান জনাই এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। এই সভাখনত সভাপতিৰ আসন অলংকৃত কৰিছিল

অত্যুৎসাহী অনুষ্ঠানপ্ৰেমী ব্যক্তি হৰিচন্দ্ৰ বৰাদেৱে। আৱশ্যকীয় দিহা-পৰামৰ্শৰ বাবে সেই সময়ৰ মৰিগাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত নৰেন্দ্ৰনাথ কেওট্ আৰু অধ্যাপক শ্ৰীযুত গণেশ মেধি মহাশয়কো আমন্ত্ৰণ জনোৱা হৈছিল আৰু তেখেতসকলে আমন্ত্ৰণ ৰক্ষা কৰি সভাত উপস্থিত থাকি সুদিহা-পৰামৰ্শ আগবঢ়াইছিল। উক্ত সভাতে উপস্থিত ৰাইজৰ সৰ্বসন্মতিক্ৰমে মায়ঙত এখন মহাবিদ্যালয় স্থাপন কৰিবলৈ খাটাং সিদ্ধান্ত গ্ৰহণ কৰি ৩য় প্ৰস্তাৱ মতে মহাবিদ্যালয়খনৰ নাম "মায়ং আঞ্চলিক মহাবিদ্যালয়" নামেৰে নামকৰণ কৰি পঞ্চম প্ৰস্তাৱমৰ্মে মায়ং ৰাজহ চক্ৰৰ চক্ৰবিষয়াক সভাপতি, প্ৰফুল্ল কুমাৰ ভূঞাক সম্পাদক আৰু দিপন চন্দ্ৰ নাথক সহ-সম্পাদক হিচাপে লৈ ৭৫ জনীয়া তদৰ্থ কমিটি এখন গঠন কৰা হয়। সিদিনাৰ সভাত শ্ৰদ্ধাৰ কেওট্ চাৰে আগ্ৰহী ৰাইজৰ সদিচ্ছা আৰু শক্তিৰ প্ৰমান স্বৰূপে কোনে কিমান বৰঙণি আগবঢ়াব পাৰে মুকলিকৈ প্ৰকাশ কৰিবলৈ অনুৰোধ জনায়। সভাৰ মাজৰ পৰা ৩৩ গৰাকী সদাশয় ব্যক্তিয়ে মহাবিদ্যালয়খনৰ পুঁজিলৈ ধন-ধান দান কৰিবলৈ প্ৰতিশ্ৰুতি দিয়ে। মোঃ আকবৰ আলী ঠাকুৰীয়াই ১০ মোন ধান দিয়াৰ প্ৰতিশ্ৰুতি দি দানৰ পাতনি মেলে। সভাৰ মাজৰ পৰা শ্ৰীযোগেন্দ্ৰ চন্দ্ৰ ডেকাই ৫১ টকা, ৰঘুবৰ নাথে ৫ টকা, কমলাকান্ত দত্তই ২১ টকা আৰু চন্দ্ৰকান্ত নাথে ৫ টকা মুঠ ৮২ টকা সভাৰ মাজতে আদায় দি মহাবিদ্যালয়ৰ পুঁজিৰ শুভ আৰম্ভনী কৰে। দানৰ প্ৰতিশ্ৰুতি আগবঢ়োৱা প্ৰতিগৰাকী ব্যক্তিয়ে পৰবৰ্তী সময়ত প্ৰতিশ্ৰুত বৰঙণি আদায় দিছিল। ইয়াৰ পিছৰে পৰা মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ কাম-কাজ আৰম্ভ হয়। ২০/৮/১৯৮৪ তাৰিখে মায়ং আঞ্চলিক উন্নয়ন কমিটিয়ে ৫০০০ টকা প্ৰস্তাৱিত মহাবিদ্যালয়খনলৈ অনুদান আগবঢ়াই এই মহান অনুষ্ঠানটিৰ প্ৰথম খুটি পুতে। উক্ত ধনৰাশি সম্পাদক আৰু সহকাৰী সম্পাদকৰ যুটীয়া স্বাক্ষৰত লখিমী গাঁৱলীয়া বেঙ্ক, বহা শাখাত ৫ বছৰৰ বাবে স্থায়ী জমা ৰখা হয়। সহ-সম্পাদক দিপন চন্দ্ৰ নাথৰ প্ৰতিশ্ৰুতিৰ বৰঙণি ৫৫১ টকাৰে মহাবিদ্যালয়ৰ বাবে অনুদান সংগ্ৰহ কৰাৰ উদ্দেশ্যে ২০ খন ৰচিদ বহী (প্ৰতিখনত ৫০ খনকৈ ৰচিদ) ছপা কৰা হয়। এনেদৰে ধন সংগ্ৰহ অভিযানো আৰম্ভ হয়।

**মহাবিদ্যালয়ৰ মাটিৰ আবন্টন ঃ** মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ বাবে প্ৰথম প্ৰয়োজন আছিল এডোখৰ মাটিৰ। তদৰ্থ কমিটিৰ প্ৰস্তাৱ মৰ্মে মায়ং ৰাচহ চক্ৰৰ মায়ং মৌজাৰ ৰজামায়ং আৰু ২ নং মুৰকাটা কিচামতৰ মুঠ ৬০ বিঘা মাটিৰ আবণ্টন পাবলৈ মৰিগাঁও মহকুমাধিপতিৰ ওচৰত আবেদন দাখিল কৰাত মহকুমাধিপতিৰ হুকুম মতে মায়ং ৰাজহ চক্ৰ বিষয়া মহোদয়ে ট্ৰেচ্ মেপ আৰু চিথা কপিৰে মহকুমাধিপতিলৈ প্ৰস্তাৱ পঠায়। কিন্তু মহাবিদ্যালয়ৰ শ্ৰেণী আৰম্ভ নকৰিলে ভূমি পট্টন উপদেষ্টা পৰিষদে মাটি আৱণ্টন দিব নোৱাৰে বুলি জনালে। আনহাতে ১৯৮৪ চনত তদানীন্তন ৰাজ্যিক শিক্ষামন্ত্ৰী মাননীয় শ্ৰীযুত মুকুট শৰ্মা মায়ং ভ্ৰমণলৈ আহোতে মায়ঙীয়া ৰাইজে মহাবিদ্যালয় এখন স্থাপন কৰিবলৈ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰাৰ কথা জনোৱাত চৰকাৰে মহাবিদ্যালয়সমূহত থকা প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী দুটা হাইস্কুল বিলাকলৈ আনি উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ আচনিৰ কথা প্ৰকাশ কৰে। এই আচনিৰ অধীনত তেখেতে মায়ং হাইস্কুলখনক উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰাৰ প্ৰতিশ্ৰুতি দিয়ে আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়খন পূৰ্ণাঙ্গ হোৱাৰ পিছতহে এখন স্নাতক মহাবিদ্যালয় (Degree College) স্থাপন কৰাৰ কথা কৈ যায়। তেখেতে কোৱা মতেই ১৯৮৫ চনত মায়ং হাইস্কুলখন উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰা হয়। মহাবিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰক্ৰিয়া কিছু বছৰলৈ স্থগিত ৰাখিব লগীয়া হলেও, সম্পাদকদ্বয়, ৰতিকান্ত শইকীয়া, যোগেন্দ্ৰ নাথ ডেকা, যোগেন কোঁৱৰকে আদি কৰি কেইবাগৰাকী অত্যুৎসাহী ব্যক্তিয়ে আশাবাদী হৈ ইয়াৰ মাজতে কেইবাখনো সভা পাতি একানপতীয়া ভাৱে লাগিয়েই আছিল।

**মহাবিদ্যালয়ৰ সফল প্ৰতিষ্ঠা (ডিগ্ৰী কলেজ হিচাপে)** ঃ ১৯৮৭ চনৰ পৰা মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ স্নাতক মহলাৰ শিক্ষাৰ বাবে দূৰ-দূৰণিৰ মহাবিদ্যালয়লৈ যাব লগীয়া হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে মায়ং অঞ্চলটো বানপীড়িত হোৱা বাবে এই অঞ্চলৰ বেছিভাগ লোকেই আৰ্থিকভাৱে অতি দুৰ্বল। আনহাতে ৰাস্তা-ঘাটৰ অৱস্থা অতি পুতৌ লগা হোৱা বাবে অন্যান্য ঠাইৰ লগত যোগাযোগৰ ক্ষেত্ৰত এই অঞ্চলৰ ৰাইজ সাংঘাতিক অসুবিধাত পৰিছিল। ফলত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা পাছ কৰাৰ পিছত ইচ্ছা থাকিলেও বহু ছাত্ৰ-ছাত্ৰী বাহিৰৰ মহাবিদ্যালয়লৈ উচ্চশিক্ষা লাভৰ বাবে যাব পৰা নাছিল।

এইবাৰ ৰাইজৰ হাতলৈ আকৌ এটা সুবিধা আহিল। ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহত মাননীয় শ্ৰীযুত মুকুট শৰ্মা ডাঙৰীয়া ৰাজহ মন্ত্ৰী হিচাপে মায়ং ভ্ৰমণলৈ আহিল। আগৰ কথা সোঁৱৰাই দি মহাবিদ্যালয়ৰ বাবে মাটি বিচাৰি ৰাজহুৱাভাৱে আবেদন কৰাত তেখেতে শিলডুবি কিচামতৰ চিলিং উদ্বৃত

১৩ বিঘা মাটি প্ৰস্তাবিত মহাবিদ্যালয়খনৰ নামত আবণ্টন দিবলৈ উপাযুক্ত মহোদয়ক কৰ্তৃত্ব দি যায়। আকৌ লেঠা লাগিল। মহাবিদ্যালযৰ পাঠদান আৰম্ভ নোহোৱাকৈ মাটিৰ আবন্টন নাপাওঁ। গতিকে মহাবিদ্যালয়খন (১৯৯২) আৰম্ভ কৰিবই লাগিব বুলি আলোচনা কৰি তদৰ্থ কমিটিয়ে ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰিলে। মায়ং আঞ্চলিক উন্নয়ন কমিটিয়ে ২৪-০৪-১৯৯২ তাৰিখে ২৫,০০০.০০ টকাৰ অনুদান আগবঢ়ায়। তদৰ্থ কমিটিৰ সম্পাদকদ্বয়ৰ যুটীয়া স্বাক্ষৰত ২৫-০৪-১৯৯২ তাৰিখে ২০,০০০.০০ টকা ভাৰতীয় ষ্টেট বেংক ৰজামায়ং শাখাত ৫ বছৰৰ বাবে স্থায়ীভাৱে জমা ৰখা হয় আৰু ৫০০০.০০ টকাৰে দুই সম্পাদকৰ নামত যুটীয়াভৱে এটা সঞ্চয় জমাৰ হিচাপ খোলা হয়।

তদৰ্থ কমিটিৰ উদ্যোগত ৩-৫-১৯৯২ তাৰিখে সাধাৰণ সভা আহবান কৰা হ'ল। বেয়া বতৰৰ বাবে উপস্থিতি সেৰেঙা হোৱাত ১০-৫-১৯৯২ তাৰিখে পুনৰ সভাৰ তাৰিখ ঠিক কৰা হ'ল আৰু সিদিনা বিপুল সংখ্যক ৰাইজৰ উপস্থিতিত ১৯৯২-৯৩ বৰ্ষৰ পৰাই মহাবিদ্যালয় আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি সভাই সৰ্ব্বসন্মতিক্ৰমে মায়ং ৰাজহ চক্ৰ বিষয়া মাননীয় শ্ৰীযুত দিমাচৰণ বড়ো দেৱক সভাপতি, মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত কালিচৰণ পাটৰ দেৱক কাৰ্যকৰী সভাপতি, দিপন চন্দ্ৰ নাথক সম্পাদক আৰু প্ৰফুল্ল কুমাৰ ভূঞাক সহঃ সম্পাদক হিচাপে লৈ ৪৪ জনীয়া পৰিচালনা কমিটি এখন গঠন কৰে। এই কমিটিত আমিও এজন সদস্য হিচাপে অৰ্ন্তভূক্তি লাভ কৰিছিলোঁ। সভাই মহাবিদ্যালয় আৰম্ভ কৰাৰ আগতীয়া অনুমতি বিচাৰি অসম চৰকাৰৰ ওচৰত ৰাজহুৱাভাৱে আবেদন কৰিবলৈ ঠিৰাং কৰে আৰু সেই মৰ্মে ২২-০৬-১৯৯২ তাৰিখে সম্পাদক শ্ৰীযুত দিপন চন্দ্ৰ নাথে হাতীমূৰীয়া নিবাসী শ্ৰীমুকুট বিষয়াৰ লগত গৈ জাগীৰোড সমষ্টিৰ বিধায়ক শ্ৰীযুত বুবুল দাসৰ জৰিয়তে শিক্ষামন্ত্ৰীৰ ওচৰত মহাবিদ্যালয় স্থাপনৰ অনুমতি বিচাৰি আবেদন দাখিল কৰে। ২৭-০৬-১৯৯২ তাৰিখে মহাবিদ্যালয় পৰিচালনা সমিতি আৰু অঞ্চলৰ কৰ্মচাৰী সকলৰ যুটীয়া বৈঠকৰ সিদ্ধান্ত মৰ্ম্মে সকলো কৰ্মচাৰীয়ে মহাবিদ্যালয়খন স্থাপনৰ বাবে প্ৰতি বছৰে গ্ৰেড ভেদে ৫১.০০ টকা, ১০১.০০ টকা বা তদুৰ্দ্ধ পৰিমাণৰ বৰঙণি দিবলৈ সন্মতি প্ৰকাশ কৰে। যোৱা ৩১-০৫-১৯৯২ তাৰিখৰ কাৰ্যকৰী সভাৰ সিদ্ধান্ত মৰ্মে অধ্যক্ষ আৰু নিৰ্দ্দিষ্ট বিষয়ৰ প্ৰবক্তা পদৰ বাবে কৰা বিজ্ঞাপনৰ ভিত্তিত ২১-০৬-১৯৯২ তাৰিখৰ সভাই ৩০-০৬-১৯৯২ তাৰিখে সাক্ষাৎকাৰ গ্ৰহণ কৰি নিযুক্তিৰ ব্যৱস্থা কৰাৰ বাবে সিদ্ধান্ত লয়। The Assam Tribune আৰু 'দৈনিক অসম'ত দিয়া বিজ্ঞাপন মৰ্ম্মে অধ্যক্ষ আৰু প্ৰবক্তা পদৰ বাবে কিছু সংখ্যক আবেদন আহিল। ৩০-০৬-১৯৯২ তাৰিখে অনুষ্ঠিত সাক্ষাৎকাৰত প্ৰবক্তা পদৰ প্ৰাৰ্থী সকল উপস্থিত নহ'ল। অধ্যক্ষ তথা ইংৰাজী বিষয়ৰ প্ৰবক্তা হিচাপে আৱেদনকাৰী স্থানীয় প্ৰাৰ্থী শ্ৰীফণীভূষণ নাথক (অৰ্থাৎ আমাক) প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে ৫-০৭-১৯৯২ তাৰিখৰ পৰা প্ৰযোজ্য হোৱাকৈ নিযুক্তি দি বিশ্ববিদ্যালয়ৰ অনুমতি, ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তি আদি যাৱতীয় কামখিনি কৰিবলৈ দায়িত্ব আৰু কৰ্ত্তৃত্ব প্ৰদান কৰে। ৰাইজক দিয়া দায়িত্ব ৰাইজৰে আশীৰ্বাদ হিচাপে গ্ৰহণ কৰি আমি বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰি মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ কেওট্‌ চাৰৰ সহযোগত মহাবিদ্যালয় স্থাপনৰ অনুমতি প্ৰক্ৰিয়া আৰম্ভ কৰিলোঁ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত পাছ কৰা ছাত্ৰক ঘৰে ঘৰে বিচাৰি ১৯৯২-৯৩ বৰ্ষত মুঠ ৫১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তি কৰি ১৩-০৮-১৯৯২ তাৰিখে এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ মাধ্যমেৰে কেওট্‌ ছাৰৰ জৰিয়তে প্ৰথম পাঠদান কাৰ্যসূচীৰ শুভাৰম্ভ ঘটোৱা হয়। মহাবিদ্যালয়ৰ শুভাৰম্ভণিৰ উপলক্ষে আয়োজিত মুকলি সভাত সভাপতিত্ব কৰিছিল চক্ৰ বিষয়া দিমাচৰণ বড়ো দেৱে। কেওট্‌ ছাৰ, গনেশ মেধি, মফিজুদ্দিন আহমেদ আদি কৰি বহু বিশিষ্ট ব্যক্তিয়ে উক্ত সভাত সাৰুৱা ভাষণ ৰাখিছিল। এই ১৩ আগষ্ট তাৰিখটোকে প্ৰতিবছৰে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ 'প্ৰতিষ্ঠা দিৱস' হিচাপে পালন কৰি আহিছোঁ। এই ১৩ আগষ্ট দিনটো মায়ংবাসী ৰাইজৰ বাবে এক স্মৰণীয় আৰু গৌৰৱময় দিন। বৰ্ত্তমান ২০১৭ চনত ১৩ আগষ্টত আমাৰ মহাবিদ্যালয়ে ২৫ বছৰ সম্পূৰ্ণ কৰিব আৰু সেই উপলক্ষে বিস্তৃত কাৰ্যসূচীৰে **ৰূপালী জয়ন্তী উদ্‌যাপনৰ** ব্যৱস্থাত নামি পৰিছোঁ।

**অস্থায়ী গৃহত পাঠদান ঃ** মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ অনুমতি সাপেক্ষে বিদ্যালয়ৰ এটা কোঠা কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰি বিদ্যালয় চৌহদত এখন ৬২ x ১৫ ফুটৰ অস্থায়ী টিনৰ চালিত তৰ্জাৰ বেৰ দি তিনিটা শ্ৰেণী কোঠা সাজি পাঠদান কাৰ্যসূচী চলোৱা হয়। প্ৰথম অৱস্থাত মহাবিদ্যালয়ৰ স্থায়ী শিক্ষক নিযুক্তি নোহোৱাত উক্ত বিদ্যালয়ৰে বিষয় শিক্ষক সৰ্বশ্ৰী প্ৰফুল্ল কুমাৰ দাস, সুচেন দাস, ভীমবৰ বৰদলৈ, হৰেশ্বৰ ডেকা, ভোগেশ্বৰ বৰা, লোকেন্দ্ৰ হাজৰিকা আৰু তিলক পাঠকৰ সহায়ত পাঠদান চলোৱা হৈছিল। প্ৰথম বছৰত স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ আছিল ৫১ জন।

**মহাবিদ্যালয়ৰ মাটি আৰু স্থায়ী ভৱন ঃ** ৩১-৩-১৯৯২ তাৰিখে অঞ্চলৰ ৰাইজৰ উপস্থিতিত মায়ং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মহোদয়ে শিলডুবি কিচামতৰ ১৩ বিঘা চিলিং উদ্বৃত মাটি আৰু ১৪-৩-১৯৯৩ তাৰিখে ৰজামায়ং কিচামতৰ ৬৮৮ নং দাগৰ ২০ বিঘা মাটি মহাবিদ্যালয়ক চমজাই দিয়ে আৰু ৬-১-১৯৯৪ তাৰিখে মাটিখিনি মৰিগাঁও জিলা ভূমি পট্টন উপদেষ্টা পৰিষদে আমাৰ মহাবিদ্যালয়ক স্থায়ীভাবে আবণ্টন দিয়ে। ৩১-৫-১৯৯৪ তাৰিখে উক্ত ২০ বিঘা মাটিৰ দাগটোতে মহাবিদ্যালয়ৰ স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰা হয় তদানীন্তন উচ্চশিক্ষা বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত গোলোক চন্দ্ৰ ৰাজবংশীদেৱৰ দ্বাৰা। তেতিয়াৰে পৰা মহাবিদ্যালয়ৰ নিজা মাটিত মহাবিদ্যালয়ৰ কাম-কাজ চলি আছে।

**পুথিভঁৰাল স্থাপন ঃ** বিশ্ববিদ্যালয়ৰ Ordinance মতে এখন মহাবিদ্যালয়ৰ পুথিভঁৰালত কমেও ২৫০০ কিতাপপুথি থাকিব লাগে। পৰিচালনা সমিতিৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাচুল আৰু সাধাৰণ পূঁজিৰ পৰা ৪৪৬৯.৫০ টকা মূল্যৰ কিতাপপুথি প্ৰথম বছৰত কিনি আনি জমা কৰা হয়। মৰিগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত মাননীয় শ্ৰীযুত দীপক কুমাৰ শৰ্ম্মাদেৱে সৰ্বপ্ৰথমে আমাৰ কলেজ লাইব্ৰেৰীলৈ ৯ খন পুথি দান দি থৈ গৈছে। আমাৰ কলেজ লাইব্ৰেৰীলৈ পুথি-পাজিৰ দান বিচাৰি ইতিমধ্যে অঞ্চলটোৰ বহুজন শিক্ষানুৰাগী ব্যক্তিলৈ সম্পাদকে গোহাৰীপত্ৰও প্ৰেৰণ কৰিছিল। পত্ৰৰ মৰ্ম্মে শ্ৰীযুত মঠিৰ শইকীয়াই ২ খন, শ্ৰী শৰৎ নাথে ৪ খন, শ্ৰী সূৰ্য দাসে ১ খন, শ্ৰী অতুল চন্দ্ৰ ডেকাই ৩ খন, শ্ৰী প্ৰবীন মেধীয়ে ২ খন, শ্ৰী উপেন ডেকাই ৪ খন, শ্ৰী লোকেন্দ্ৰ হাজৰিকাই ৩০ খন, শ্ৰী ৰবিধৰ নাথে ৩৫ খন, আৰু শ্ৰী ফণীভূষণ নাথে ২৫০ খন কিতাপ আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰাললৈ দান কৰিছে। এখেত সকলৰ বাহিৰেও গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফিজিকচ্ বিভাগৰ প্ৰফেচৰ তথা আমাৰ মহাবিদ্যালয়ৰ প্ৰথমগৰাকী পৰিদৰ্শক মাননীয় শ্ৰীযুত হীৰালাল দুৱৰাদেৱে ২০ খন কিতাপ দান কৰিছে। এখেতে আৰু কিতাপ আমাক দিব বুলি কথা দিছে। দাঁতাসকললৈ আমি অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সেই বছৰ মহাবিদ্যালয়ৰ পুথিভঁৰালত পুথিসংখ্যা ৫৩৬ খন। ইউ. জি. ছি. আৰু বিশ্ববিদ্যালয়ৰ নিয়ম অনুযায়ী কিতাপপুথি আমি আজি পৰ্যন্ত যোগাৰ কৰিব পৰা নাই। যিসকল সদাশয় ব্যক্তিয়ে কিতাপপুথি দান কৰিম বুলি ভাৱি আছে সেই সকলৰ পৰা কিতাপপুথি পাম বুলি আশা কৰিলোঁ। বৰ্তমান ২০১৭-১৮ বৰ্ষত মহাবিদ্যালয়ৰ পুথিভঁৰালৰ কিতাপ মুঠ ১৪১৪৮ খন।

**বিশ্ববিদ্যালয়ৰ অনুমতি, চৰকাৰী অনুমোদন ইত্যাদি ঃ** মহাবিদ্যালয়খন যদিও ১৯৯২-৯৩ চনতে স্থাপন কৰা হ'ল, বিশ্ববিদ্যালয়ৰ অনুমতি কিন্তু ১৯৯৩-৯৪ চনৰ পৰাহে পোৱা হ'ল। এই অনুমতিৰ ওপৰত চৰকাৰৰ অনুমোদন পাওঁতে আমাৰ দুবছৰ পলম হ'ল; কিয়নো অতি কমেও এটা স্থায়ী ভৱন নোহোৱাকৈ চৰকাৰী অনুমোদন পোৱা নাযায়। যা হওঁক, দেৰিকৈ হ'লেও আমি চৰকাৰী অনুমোদন লাভ কৰিলো। তাৰ পিছত মহাবিদ্যালয়খনে কি বিশ্ববিদ্যালয়ৰ স্বীকৃতি, কি চৰকাৰৰ বিভাগীয় অনুমোদন আদি লাভ কৰাৰ ক্ষেত্ৰত কোনোদিন পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাই। সকলো কাম সময় মতে হৈ গৈ থাকিল যদিও এটা অতি গুৰুত্বপূৰ্ণ সমস্যাই মহাবিদ্যালয় কৰ্তৃপক্ষক জুৰুলা কৰিছিল। যাতায়তৰ অসুবিধাৰ বাবে শিক্ষকসকল মায়ঙলৈ আহিব নোখোজে। আহিলেও কম দিনৰ ভিতৰতে বেলেগলৈ গুচি যায়। কিমান যে শিক্ষক আহিল আৰু গ'ল তাৰ অন্ত নাই। বৰ্তমান অৱশ্যে যাতায়তৰ সুবিধাখিনি হোৱাৰ পৰা এই সমস্যাৰ অন্ত পৰিছে।

আমাৰ মহাবিদ্যালয়খনে ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্থায়ী স্বীকৃতি (Permanent Affiliation) লাভ কৰিছে। ইংৰাজীৰ বাহিৰে বাকী আটাইকেইটা বিষয়তে (মহাবিদ্যালয়ত থকা) মেজৰৰ স্বীকৃতি পোৱা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ Section 2 (f) আৰু 12(B) ত আমাৰ মহাবিদ্যালয় অন্তৰ্ভূক্ত হৈছে। ইতিমধ্যে (One time catch up grant) আঁচনিৰে মহাবিদ্যালয়ৰ দুমহলীয়া ভৱনটি নিৰ্মিত হৈছে। UGC আঁচনিৰ অধীনত এটি Indoor Stadium ৰ নিৰ্মাণ আৰু এটি ছাত্ৰী নিবাস (Girls' Hostel) নিৰ্মাণৰ কাম চলি আছে। অহা দুমাহৰ ভিতৰত কাম সম্পূৰ্ণ হ'ব। আসন্ন ভৱিষ্যতত বিভিন্ন উন্নয়নমূলক আঁচনি গ্ৰহণ কৰি অনুদান পোৱাৰ বাবে আবেদন জনোৱা হৈছে। সময়ত পাম।

বৰ্তমান সময়ৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি দুটা দক্ষতা বিকাশ পাঠ্যক্ৰম (Skill Development Course) খোলাৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিছোঁ। বানিজ্য বা বিজ্ঞান শাখা খোলাৰ ক্ষেত্ৰত প্ৰথমতে মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উক্ত দুটা শাখা খুলিব লাগিব। তাৰ পাছত আমাৰ মহাবিদ্যালয়ত B. Com আৰু B. Sc শ্ৰেণী খুলিব পাৰিম।

মায়ং অঞ্চলৰ ৰাইজৰ একতাৰ ফলত আৰু সংঘদ্ধ প্ৰচেষ্টাত আজি মায়ং আঞ্চলিক মহাবিদ্যালয় জিলাখনৰ

ভিতৰতে এখনি জাকত জিলিকা অনুষ্ঠান হৈ উঠিছে। ১৯৯২ চনৰে পৰা আজি পৰ্যন্ত সামান্য পাৰিতোষিক লৈ অশেষ কষ্ট কৰি শিক্ষকসকলে যিদৰে ছাত্ৰ-ছাত্ৰীক পাঠদানৰ জৰিয়তে পৱিত্ৰ সমাজ সেৱা আগবঢ়ালে সি অতুলনীয়। এনে মহান ত্যাগৰ বাবে শিক্ষকসকল সদায় শলাগৰ পাত্ৰ হৈ ৰ'ব। অৱশেষত যোৱা ১-১-২০১৩ তাৰিখৰ পৰা আমাৰ মহাবিদ্যালয়খন প্ৰাদেশীকৰণৰ আওতাত অহাৰ পৰা শিক্ষক-কৰ্মচাৰীৰ লগতে পৰিচালনা সমিতিৰ সদস্যসকলে স্বস্তিৰ নিশ্বাস পেলাইছে।

মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তীৰ স্মৰণিকা হিচাপে ইয়াত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ অন্তৰালত থকা কথাখিনি প্ৰতিফলিত হ'লে ভাল হ'ব বুলি বিবেচনা কৰিহে থূলমূলকৈ এইখিনি বৰ্ণনা আগবঢ়ালোঁ।

এই কথাখিনি লিখি থাকোতে বাৰে বাৰে আজি প্ৰয়াত দিপন চন্দ্ৰ নাথ চাৰলৈ মনত পৰিছে। প্ৰতিষ্ঠাপক সম্পাদক হিচাপে ২০০৮ চন পৰ্যন্ত কাৰ্যভাৰ সম্পাদন কৰি নিজেই যেন মহাবিদ্যালয়খন হৈ পৰিছিল এই গৰাকী মহান ব্যক্তি। তেখেতৰ নেতৃত্বত অঞ্চলৰ বহু সংখ্যক ব্যক্তিৰ (নাম লৈ শেষ কৰিব নোৱাৰি) আশাশুধীয়া প্ৰচেষ্টাত এই মহাবিদ্যালয়খন বৰ্তমান পৰ্যায়ত উপনীত হৈছে। একাধাৰে এগৰাকী আদৰ্শ শিক্ষক, সমাজ সংগঠক, সাহিত্যিক, অনুষ্ঠান নিৰ্মাতা তথা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক প্ৰয়াত দিপন চন্দ্ৰ নাথৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে মহাবিদ্যালয়ৰ পুথিভঁৰালটি '**দিপন চন্দ্ৰ নাথ পুথিভঁৰাল**' নামেৰে নামকৰণ কৰা হৈছে। প্ৰতি বছৰে আমাৰ মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত কৃতী ছাত্ৰ/ছাত্ৰী গৰাকীক '**দিপন চন্দ্ৰ নাথ সোৱৰণী বটা**' প্ৰদান কৰা হয়। সুদীৰ্ঘ আঠবছৰ কালৰ বাবে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ আসন অলংকৃত কৰা প্ৰয়াত নন্দলাল উপাধ্যায় দেৱকো এই ছেগতে শ্ৰদ্ধাৰে সোঁৱৰিছো।

মায়ং আঞ্চলিক মহাবিদ্যালয়ে সদায় গুণগত শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। অৰ্থনৈতিক, শৈক্ষিক আদি দিশত অনগ্ৰসৰ মায়ং অঞ্চলৰ জাতি-বৰ্ণ, ধৰ্ম নিৰ্বিশেষে ধনী-দুখীয়া সকলো ছাত্ৰ-ছাত্ৰীকে স্থানীয়ভাৱে স্নাতক মহলা পৰ্যন্ত উচ্চশিক্ষা প্ৰদান কৰি শাৰীৰিক, মানসিক, বৌদ্ধিক, আধ্যাত্মিক উৎকৰ্ষ সাধনৰ জৰিয়তে একো একোজন সৎ-চৰিত্ৰবান সমাজ সচেতন নাগৰিক হিচাপে গঢ়ি তোলাই হৈছে আমাৰ মূল উদ্দেশ্য। মহাবিদ্যালয়ৰ এই লক্ষ্য আৰু উদ্দেশ্য সফল কৰিবলৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, সমাজৰ আগশাৰীৰ ব্যক্তিসকলৰ সমূহীয়া প্ৰচেষ্টাৰ প্ৰয়োজন। সেয়েহে সকলোৰে প্ৰতি আমাৰ আহ্বান-- "আহক আমি হাতে হাত ধৰি মহাবিদ্যালয়খনৰ উন্নয়ৰ হকে কৰ্মত ব্ৰতী হৈ সুস্থ-সবল সমাজ গঠনত অৰিহণা যোগাঁও আৰু সৰ্বত্ৰ অশান্ত জৰ্জৰ বৰ্তমানৰ সামাজিক, ৰাজনৈতিক পৰিস্থিতিৰ অৱসান ঘটাই এক শান্তিৰ বাতাবৰণ সৃষ্টি কৰাত আগভাগ লওঁ।" ◆◆

# বিহঙ্গম দৃষ্টিৰে মায়ঙত উচ্চ শিক্ষা

**প্ৰফুল্ল কুমাৰ ভূঞা**
**বিষয় সমাজকৰ্মী, মায়ং**

শ্ৰদ্ধেয় পাঠক সমাজ, আপোনালোকে বহুতে নাজানে যে মায়ঙত উচ্চ শিক্ষাৰ বাবে প্ৰস্তুতি চলাওতে এই স্তম্ভলেখক সক্ৰিয়ভাৱে জড়িত হ'বলগা হ'ল। ইয়াত অনিচ্ছাকৃতভাৱে মোৰ নামটো বাৰে বাৰে উল্লেখ কৰা বাবে আপোনালোকে অহঙ্কাৰ বুলি নাভাবি ভালখিনি গ্ৰহণ কৰক আৰু দোষখিনি মোলৈ ঠেলি দিয়ক। ১৯৬৫ চনত হাইস্কুল লিভিং ছাৰ্টিফিকেট পৰীক্ষা পাছ কৰাৰ পিছত খুব চোকা ল'ৰা নহ'লেও বহুততকৈ অলপ ভাল ল'ৰা আছিলো। এম ই স্কুলত পঢ়ি থাকোতেই দেউতা ঘৰ-বাৰী এৰি সন্যাসী হৈ যোৱাৰ পিছত মামাহঁতৰ ঘৰত থাকি পঢ়িছিলো যদিও কিতাপ-কাগজ, কাপোৰ-কানি আদি যোগাৰ দিব পৰা নাছিল। পাঠশালাৰ মোৰ শ্ৰদ্ধেয় শিক্ষাগুৰু শ্ৰীপূৰ্ণেশ্বৰ শইকীয়া ছাৰ আৰু হাইস্কুল পৰ্যায়ত মোৰ পৰম শ্ৰদ্ধেয় তৰুণ ঠাকুৰীয়া ছাৰে তেখেতৰ লগত ৰাখি পঢ়োৱাৰ দায়িত্ব লৈছিল। ১৯৬৫ চনত হাইস্কুল পাছ কৰাৰ পিছত মই নিঠৰুৱা হৈ গ'লো। উচ্চ শিক্ষাৰ বাবে তীব্ৰ আকাঙ্খা থকাৰ পিছতো পঢ়িব নোৱাৰিলো। তেতিয়াৰ দিনত মুক্ত বিশ্ববিদ্যালয় নাছিল। অনাই বনাই ঘূৰি ফুৰি এদিন মোৰ শ্ৰদ্ধেয় শিক্ষাগুৰু দণ্ডধৰ শইকীয়া ছাৰে কুৰুৱালৈ এখন সমবায় সমিতিৰ সম্পাদকৰ বাবে লৈ যায়। কুৰুৱাত মোৰ আধ্যাত্মিক গুৰু পৰম শ্ৰদ্ধেয় শ্ৰীশ্ৰীসোণাৰাম তালুকদাৰদেৱৰ অশেষ মৰম চেনেহ আৰু সমাজসেৱা কাৰ্যত কেনেকৈ ব্ৰতী হ'ব লাগে, ব্যক্তিত্ব কেনেকৈ গঢ় দিব লাগে, আবেদন-নিবেদন প্ৰস্তাৱ আদি কি ভাবেৰে লিখিব লাগে সকলো হাতে কামে শিকাই দিয়ে। কুৰুৱাত থাকোতে অৱশ্যে মই সমবায় বিভাগত এটা চাকৰিও পাইছিলো। চাকৰি কৰিলে মইহে সুখী হ'ম মোৰ সমাজখনৰ কি কামত আহিব। গতিকে প্ৰায় ৬ বছৰমান কুৰুৱাত থকাৰ পিছত পুনঃ মায়ঙলৈ ঘূৰি আহিলো। সেই সময়ত মায়ং অঞ্চলত দুৰ্ভিক্ষ বুলি ক'লেও ভুল কৰা নহ'ব। সেইকাৰণে এখন সমবায় সমিতি পাতি দৰিদ্ৰ খেতিয়কসকলক যদি সুলভ ব্যৱস্থাৰে কৃষি ঋণ দিব পাৰি তাৰ বাবে অশেষ চেষ্টা কৰিলো। এনেকৈ চেষ্টা কৰি থাকোতেই ১৯৭৩ চনত চৰকাৰে মৌজা পৰ্যায়ত এতিয়াৰ মায়ং-কমাৰপুৰ সমবায় সমিতি এই অধমৰ চেষ্টাতেই পঞ্জীয়নভুক্ত হ'ল। তাৰ পিছত ৰাজনীতিত লাগিলো। কিন্তু মনে শান্তি পোৱা নাই। ৰাস্তা-ঘাটবিলাক প্ৰতি বছৰে বানপানীয়ে ছিগে আৰু ৩-৪ বছৰমান পিছতহে মেৰামতি হয়। উপাই নাপাই নিজেই বুঢ়াবুঢ়িৰ পৰা কাজলিচকীলৈকে চিগা ৰাস্তাবিলাক মেৰামতি কৰিবলৈ ধৰিলো। যোৱা ১৯৭০ চনমানৰ পৰা ১৯৮০ চনমানলৈ আমাৰ অঞ্চলৰ ৰাইজৰ একপ্ৰকাৰ দুৰ্ভিক্ষ হৈছিল। শালী, বাওঁ ধানৰ খেতি বানপানীয়ে মাৰে, বড়ো ধানৰ খেতিও ভালদৰে প্ৰচলিত হোৱা নাই। চন্দ্ৰপুৰ হলচেলৰ পৰা

চাউল, আটা আহি নোপোৱালৈকে ৰান্ধনীয়ে কেৱাহিত পানী উতলাই থাকে। ১৯৮০ চনমানৰ পৰা পানী জমা হোৱা দ ঠাইবিলাকত ৰাইজে বড়ো ধানৰ খেতি কৰাৰ পিচৰ পৰা অলপ অলপকৈ জীপাল হ'বলৈ আৰম্ভ কৰে। মনত পৰামতে পোন প্ৰথমে মাননীয় শ্ৰীযোগেন্দ্ৰ ডেকাই প্ৰথম অগভীৰ নলীনাদ আৰম্ভ কৰিছিল। তাৰ পিছৰ পৰা আজিৰ অৱস্থাটো আপোনালোকে দেখিছেই। ১৯৮৩ চনৰ জুয়ে পোৰা অসমৰ সময়ত আমাৰ শ্ৰদ্ধেয় দিপন চন্দ্ৰ নাথ আৰু শ্ৰদ্ধেয় ৰতিকান্ত শইকীয়া ছাৰ আৰু আমাৰ দৰে কেইজনমান ডেকাল'ৰাই অশেষ কষ্ট কৰি শান্তি সমিতি এখন বনাই এই অঞ্চলত শান্তি-শৃংখলা ৰক্ষা কৰা হয়। সেই সময়ৰ দুৰ্দশাবিলাকৰ কথা মনত পৰিলে আজিও মনটো কেনেবা কেনেবা লাগে। আমাৰ মায়ঙৰ দুৰবস্থাৰ বাবেই বিশেষকৈ ৰাস্তাঘাট নথকা বাবে অন্য ঠাইৰ লোকে এই অঞ্চলত ছোৱালী বিয়া দিবও নোখোজে বা নিবও নোখোজে। আমাৰ অঞ্চলৰ বেছিভাগ ভাল ভাল চোকা ল'ৰা-ছোৱালীবিলাকে উচ্চ শিক্ষাৰ বাবে বাহিৰত গৈ পঢ়িব নোৱাৰে। যাতায়াত ব্যৱস্থা আৰু আৰ্থিক দৈন্যতাই মূল কাৰণ। যিমানদূৰ মনত পৰে ১৯৭৮ চনমানত আমাৰ তেতিয়াৰ মায়ং হাইস্কুলখন চৰকাৰীকৰণ হয়। তেতিয়াৰ পৰাই আমি কেইজনমানে মায়ং অঞ্চলত উচ্চশিক্ষাৰ অনুষ্ঠানৰ বাবে গুণাগঁথা কৰি আছো। হাইস্কুলখন চৰকাৰীকৰণ হোৱাৰ পিছত আমাৰ মায়ং উন্নয়ন সমিতিয়ে বিল-ডোঙা বিক্ৰী কৰি যি অলপ ধন পায় সেইখিনিৰ সৰহভাগ শিক্ষানুষ্ঠানখনতেই খৰছ কৰিবলৈ ৰাইজে ইচ্ছা প্ৰকাশ কৰি আছে। ১৯৭৮ চনৰ পৰা বিদেশী খেদা আন্দোলন আৰম্ভ হোৱাৰ ফলত আমাৰ চিন্তাবিলাক কিছুদিনলৈ তাপ মাৰি থাকিল। ১৯৮৩ চনৰ জুয়ে পোৰা অসমৰ পিছত বহু শান্তি ঘূৰি আহিল। পুনৰ ১৯৮৪ চনত আমাৰ মায়ং উন্নয়ন সমিতিয়ে স্বৰ্গীয় হৰি বৰা আৰু সম্পাদক স্বৰ্গীয় দিপন চন্দ্ৰ নাথৰ দ্বাৰা অনুষ্ঠিত সভা এখনত আমাৰ মায়ঙত 'মায়ং আঞ্চলিক মহাবিদ্যালয়' নামেৰে এখন মহাবিদ্যালয় খুলিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি সম্পাদক হিচাপে মই অধমক আৰু সহঃসম্পাদক হিচাপে স্বৰ্গীয় দিপন চন্দ্ৰ নাথক দায়িত্ব দি ৫ হেজাৰ টকা স্থায়ী জমা হিচাপে থ'বলৈ লখিমী গাঁৱলীয়া বেংক, বহা শাখাত এটা হিচাপ খুলি জমা থোৱা হয়। আমি মহাবিদ্যালয় আৰম্ভ কৰিমেই আৰু মৰিগাঁও মহাবিদ্যালয়ৰ লগত যোগাযোগ কৰি কেনেকৈ কৰিলে কামখিনি হ'ব এইবিলাক চিন্তা চৰ্চা চলি আছে। এই ১৯৮৪ চনৰ সম্ভৱতঃ মে-জুন মাহত তেতিয়াৰ ৰাইজে নিৰ্বাচন নকৰা অবৈধ চৰকাৰখনৰ শিক্ষামন্ত্ৰী মোৰ চিৰস্মৰণীয় স্বৰ্গীয় মুকুট শৰ্মা মহোদয় মায়ঙলৈ আহিছিল আৰু পঞ্চায়তত বহিছিল। শ্ৰদ্ধেয় দিপন নাথ ছাৰ আৰু মই মায়ং হাইস্কুলতেই আছিলো। শিক্ষামন্ত্ৰী অহা বুলি শুনি মই ছাৰক লগ ধৰিলো— বলক আমি মন্ত্ৰীক লগ ধৰি আমাৰ পাতিব খোজা কলেজখনৰ কথা পাতো। ছাৰে অলপ ইতঃস্তত কৰিছিল অবৈধ চৰকাৰ বুলি। কলেজখনৰ স্বাৰ্থতে দুয়ো গ'লো আৰু পঞ্চায়তত থকা শ্ৰীমান ৰাম চন্দ্ৰ শইকীয়া আৰু শ্ৰীকৃষ্ণ ডেকা পঞ্চায়তৰ কৰ্মচাৰী হিচাপে আছিলেই। আমি মন্ত্ৰীৰ ওচৰতেই বহি মায়ঙৰ ৰাইজে যে কলেজ পাতিবলৈ যো-জা কৰিছে সেইখিনি কৈ মন্ত্ৰী হিচাপে আমাক আৱশ্যকীয় সহায় কৰিবলৈ মৌখিকভাৱে অনুৰোধ জনালো। মন্ত্ৰী মহোদয়ে আমাক সুধিলে আপোনালোকক কোন কোন হায়াৰ ছেকেণ্ডাৰীয়ে ছাত্ৰ দিব। আমি ক'লো আমি প্ৰি-ইউনিভাৰ্চিটিসহ কলেজ পাতিম। তেতিয়া তেখেতে ক'লে, আপোনালোকে দুবছৰমান কলেজ খুলিব নালাগে। মই অহা বছৰ আপোনালোকৰ হাইস্কুলখন হায়াৰ ছেকেণ্ডাৰী কৰি দিম। আমি আৰু বেছি তৰ্ক-বিতৰ্ক নকৰি কিনো কৰে চাও বুলি থাকিলো। সৌভাগ্য ১৯৮৫ চনত মায়ং হাইস্কুলক হায়াৰ ছেকেণ্ডাৰী কৰি দিলে। এই সুযোগতে স্বৰ্গীয় মুকুট শৰ্মা মহোদয়ক শ্ৰদ্ধাৰে সুঁৱৰিলো মায়ঙৰ ৰাইজে কোনো চেষ্টা নকৰাকৈয়ে এই সুবিধাটো পোৱা বাবে। কিছুমান অনুষ্ঠান হ'ব লাগিলে উপযুক্ত আন্তঃগাঁথনি লাগিব। যেনে HSLC বা HS অথবা মহাবিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰ পাব লাগিলে থানা, বেংক আদি থাকিবই লাগিব। গতিকে মায়ং উন্নয়ন সমিতিৰ প্ৰেৰণা তথা তৎপৰতাত শ্ৰদ্ধেয় স্বৰ্গীয় দিপন ছাৰ আৰু এই অধম প্ৰথমে ১৯৮৬-৮৭ চনমানৰ পৰাই মায়ঙত লখিমী গাঁৱলীয়া বেংকৰ শাখা এটাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি আছিলো। তেতিয়াৰ নগাঁও আৰু যোৰহাট জিলাৰ বাবে Lead Bank আছিল United Bank of India। লখিমী গাঁৱলীয়া বেংকৰ শাখাৰ বাবে বহু ঘূৰাঘুৰি কৰি শেষত United Bank of India ৰ Lead Bank ৰ জৰিয়তে অসম চৰকাৰৰ Director of Public Institute ক লগ ধৰিলো। তেখেতে Reserve Bank of India ৰ লগত যোগাযোগ কৰিবলৈ দিলে। শেষত সৌভাগ্যক্ৰমে লটাৰীৰ জৰিয়তে আমি ভাৰতীয় ষ্টেট বেংক পালো। থানাখনৰ গুৰিকথাখিনি নক'লে যেন কিছু কথা আধৰুৱা হৈ ৰ'ব। ১৯৮৩ চনৰ আন্দোলনত দলং-ৰাস্তা শেষ হোৱাৰ পিছত আমাৰ মায়ঙৰ শান্তি কমিটীয়ে এই অধমক আৰু শ্ৰীৰাম চন্দ্ৰ শইকীয়াক মৰিগাঁৱৰ SDPO ক লগ ধৰি CRPF ৰ কেম্প এটা আনিবলৈ দায়িত্ব দিয়ে। সেইমতে আমি দুয়োজনে পিছদিনাই মৰিগাঁৱলৈ চাইকেল মাৰি যাওঁ। কোনো পুলিচ অফিচাৰক লগ নাপাই CRPF বিলাক বহাঁলৈকে অহা বুলি জানিব পাৰি আমি আহি ৰাতি শ্ৰদ্ধেয় স্বৰ্গীয় উত্তম ডেকাৰ ঘৰত থাকিলো। পিছদিনা পুৱাই CRPF ৰ DSP ৰেংকৰ অফিচাৰজনক লগ ধৰাত তেখেতে মায়ঙলৈ আহিম বুলি কোৱাত আমি মায়ঙলৈ আহো আৰু অফিচাৰজনক মায়ঙত কেম্প এটা লাগে বুলি যুক্তিসহকাৰে বুজাই দিয়াত মান্তি হৈ কেম্প এটা দিয়ে। কিছুদিন পিছত ডি এছ পি অফিচাৰ ৰাঘৱন মোৰ লগত বন্ধু হৈ পৰাত তেখেতে ক'লে যে আপুনি এখন ৰাজহুৱা দৰ্খাস্ত

পুলিচ আউটপোষ্টৰ বাবে লিখি লওক কাৰণ আমি সদায় নাথাকো। অহাকালি মই নগাঁৱলৈ যাম আৰু আপুনি অকলে মোৰ গাড়ীত যাব পাৰিব। তেতিয়া অবিভক্ত নগাঁও জিলাৰ এছ পি আছিল মৃত দৌল সিং নেগী। তেখেতক কিয় আউটপোষ্ট লাগে কথাখিনি বুজাই কোৱাত কেইদিনমান পিছতেই বৰঠাকুৰ নামৰ এছ আই এজনক আই চি কৰি এটা আউটপোষ্ট দিয়ে। মনত পৰামতে ১৯৯৬-৯৭ চনমানত আমাৰ মায়ং উন্নয়ন সমিতিৰ তৎপৰতাত আৰু স্বৰ্গীয় দিপন চন্দ্ৰ নাথ চাৰ আৰু মোক পূৰ্ণ পৰ্যায়ৰ থানাৰ আবেদন নিবেদন কৰিবলৈ দায়িত্ব দিয়ে। সেইমৰ্মে আমি দুয়ো থানা এখন কিয় লাগে এনেকুৱা যুক্তিবিলাক জুকিয়াই সেই সময়ৰ ডি জি পি প্ৰদীপ দাসৰ ওচৰত আপত্তি কৰিবলৈ যাও। ডি জি পিক লগ ধৰিবলৈ ছাৰ বাহিৰতে বৈ মোক ভিতৰলৈ যাবলৈ দিয়ে। কাৰণ তেখেতে এজন লোককহে সোমাবলৈ অনুমতি দিছিল। তাকো তেখেতক হিন্দী বা ইংৰাজীত বুজাই ক'ব লাগিব। মই সোমাই গৈ থানা কিয় লাগে, যেনে পবিতৰা অভয়াৰণ্যৰ সুৰক্ষা, বেংক, বিভিন্ন সম্প্ৰদায়ৰ লোকৰ বসতি, তিনিখন জিলাৰ সঙ্গমস্থল, মেট্ৰিক পৰীক্ষা কেন্দ্ৰ আদিৰ কথাখিনি বুজাই কোৱাত থানা হ'ব বুলি সম্মতি দিয়ে। সেইমতে মায়ং থানাখন হ'ল। প্ৰথম অ'চি হিচাপে গুণ শইকীয়া বুলি এজনক পঠায়। তাৰ পিছৰ পৰা হাইস্কুল আৰু হায়াৰ ছেকেণ্ডাৰী স্কুলৰ পৰীক্ষাবিলাক মায়ঙতে পতা হ'ল।

১৯৯২ চনৰ এপ্ৰিল-মে' মাহৰ কোনোবা এটা তাৰিখত (মনত নাই) স্বৰ্গীয় দিপন নাথ, ৰতি শইকীয়া, ৰসধৰ ডেকা গাঁওবুঢ়া, শিকেশ্বৰ ডেকা, শ্ৰীকালিচৰণ পাটৰ আৰু মোক আহ্বায়ক হিচাপে ধৰি মায়ং আঞ্চলিক মহাবিদ্যালয় যে ৰাইজে আৰম্ভ কৰিব সেইটো খাটাং সিদ্ধান্ত কৰে। মনত পৰে স্বৰ্গীয় ৰসধৰ ডেকা গাঁওবুঢ়াই সেই সভাতেই নগদ এহেজাৰ টকা দান আগবঢ়ায়। তেনেকৈ বহুকেইজন সদাশয় লোকে দান আগবঢ়ায়। এই মুহূৰ্তত সেই গুণী লোকসকলৰ নাম মনত পৰা নাই। সেই বছৰত আমি বহুকেইজন লোকে গাঁৱে গাঁৱে ধান বিচাৰি ফুৰিছিলো। মঃ আকবৰ আলী ঠাকুৰীয়াই একেমুখে সভাত ১০ মোন ধান দিম বুলি দিলেও। এইক্ষেত্ৰত স্বৰ্গীয় মূলেশ্বৰ নাথ, স্বৰ্গীয় বেথাৰাম শইকীয়া, স্বৰ্গীয় ধীৰেন নাথ আদি কেইজনমান সহজ সৰল লোকৰ নাম শ্ৰদ্ধাৰে ল'বই লাগিব। এই সভাতেই এখন পৃষ্ঠপোষক (Sponsoring) সমিতি গঠন কৰা হয়। শ্ৰীকালিচৰণ পাটৰ, অধ্যক্ষ, মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ক সভাপতি, স্বৰ্গীয় ৰতিকান্ত শইকীয়া উপসভাপতি, স্বৰ্গীয় দিপন চন্দ্ৰ নাথ সম্পাদক আৰু মোক সহঃসম্পাদকৰ দায়িত্ব দি এখন ডাঙৰ সমিতি গঠন কৰি দিয়ে। পিছৰ জুন মাহৰ কোনোবা এটা তাৰিখত সমিতিখন বহি বৰ্তমানৰ অধ্যক্ষ ডাº ফণীভূষণ নাথক অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। তাৰ পিছৰ পৰা শিক্ষক বিচৰা, ছাত্ৰ-ছাত্ৰী বিচৰা কামত লাগি যোৱা হয়। বহুতো ধনৰ অভাৱত মহাবিদ্যালয়ত পঢ়িব নোৱাৰা ছাত্ৰ-ছাত্ৰীক বিচাৰি অনা হয়। তাৰ পিছত ১৯৯৩ চনৰ ১৩ আগষ্ট তাৰিখে মৰিগাঁও মহাবিদ্যালয়ৰ সেই সময়ৰ অধ্যক্ষ স্বনামধন্য শ্ৰীনৱেন কেওটক মাতি আনি হায়াৰ ছেকেণ্ডাৰীৰ এটা কমতেই পাঠদান আৰম্ভ কৰা হয়। কিছুদিন পিছত পশ্চিমৰ ফালে এখন টিঙৰ চালি সাজি তাতেই পাঠদান কৰা হয়। ইতিমধ্যে আজিৰ মহাবিদ্যালয়খন থকা ঠাইখিনি ২০ বিঘা মাটি আবণ্টন লোৱা হয়। আবণ্টন লওতে সেই ঠাইখিনিত বহুকেইঘৰ মানুহে ঘৰ-দুৱাৰ সাজি বাস কৰি আছিল। আমি সমিতিখনে মানুহখিনিক বুজাই-বঢ়াই অন্য ঠাইলৈ নি সংস্থাপন কৰি দিও। বৰ্তমান মহাবিদ্যালয়ৰ উত্তৰ দিশে থকা মাটিৰ মালিকৰ কিছু মাটি আমাৰ ২০ বিঘাৰ ভিতৰত সোমাইছিল। আবণ্টনমতে আমি যদিও দখল কৰিলো দুই এজন সমাজবিৰোধী অসন্তুষ্ট হৈ আলফাক আমাৰ বিপক্ষে লগাই দিয়ে। এদিন স্বৰ্গীয় নবিন নাথৰ দোকানতে স্বৰ্গীয় দিপন চন্দ্ৰ নাথ আৰু মই মহাবিদ্যালয়ত কিবা কথা পাতি আছিলো। আলফাৰ ল'ৰা এজন সোমাই গৈ আমাক নানাধৰণৰ ভাবুকি দিবলৈ ধৰিলে। সেই সময়ত শ্ৰীভূবন চন্দ্ৰ নাথ তাত উপস্থিত আছিল। তেওঁহে অলপ তৰ্ক কৰি আছিল। আমি দুজন মনে মনে আছিলো। আলফাৰ ল'ৰাকেইটাই আৰু বেছি আগবাঢ়িলে আমাৰ ঠেং গুলিয়াই ভাঙিম বুলি ভাবুকি দিয়ে। ঈশ্বৰৰ কি ইচ্ছা নাজানো সেই আলফাৰ ল'ৰাজনক সেইদিনাই আবেলি ইহঁৰাত চি আৰ পি এফে ধৰি তেওঁৰহে ঠেং ভাঙি দিয়ে। আমি পিছত শুনিছিলো। ইয়াৰ মাজতে পুঁজি টনকিয়াল কৰিবৰ বাবে বিল-খাল বিচাৰিবলৈ ধৰিলো। পকৰীয়া বিলৰ উত্তৰফালে বাঘডুবি নামৰ এটা বিল আছিল। আমি সমিতিয়ে সেইখন মহাবিদ্যালয়ৰ নামত জিলা উপায়ুক্তৰ পৰা এবছৰীয়া অনুমতি লৈ বিক্ৰী কৰি কিছু ধন পাইছিলো। যিহেতু মায়ং উন্নয়ন সমিতিখন মহাবিদ্যালয়খনৰ মুখ্য পৃষ্ঠপোষক সেইবাবে প্ৰতি বছৰ এটা শকত পৰিমাণৰ ধন ৰাইজে খৰছ কৰি আহিছে। এনেকৈ চলি থকাৰ পিছত ১৯৯৭ চনত আগৰ শিক্ষামন্ত্ৰী স্বৰ্গীয় মুকুট শৰ্মা এইবাৰ ৰাজহ মন্ত্ৰী হৈ ৰাজহ আদালত মুকলি কৰিবলৈ মায়ঙলৈ আহিল। তেখেতক আমাৰ হাইস্কুলখন হায়াৰ ছেকেণ্ডাৰী কৰি দিয়াৰ বাবে কৃতজ্ঞতা জনোৱাৰ লগতে আমাৰ মায়ং আঞ্চলিক মহাবিদ্যালয়খনৰ মাটিৰ আবেদন মৌখিকভাৱেই কৰিলো। তেখেতে ভাল পাই আমাৰ মহাবিদ্যালয়ৰ নামত শিলডুবি কিচামত চিলিং উদ্বৃত মাটি ১৩ বিঘা লগে লগে আবণ্টন দিয়ায়। এই সুযোগতে পুনৰ তেখেতক কৃতজ্ঞতা জনালো। তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰিলো।

পুনৰ মনত পৰিছে আমাৰ মহাবিদ্যালয়খনৰ অনুমতিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত স্বৰ্গীয় দিপন ছাৰ আৰু অধ্যক্ষ ফণীভূষণ নাথে চেষ্টা কৰি আছে। এদিন ৰাজেন শইকীয়াকো লৈ গ'ল তথাপি বিশ্ববিদ্যালয়ৰ অধীক্ষকজনৰ পৰা ফাইলটো লৰচৰ

কৰিব পৰা নাই। মই কথাটো বুজি পালো। তেওঁলোকক মই ক'লো এইবাৰ ময়ো যাম, দেখা যাওক কি হয়। আমি সোনকালে গৈ পাইছো, অধীক্ষকজনো আহি পাইছে। সকলোৰে লাগি মেলি কলেজখন পৰিদৰ্শনৰ বাবে সৈমান কৰালো। সেইমতে পৰিদৰ্শকসহ তেওঁ আহি পবিতৰাৰ ডাকবঙলাত ৰাতি থাকি পৰিদৰ্শনৰ কাম কৰে। এনেকৈ বিশ্ববিদ্যালয় পৰ্যায়ত আমাৰ কাম আগবাঢ়ি গ'ল। প্ৰথম পৰ্যায়ত আমাৰ মহাবিদ্যালয় পৃষ্ঠপোষক সমিতিয়ে যিকেইজনক তৃতীয়, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিযুক্তি দিয়া হৈছিল, সেইকেইজনক গাঁও বা অঞ্চলৰ প্ৰতিনিধিত্ব কৰা আৰু বিনা বেতনে কাম কৰিম বুলি প্ৰতিশ্ৰুতি দিয়া ল'ৰাকহে নিযুক্তি দিয়া হৈছিল। মনত পৰে শিলডুবি গাঁৱৰ ল'ৰা এজনে কেৰাণী পদৰ বাবে এদিন মোৰ ঘৰলৈ আহি কিছু টকা মোৰ পকেটত সোমাই দিছিল। মই মোৰ নিজৰ কথা মনত পৰাত সেইখিনি ঘূৰাই লবলৈ দিলো আৰু সুবিধা থাকিলে তেওঁক সংস্থাপনৰ ব্যৱস্থাৰ বাবে চেষ্টা কৰিম বুলি পঠাই দিলো। দুৰ্ভাগ্য, সেই ল'ৰাজনক সংস্থাপন আজিলৈকে দিব নোৱাৰিলো। এই দুখটো মোৰ থাকি গ'ল।

অন্য এটা কথা নক'লে মোৰ লিখনিটো আধৰুৱা যেন লাগিছে। মায়ঙৰ ৰাইজে আজিৰ নাৰেঙ্গী-চন্দ্ৰপুৰ-ভকতগাঁও ৰাজ্যিক পথ নং ৩ টা কেনেকৈ হ'বলৈ পালে বহুতে হয়তো পাহৰিছে। প্ৰতি বছৰে বানপানীৰ পিছত বানপানীয়ে চিঙা ৰাস্তাখণ্ড মেৰামতি কৰি দিয়াৰ পিছত বাছ চলাচল কৰে। দুৰ্ভাগ্য ২০০৫ চনত লক্ষ্মী পূজাৰ আগে আগে ৰাস্তাটো কাটি কুটি গাড়ী আহিব পৰা কৰা হ'ল। সেইমতে বাছো আহিল। লক্ষীপূজাৰ পিচদিনাই কাতিবিহু পৰা বাবে লক্ষীপূজালৈ অহা বহুতো আলহী ঘৰলৈ বাছত উঠি ঘূৰি গৈছে। এতিয়াৰ মায়ং বজাৰৰ পৰা পকা দলংখন হোৱাৰ ৫০০ মিটাৰমান দূৰত ৰাস্তা চিগাখণ্ডটো ৰাতিটো বৰষুণ দিয়া বাবে শিলগুটি নথকা খণ্ডত বাছখন ওপৰলৈ উঠিব নোৱাৰি পিছুৱাই আহি দ গাঁতত পৰি যোৱাৰ ফলত আলহী খাবলৈ অহা ১০ জন লোকৰ অকাল মৃত্যু হ'ল। ঈশ্বৰৰ কি পৰিহাস মৃত গোটেইকেইজন বাহিৰৰ লোক, মায়ঙৰ এজনো নাই। আমি সমূহীয়াভাৱে শ্ৰাদ্ধ আদি কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন তেতিয়াও কৰিছিলো আজিও কৰিছো। যি হওঁক ৰাইজে চন্দ্ৰপুৰ-মায়ং-ঝাৰগাঁওপকী পথ নিৰ্মাণ সমিতি এখন গঠন কৰি দিলে তেতিয়াই। মোক সম্পাদক আৰু শ্ৰদ্ধেয় দিপন ছাৰক সভাপতি হিচাপে দি এদিন পি ডব্লিউ ডিৰ কমিছনাৰ মোহন বড়োক লগ ধৰিলো যে চৰকাৰে বেংকবিলাকৰ পৰা লোণ লৈ ৰাস্তাবিলাক বনাই আছে, আমালৈ কিয় ভাগ নাহে। আপুনি ৰিটায়াৰ্ড হোৱাৰ দিনাই আপোনাৰ ঘৰলৈ যাম অভিনন্দন জনাবলৈ। তেতিয়া তেখেতে ক'লে, আপোনালোকে খং-ৰাগ বাদ দিয়ক। ইয়াৰ পিছৰ তালিকাত যি বেংকৰ ঋণেই হওঁক আপোনালোকে পাব। অৱশ্যে সেইমতে ২০০৬ চনৰ ৱৰ্ল্ড বেংকৰ আঁচনিত আমাৰ ৰাস্তাখিনি ধৰা হ'ল আৰু কামো হ'ল। ইতিপূৰ্বে স্বৰ্গীয় দিপন নাথৰ সভাপতিত্বত চন্দ্ৰপুৰত চন্দ্ৰপুৰ-কাজলিচকী সেতু নিৰ্মাণ সংগ্ৰাম সমিতি এখন বনাই সেই সময়ৰ গড়কাপ্তানি মন্ত্ৰী অতুল বৰাৰ চেষ্টাত দলংখন হৈছিল।

ওপৰৰ কথাবিলাকৰ পৰা আপোনালোকে নিশ্চয় বুজি পাইছে যে আমাৰ মায়ং অঞ্চলত যিমানবিলাক অনুষ্ঠান-প্ৰতিষ্ঠান বা কাম হৈছে সকলোবিলাক অশেষ সংগ্ৰামৰ ফলত হৈছে। ৰজামায়ং পকৰীয়া জলসিঞ্চন আঁচনি, থানা, বেংক, মহাবিদ্যালয়, ৰাস্তা আদি সকলোবিলাকৰ বাবে মায়ঙৰ ৰাইজে সংগ্ৰাম কৰিব লগা হৈছে। PWD Sub-division অফিচ এটা গোলোক ৰাজবংশী গড়কাপ্তানি মন্ত্ৰী থাকোতে Sanction কৰাই বহু বছৰ মায়ঙত চলাৰ পিছত ৰাস্তাৰ অজুহাত দেখুৱাই বৰ্তমান ভকতগাঁৱত চলি আছে। ৰাজহ চক্ৰটো আমি মায়ং ৰাইজে Sanction কৰাৰ পিছত ভকতগাঁৱত চলি আছে। অৱশ্যে ব্লক অফিচটো বহু আগৰ পৰাই চলি আছে। এটা কথা সঁচা, এই দাবী বা সংগ্ৰামবিলাক যদিও মায়ঙৰ ৰাইজে কৰিছে, ইয়াৰ গুৰিতে শ্ৰদ্ধেয় দিপন নাথ আৰু মোৰ চেষ্টা সদায়ে আছে। মহাবিদ্যালয়লৈ যোৱা ৰাস্তাটো প্ৰথমে ৭০০ মিটাৰ ২০১৫ চনত বাকী ৮০০ মিটাৰ ২০১৭ চনত কৰা হ'ল। বৰ্তমান সদায় এটা দুখ মনলৈ আহে আমাৰ ল'ৰা-ছোৱালীবিলাক বৃত্তিমুখী শিক্ষাৰ দ্বাৰা শিক্ষিত কৰিব নোৱাৰিলো। প্ৰথম পৰ্যায়ত হায়াৰ ছেকেণ্ডাৰী পৰ্যায়ত বিজ্ঞান আৰু বাণিজ্য শাখা আজিলৈ আৰম্ভ কৰিব পৰা নাই। মহাবিদ্যালয়তো এইবিলাক কৰিব পৰা নাই। আশা ৰাখিছো আমাৰ এই আশাবিলাক ভগৱানে অনতিপলমে পূৰণ কৰিব। শেষত অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰি সামৰণি মাৰিলোঁ। ◆◆

# মায়ঙৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা অতীত আৰু বৰ্তমান

কবিতা মেধি
**মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ**

শিক্ষা এটি ব্যাপক ধাৰণা। শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে, প্ৰগতিৰ পথ দেখুৱায়। শিক্ষাই মানৱ সমাজৰ অতীত সভ্যতা আৰু সংস্কৃতি নতুন চামৰ ওচৰলৈ লৈ আনে যাৰ যোগেদি সভ্যতাৰ প্ৰগতি আৰু সংস্কৃতিৰ উপযুক্ত বিকাশ সম্ভৱপৰ হৈ উঠে। এজন ব্যক্তিৰ গুণাগুনসমূহ তেওঁ লাভ কৰা শিক্ষাৰ দ্বাৰাহে বিকাশ হয় আৰু শিক্ষাৰ দ্বাৰা বিকশিত ব্যক্তিয়েহে জাতিৰ বিকাশ সম্ভৱ কৰি তুলিব পাৰে। জাতীয় বিকাশ আৰু উন্নতি ঘাইকৈ শিক্ষাৰ ওপৰত নিৰ্ভৰশীল। শিক্ষাই মানুহৰ অন্তৰ্নিহিত গুণসমূহৰ পূৰ্ণবিকাশ তথা বাহ্যিক প্ৰকাশত সহায় কৰে আৰু মনৰ মাজৰ পৰা সংকীৰ্ণতাৰ ভাৰ আঁতৰাই বহল মনৰ অধিকাৰী কৰি তোলে আৰু গণতান্ত্ৰিক মূল্যবোধেৰে সমাজৰ এজন দায়িত্বশীল ব্যক্তিৰূপে গঢ়ি তোলাত সহায় কৰে।

মৰিগাঁও জিলাৰ পশ্চিম সীমান্তত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ, কিংবদন্তি, লোককথা, সংস্কৃতিৰে সমৃদ্ধ এটা অঞ্চল মায়ং। আদিতে ই এখন ৰাজ্য আছিল। আজি এটা মৌজা। উত্তৰে মহাবাহু ব্ৰহ্মপুত্ৰ, দক্ষিণে কলং-কপিলী, পূবে গোভা আৰু কুমৈ আৰু পশ্চিমে ব্ৰহ্মপুত্ৰৰ মাজতেই বৃহত্তৰ মায়ং অঞ্চল অৱস্থিত। এই অঞ্চলটো গুৱাহাটীৰ পৰা প্ৰায় ৪০ কিলোমিটাৰ দূৰত। বিশ্বৰ ভিতৰতে এশিঙীয়া গঁড়ৰ ঘন বসতিপূৰ্ণ পবিতৰাকে আদি কৰি বিভিন্ন অৰণ্যভূমি, জলাশয়, দেশী-বিদেশী পৰিভ্ৰমী পক্ষীৰ বিচৰণভূমি, গছ-বিৰিখ আদিৰ নৈসৰ্গিক আৰু নান্দনিক সৌন্দৰ্য, দেশী-বিদেশী পৰ্যটকৰ ভয়-সংশয় আৰু আকৰ্ষণৰ কেন্দ্ৰভূমি 'যাদুৰ দেশ' এই মায়ং অঞ্চল।

**শৈক্ষিক দিশত মায়ঙৰ অতীত আৰু বৰ্তমান ঃ** শিক্ষাৰ প্ৰধান উদ্দেশ্য হৈছে শিশুৰ মাজত অন্তৰ্নিহিত গুণৰাজিৰ পূৰ্ণবিকাশ সাধন কৰি পৰিবৰ্তিত সমাজত নিজকে খাপ খুৱাই লোৱা, ব্যক্তিত্বৰ পূৰ্ণ বিকাশ ঘটোৱা। শিক্ষা অবিহনে গাঁও বা অঞ্চলৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক আদি বিভিন্ন দিশত অনগ্ৰসৰ অৱস্থাত থাকি যায়। অতীজৰে পৰা অসমৰ অন্য অঞ্চলৰ তুলনাত মায়ঙৰ শিক্ষা-দীক্ষা, যাতায়ত, পৰিবহণ তথা আৰ্থিক দিশত অনুন্নত আছিল যদিও শিক্ষাৰ ক্ষেত্ৰত একেবাৰে পিছপৰা বুলি ক'ব নোৱাৰি। অতি প্ৰাচীন কালৰে পৰা মায়ঙে তন্ত্ৰ-মন্ত্ৰ সাধনৰ ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰি আহিছে। গণেশ দেৱতা অন্যাৰ্থত জ্ঞানৰ প্ৰতীক। অষ্টম-নৱম শতিকাত গঢ়ি উঠা মায়ঙৰ বিভিন্ন অঞ্চলৰ গণেশ মূৰ্তিবিলাকে প্ৰমাণ কৰে যে সেই সময়ত তন্ত্ৰ-মন্ত্ৰ সাধনাৰ বাবে হওক নাইবা জ্ঞান লাভৰ বাবেই হওক গণেশ দেৱতাৰ পূজা চলিছিল। কামাখ্যাৰ গাতে লাগি থকা এই অঞ্চলটো তান্ত্ৰিক জ্ঞান সাধনাৰ বাবে গণেশ দেৱতাৰ মূৰ্তি সাজি জ্ঞানৰ পোহাৰ মেলিছিল। ১৬ শতিকাত অসমত সত্ৰীয়া শিক্ষাই অসমীয়া জাতিৰ হাড়ে-হিমজুৰে সোমাই পৰিছিল। মায়ং মধ্যযুগৰ সত্ৰীয়া শিক্ষাৰ এক উৎকৃষ্ট উদাহৰণ। মায়ঙৰ পূৰ্বৰ তিনিখন সত্ৰ কালশিলা সত্ৰ, শিলডুবি সত্ৰ আৰু মিছামাৰী সত্ৰৰ গুৰু-শিষ্যৰ পৰম্পৰা আজিও বিদ্যমান। ১৯৫০ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা হোৱা শিলডুবি সত্ৰই মায়ঙৰ ৰজা আৰু আহোম ৰজাৰ ৰাজসাহায্য লাভ কৰিছিল। ঠিক তেনেকৈ মিছামাৰী সত্ৰও শিষ্যসকলৰ মাজত জনপ্ৰিয় হৈ উঠিছিল। মায়ঙৰ আদি ৰজাই প্ৰথমে পাটবাউসী সত্ৰত শৰণ লৈছিল। এই সত্ৰসমূহৰ ঐশ্বৰিক শৰণীয়া শিক্ষা আজিও চলি আছে। কিয়নো এই শিক্ষা কেৱল ধন উপাৰ্জনৰ শিক্ষা নহয়, এই শিক্ষা এজন লোকক প্ৰকৃত মানুহ কৰা শিক্ষা। এজন লোকক সৎ চৰিত্ৰৱান হ'বলৈ সত্ৰীয়া শিক্ষাই গুৰুত্ব আৰোপ কৰিছিল। সত্ৰীয়া শিক্ষানুষ্ঠান সাহিত্য-সংস্কৃতিৰ বাহক হৈ পৰিছিল। মায়ঙৰ সত্ৰীয়া শিক্ষাৰ প্ৰভাৱত পৰি ৰজা-প্ৰজাই তান্ত্ৰিক ধৰ্ম পৰিহাৰ কৰি বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল। পূৰ্বৰ পৰা চলি অহা বলি প্ৰথাৰ উচ্ছেদ হৈ মায়ঙৰ সমাজ ব্যৱস্থালৈ এক যুগান্তকাৰী পৰিবৰ্তনৰ সূচনা হ'ল।

**আধুনিক শিক্ষা স্তৰ ঃ** ভাৰতীয় আধুনিক শিক্ষা দুটা স্তৰত বিভক্ত— স্কুলীয়া শিক্ষা আৰু উচ্চ শিক্ষা। স্কুলীয়া শিক্ষা

পুনৰ দুটা ভাগত বিভক্ত— প্ৰাথমিক পৰ্যায়ৰ শিক্ষা আৰু মাধ্যমিক শিক্ষান্তৰ। মায়ঙৰ প্ৰাথমিক শিক্ষাৰ বিকাশ কটন কলেজৰ সমসাময়িক। সমগ্ৰ অসমৰ লগতে ১৯০৪ চনতেই মায়ঙৰ সচেতন গণ্যমান্য ব্যক্তিসকল আৰু খ্ৰীষ্টান মিছনেৰী পাদুৰীসকলৰ প্ৰচেষ্টাত উহৰ পুখুৰীৰ পাৰত 'মায়ঙ কেন্দ্ৰীয় প্ৰাথমিক বিদ্যালয়ে' আধুনিক আনুষ্ঠানিক শিক্ষাৰ বাট মুকলি কৰিছিল। বিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পাছত ৰজামায়ং গাঁৱৰ নিবাসী স্বৰ্গীয় হৰিচন্দ্ৰ গগৈ স্থানীয় এলেকাৰ প্ৰথমজন প্ৰধান শিক্ষকৰূপে নিযুক্তি লাভ কৰিছিল। স্থানীয় ৰাইজ আৰু খ্ৰীষ্টান পাদুৰীসকলৰ উদ্যোগত স্থাপন হোৱা আন কেইখনমান প্ৰাথমিক বিদ্যালয় হ'ল বুঢ়ামায়ং ট্ৰাইবেল প্ৰাথমিক বিদ্যালয় (১৯৩৭), লোণমাটি প্ৰাথমিক বিদ্যালয় (১৯৪১), শিলডুবি প্ৰাথমিক বিদ্যালয় (১৯৪৩), ঔগুৰি হিলৈখুন্দা প্ৰাথমিক বিদ্যালয়, গৰুবন্ধা প্ৰাথমিক বিদ্যালয়, ধানখুন্দা প্ৰাথমিক বিদ্যালয় আৰু কমাৰপুৰ প্ৰাথমিক বিদ্যালয়।

ভাৰত স্বাধীন হোৱাৰ পাছৰ পৰা শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত মায়ঙৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সচেতনতা আৰু প্ৰচেষ্টাৰ ফলত প্ৰতিখন গাঁৱতে অতি কমেও একোখনকৈ প্ৰাথমিক বিদ্যালয় স্থাপন কৰি চৰকাৰীকৰণ কৰে। মায়ং অঞ্চলত বৰ্তমান চৰকাৰী প্ৰাথমিক বিদ্যালয় ২৪ খন আৰু বেচৰকাৰী প্ৰাথমিক বিদ্যালয় ২ খন। সেই সময়ৰ বিদ্যালয় স্থাপনৰ উদগনি যোগোৱা বৰেণ্য ব্যক্তিসকল স্বৰ্গীয় বসধৰ ডেকা, গাঁওবুঢ়া (কমাৰপুৰ), স্বৰ্গীয় ধীৰসিং বিষয়া (হাতীমুৰীয়া), স্বৰ্গীয় প্ৰেমা নাথ, স্বৰ্গীয় মেদা নাথ, স্বৰ্গীয় ফটিক নাথ, স্বৰ্গীয় শান্তি কোঁৱৰ, স্বৰ্গীয় নবীন ডেকা, স্বৰ্গীয় মীনসিংহ ৰজা, স্বৰ্গীয় ৰঘুবৰ মহাজন (ৰজামায়ং), স্বৰ্গীয় মহেন্দ্ৰ বিষয়া (হাতীমুৰীয়া), স্বৰ্গীয় টপুৰাম ডেকা (কালশিলা পাৰ), স্বৰ্গীয় হৰি বৰা, স্বৰ্গীয় ৰত্নকান্ত হাজৰিকা, স্বৰ্গীয় দেৱেশ্বৰ হাজৰিকা, স্বৰ্গীয় হংস শইকীয়া, স্বৰ্গীয় চণ্ডীচৰণ শইকীয়া, স্বৰ্গীয় ৰতিকান্ত শইকীয়া (লোণমাটি), স্বৰ্গীয় চণ্ডী চৰকাৰ (হাতীভাঙ্গী), স্বৰ্গীয় দিপন চন্দ্ৰ নাথ (ৰজামায়ং) আদি অঞ্চলৰ গণ্যমান্য ব্যক্তিসকলৰ শ্ৰমদান আৰু সহায়-সহযোগত গঢ়ি উঠা বিদ্যালয়সমূহৰ নাম, প্ৰতিষ্ঠাৰ চন, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সংখ্যা তালিকা নং ১ আৰু ২ ত দেখুওৱা হ'ল।

তালিকা নং ১

**মায়ঙৰ প্ৰাথমিক বিদ্যালয়ৰ তালিকা**

| ক্ৰঃ নংঃ | প্ৰতিষ্ঠাৰ চন | বিদ্যালয়ৰ নাম | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | | শিক্ষকৰ সংখ্যা | |
|---|---|---|---|---|---|---|
| | | | ২০১৫ | ২০১৭ | নিয়মীয়া | ঠিকাভিত্তিক |
| ১ | ১৯৮২ | ১নং মুৰকাটা প্ৰাঃ বিঃ | ১১৮ | ৮৭ | ৪ | ১ |
| ২ | ১৯৬৪ | হাতীমুৰীয়া বালিকা প্ৰাঃ বিঃ | ১২০ | ১২৮ | ১ | - |
| ৩ | ১৯০৪ | ১৪৪ নং প্ৰাঃ বিঃ | ১৩৭ | ৮৭ | ৩ | ২ |
| ৪ | ১৯৪১ | লোণমাটি প্ৰাঃ বিঃ | ১১০ | ৭৬ | ২ | ১ |
| ৫ | ১৯৪৩ | শিলডুবি প্ৰাঃ বিঃ | ৮৬ | ৭৭ | ১ | ২ |
| ৬ | ১৯৫৩ | ঔগুৰি হিলৈখুন্দা প্ৰাঃ বিঃ | ৫২ | ৪৪ | ২ | ১ |
| ৭ | ১৯৩৭ | বুঢ়ামায়ং ট্ৰাইবেল প্ৰাঃ বিঃ | ৮৬ | ৬৮ | ২ | ১ |
| ৮ | ১৯৫৩ | ৰজামায়ং বালিকা প্ৰাঃ বিঃ | ১১০ | ৮৬ | ৪ | - |
| ৯ | ১৯৫৪ | ঢেকীয়াবাৰী প্ৰাঃ বিঃ | ৫৫ | ৪৪ | ১ | ১ |
| ১০ | ১৯৫৭ | গমাৰিগুৰী চনকা প্ৰাঃ বিঃ | ৫৪ | ৪১ | ১ | ১ |
| ১১ | ১৯৬০ | বৰদিয়া কছাৰী গাঁও প্ৰাঃ বিঃ | ৭৯ | ৫৬ | ২ | ২ |
| ১২ | ১৯৭০ | হাতীগড় কুছিয়ানী প্ৰাঃ বিঃ | ৮৯ | ৮৯ | ২ | ১ |
| ১৩ | ১৯৭৪ | মনোমতী প্ৰাঃ বিঃ | ১০৫ | ৫৬ | ২ | ২ |
| ১৪ | ১৯৭৭ | হচনকা শ্ৰীগণেশপুৰ প্ৰাঃ বিঃ | ৭৩ | ৭১ | - | ১ |
| ১৫ | ১৯৮১ | পাভকাটি কছাৰী গাঁও প্ৰাঃ বিঃ | ৭৯ | ৫৮ | ২ | ১ |
| ১৬ | ১৯৮১ | স্বৰ্গীয় হৰিচন্দ্ৰ গগৈ প্ৰাঃ বিঃ | ৩৭ | ৩৩ | ২ | - |
| ১৭ | ১৯৮১ | বৰপাম প্ৰাঃ বিঃ | ৫৩ | ৪৩ | ২ | - |
| ১৮ | ১৯৮১ | কাছশিলা (V) প্ৰাঃ বিঃ | - | - | ২ | - |

| | | | | | | |
|---|---|---|---|---|---|---|
| ১৯ | ১৯৯৪ | ২ নং মুৰকাটা প্ৰাঃ বিঃ | ৮৫ | ৬২ | ৩ | - |
| ২০ | ১৯৯১ | পৰমাৰ্থ (v) প্ৰাঃ বিঃ | - | - | ২ | - |
| ২১ | ১৯৯৪ | হাদুগপাৰ প্ৰাঃ বিঃ | ৪৪ | ৫১ | ২ | - |
| ২২ | ২০০৬ | ডুবৰতলি পাৰ প্ৰাঃ বিঃ | - | ৩৮ | - | ২ |
| ২৩ | ২০০৬ | বাঢ়েটাৰী হিলৈখুন্দা প্ৰাঃ বিঃ | ৪৩ | ২১ | - | - |
| ২৪ | ২০০৬ | খাজুৰবস্তী প্ৰাঃ বিঃ | ৭১ | ৬০ | - | ২ |
| ২৫ | ১৯৮১ | কালশিলা পাৰ প্ৰাঃ বিঃ | ৫৭ | ১০ | - | ১ |
| ২৬ | - | টেঁপুৰী সোণাই পাৰ প্ৰাঃ বিঃ | ৭২ | ২১ | ১ | ১ |

উক্ত তলিকা অনুসৰি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২০১৫ চনত ১,৭৩৩ জনৰ বিপৰীতে ২০১৭ চনত ১,৪০৭ জন। মায়ং পঞ্চায়ত এলেকাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু বেছি হ'ব লাগিছিল। চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম হোৱাৰ মূল কাৰণ হ'ল ব্যক্তিগত খণ্ডত গঢ়ি উঠা বিদ্যালয়সমূহ। শিক্ষাৰ ক্ষেত্ৰত অৱশ্যে জনসচেতনতা প্ৰশংসনীয়। মায়ং এলেকাত তিনিখন ব্যক্তিগত খণ্ডৰ প্ৰাথমিক বিদ্যালয় আছে— শংকৰদেৱ শিশু নিকেতন, অসম জাতীয় বিদ্যালয় আৰু মিনাৰ্ভা একাডেমী।

মধ্য ইংৰাজী বিদ্যালয়ৰ ক্ষেত্ৰত উদ্‌গনি দিয়া ব্যক্তিজন আছিল খ্ৰীষ্টান মিছনেৰী পাদুৰী চাহাব স্বৰ্গীয় ৱেন বিশ্বাস। তেখেতৰ অনুপ্ৰেৰণাত স্বৰ্গীয় হৰিকান্ত শইকীয়া, স্বৰ্গীয় ৰামচৰণ সৰকাৰ, স্বৰ্গীয় মহেশ্বৰ ইংতি, শ্ৰীপূৰ্ণেশ্বৰ শইকীয়া আদি লোকে গোৱৰ্দ্ধন ঘোঁৰামৰা জানপাৰ গাঁও 'গোৱৰ্দ্ধন মধ্য ইংৰাজী বিদ্যালয়' স্থাপন কৰি মধ্য ইংৰাজী বিদ্যালয়ৰ পাতনি মেলে। বৰ্তমান মায়ঙত ১০-১২ খন চৰকাৰী আৰু বেচৰকাৰী মধ্য ইংৰাজী বিদ্যালয় আছে। ১৯৩৮ চনত মায়ং মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। তালিকা নং ২ত মধ্য ইংৰাজী বিদ্যালয়কেইখনমানৰ প্ৰতিষ্ঠাৰ চন, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সংখ্যা দেখুওৱা হ'ল—

তালিকা নং-২

| ক্ৰঃ নং | বিদ্যালয়ৰ নাম | চন | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | শিক্ষকৰ সংখ্যা |
|---|---|---|---|---|
| ১ | মায়ং মধ্য ইংৰাজী বিদ্যালয় | ১৯৩৮ | - | - |
| ২ | মধ্য মায়ং মধ্য ইংৰাজী বিদ্যালয় | ১৯৮৯ | ১২৪ | ৫ |
| ৩ | বুঢ়ামায়ং জনজাতীয় মধ্য ইংৰাজী বিদ্যালয় | ১৯৯৪ | ১৪০ | ৫ |
| ৪ | মায়ং বালিকা মধ্য ইংৰাজী বিদ্যালয় | ১৯৮৯ | ৬৬ | ৫ |
| ৫ | পূব মায়ং মধ্য ইংৰাজী বিদ্যালয় | ১৯৮৬ | ৯২ | ৪ |
| ৬ | বৰদিয়া মধ্য ইংৰাজী বিদ্যালয় | ১৯৬৮ | ১৯৫ | ৫ |
| ৭ | চনকা গমাৰিগুৰি (v) মধ্য ইংৰাজী বিদ্যালয় | ১৯৯৩ | ৫৫ | ৬ |
| ৮ | ৰজামায়ং (v) মধ্য ইংৰাজী বিদ্যালয় | ১৯৯২ | ১২০ | ৬ |
| ৯ | ১ নং মুৰকাটা (v) মধ্য ইংৰাজী বিদ্যালয় | ১৯৯৭ | ১২৪ | ৭ |
| ১০ | হাতীভাঙ্গী মধ্য ইংৰাজী বিদ্যালয় | - | - | - |

ওপৰৰ তালিকাখন পৰ্যবেক্ষণ কৰিলে দেখা যাব যে মাধ্যমিক বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিৰাশাজনক নহয়। অতি সৌভাগ্যৰ কথা মায়ং অঞ্চলৰ এটি অংশ কলং পাৰতো স্বৰ্গীয় ৰসধৰ ডেকা, স্বৰ্গীয় উপেন ডেকা আদি গণ্যমান্য লোকৰ তৎপৰতাত কমাৰপুৰ স্বৰ্ণ বিদ্যাপীঠ মধ্য ইংৰাজী বিদ্যালয় স্থাপন কৰি চৰকাৰীকৰণ কৰে।

১৯৬০ চনটো মায়ঙৰ শিক্ষাৰ ক্ষেত্ৰত এটা পৱিত্ৰ বছৰ। কিয়নো তাৰ আগলৈকে মায়ং অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষাৰ দেওনা পাৰ কৰাৰ পাছত উচ্চ মাধ্যমিক শিক্ষাৰ বাবে আন অঞ্চললৈ যাব লগা হৈছিল। অৰ্থনৈতিকভাৱে দুৰ্বল আৰু যাতায়াতৰ ক্ষেত্ৰত পিছপৰা হোৱাৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰীৰ শিক্ষাজীৱন তাতেই

সামৰিবলগীয়া হৈছিল। সৌভাগ্যৰ কথা ১৯৬০ চনত মায়ং উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰা হয়। মায়ঙৰ হাইস্কুল স্থাপনৰ লগে লগে সমগ্ৰ মায়ং অঞ্চলৰ চিন্তাচৰ্চা কৰিব পৰা এটা ঐক্যমঞ্চ নিৰ্মাণ হ'ল। মায়ঙত হাইস্কুলৰ লগতে বৰ্তমান মায়ং পঞ্চায়তৰ হাইস্কুলকেইখন হ'ল— মধ্য মায়ং হাইস্কুল (১৯৮৯), বুঢ়ামায়ং হাইস্কুল (১৯৯৪), হাতীভাঙ্গী হাইস্কুল। ১৯৮৫ চনটো মায়ং অঞ্চলৰ উচ্চ শিক্ষাৰ পথাৰখনৰ এটা সোণালী বছৰ। সেই বছৰতেই মায়ং হাইস্কুলে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হৈ গৌৰৱময় সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। বৰ্তমান মায়ং উচ্চ মাধ্যমিক বিদ্যালয়কে ধৰি মায়ং অঞ্চলত ১০-১২ খন হাইস্কুল স্থাপন হোৱাৰ লগতে মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা কেন্দ্ৰ স্থাপন হৈ মায়ংবাসী ৰাইজৰ শিক্ষা-দীক্ষাই উচ্চ শিখৰলৈ গমন কৰাত সহায়ক হৈছে।

বৰ্তমান মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰৱেশিকা পৰীক্ষা কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়কেইখন হ'ল— মধ্য মায়ং হাইস্কুল, বুঢ়ামায়ং হাইস্কুল, কমাৰপুৰ স্বৰ্ণ বিদ্যাপীঠ, দীপ্ৰাং শংকৰদেৱ হাইস্কুল, বৰদিয়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ হাইস্কুল, হাতীভাঙ্গী আঞ্চলিক হাইস্কুল, পুঠিমাৰী (দৰং) হাইস্কুল আৰু মায়ং কনিষ্ঠ মহাবিদ্যালয় একাডেমী (ব্যক্তিগত খণ্ড)। সেই সময়ত যাতায়াতৰ অৱস্থা সিমান সুচল নাছিল গতিকে মায়ং অঞ্চলৰ দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ঠাইতে উচ্চশিক্ষা আহৰণ কৰিবলৈ সক্ষম হ'ল। এয়া সঁচাই মায়ংবাসীৰ বাবে সৌভাগ্যৰ বিষয়। অৱশ্যে এইক্ষেত্ৰত 'মায়ং আঞ্চলিক উন্নয়ন সমিতি'ৰ নাম ল'বই লাগিব। এইখিনিতে মায়ং অঞ্চলৰ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বৰ্তমান ছাত্ৰ-ছাত্ৰীৰএখন তালিকা দিয়া হৈছে—

তালিকা নং-৩

| ক্ৰঃ নং | নাম | শ্ৰেণী | ল'ৰা | ছোৱালী | মুঠ |
|---|---|---|---|---|---|
| ১ | মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয় | নৱম | ৫৪ | ৭৬ | ১৩০ |
| | | দশম | ৩৭ | ৩৪ | ৭১ |
| ২ | মধ্য মায়ং উচ্চ মাধ্যমিক বিদ্যালয় | নৱম | ৩৬ | ২২ | ৫৮ |
| | | দশম | ২২ | ২ | ৪৯ |
| ৩ | বৰদিয়া জি এন বি উচ্চ মাধ্যমিক বিদ্যালয় | নৱম | ৭৮ | ৬৯ | ১৪৭ |
| | | দশম | ৩৮ | ৩৩ | ৭১ |
| ৪ | বুঢ়ামায়ং (V) উচ্চ মাধ্যমিক বিদ্যালয় | নৱম | ৩৮ | ২৯ | ৬৭ |
| | | দশম | ৩০ | ৩৫ | ৬৫ |
| ৫ | হাতীভাঙ্গী (V) উচ্চ মাধ্যমিক বিদ্যালয় | নৱম | ৩০ | ২৯ | ৫৯ |
| | | দশম | ৫ | ১৫ | ২০ |
| ৬ | মায়ং কনিষ্ঠ মহাবিদ্যালয় একাডেমী | নৱম | ১০ | ১৯ | ২৯ |
| | | দশম | ৭ | ১১ | ১৮ |
| ৭ | মায়ং কনিষ্ঠ মহাবিদ্যালয় | একাদশ | ২০ | ১৫ | ৩৫ |
| | | দ্বাদশ | ১১ | ১৪ | ২৫ |
| ৮ | মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয় | একাদশ | ৭০ | ৯৪ | ১৬৪ |
| | | দ্বাদশ | ৬০ | ৬৪ | ১২৪ |
| | | | ৫৪৬ | ৫৯০ | ১,১৩৬ |

মায়ং পঞ্চায়ত এলেকাৰ চৰকাৰী, বেচৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ মুঠ ৬ খন হাইস্কুল দেখুওৱা হৈছে আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় চৰকাৰী খণ্ডত এখন আৰু ব্যক্তিগত খণ্ডত এখন দেখুওৱা হৈছে। বৰ্তমান হাইস্কুল আৰু উচ্চতৰ বিদ্যালয়ত নৱম, দশম আৰু একাদশ-দ্বাদশ দুটা দুটা শ্ৰেণী লৈ গঠন হৈছে। মুঠ ৮ খন বিদ্যালয়ৰ ১৬ টা শ্ৰেণীসহ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১,১৩৬ জন। ইয়াৰে ল'ৰাৰ সংখ্যা ৫৪৬ জন (৪৮.০৬%) আৰু ছোৱালীৰ সংখ্যা ৫৯০ গৰাকী (৫১.৯৪%)। ল'ৰাতকৈ ছোৱাৰীৰ সংখ্যা বেছি হোৱাটো সঁচাকৈয়ে বৰ্তমান সময়ত শিক্ষাৰ ক্ষেত্ৰত মায়ংবাসীৰ বাবে

যোগাত্মক চিন। যিখিনি সময়ত বিশ্বৰ লগতে ভাৰতৰ বিভিন্ন অঞ্চলত পৰ্দা প্ৰথা, বাল্য বিবাহ, যৌতুক প্ৰথা আদিৰ দ্বাৰা মহিলাসকলক দমন কৰি ৰখা হৈছে তেনে সময়তে মায়ঙত মহিলা শিক্ষাৰ হাৰ সঁচাকৈয়ে প্ৰশংসনীয়। শিক্ষাই হৈছে সমাজৰ পৰিৱৰ্তনৰ এক শক্তিশালী আহিলা। সমাজ পৰিৱৰ্তনৰ আহিলাস্বৰূপে শিক্ষাই দুটা কাম কৰে। ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ বাবে চেষ্টা কৰে আৰু তেওঁক সমাজৰ যোগ্য ব্যক্তি হিচাপে প্ৰস্তুত কৰি তোলে। মহিলাসকলক সমাজৰ যোগ্য ব্যক্তি হিচাপে গঢ়ি তোলাত শিক্ষাৰ ভূমিকা অপৰিসীম। এসময়ৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে কৈছিল— 'এজন পুৰুষক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া আৰু এগৰাকী নাৰীক শিক্ষা দিয়া মানে গোটেই পৰিয়ালটোকে শিক্ষা দিয়া। (If you educate a man you eduate an individual, however, if you educate a woman you educate a whole family.) শিক্ষাই তেওঁলোকৰ স্বাধীন জীৱনৰ মূল্য উপলব্ধিত সহায় কৰে। মায়ঙত মহিলা শিক্ষাৰ অগ্ৰগতিৰ মূল কাৰণ অভিভাৱকসকলৰ সচেতনতা আৰু শিক্ষানুষ্ঠানৰ লগত সকলো কম-বেছি পৰিমাণে জড়িত। ২০১২ চনৰ তথ্য অনুসৰি মায়ঙৰ কেইখনমান গাঁৱৰ পুৰুষ আৰু মহিলা সাক্ষৰতাৰ হাৰ হ'ল— হাতীমুৰীয়াৰ ৮৪.৬৮% বিপৰীতে মহিলা ৭৯.৩৮%, ৰজামায়ং ৮৮.৩৩% ৰ বিপৰীতে ৮৯.৭৬%, বুঢ়ামায়ং ৭৮.৮৫% ৰ বিপৰীতে ৬৫.৪৫%, ১নং মুৰকাটা ৪৩.৩৯% ৰ বিপৰীতে ২৯.৬১% আৰু হাতীগড় কুছিয়ানীৰ পুৰুষৰ সাক্ষৰতা ৬০.৭৮% ৰ বিপৰীতে মহিলা সাক্ষৰতাৰ হাৰ ৫৬.৬৩%। তেতিয়াৰ পৰাই অনুমান কৰিব পাৰি মহিলা শিক্ষাৰ প্ৰতি মায়ঙবাসী ৰাইজ আগ্ৰহী তথা সচেষ্ট।

১৯৯২ চনত অঞ্চলবাসী ৰাইজে মায়ঙৰ ভৱিষ্যত প্ৰজন্মৰ উচ্চ শিক্ষা লাভৰ প্ৰতিষ্ঠান 'মায়ং আঞ্চলিক মহাবিদ্যালয় স্থাপন কৰে। ইং ১৯৮৩ চনতে মায়ং অঞ্চলৰ বৰেণ্য অনুষ্ঠানপ্ৰেমী স্বৰ্গীয় ৰসধৰ ডেকা, হংসৰাম শইকীয়া, ৰতিকান্ত শইকীয়া, মোহন বংশী সৰকাৰ, দিপন চন্দ্ৰ নাথ, প্ৰফুল্ল কুমাৰ ভূঞাদেৱৰ দৰে কেইগৰাকীমান উদ্যোগী লোকে উচ্চ শিক্ষাত পিছপৰা মায়ং অঞ্চলত উচ্চ শিক্ষাৰ বাবে এখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সপোন দেখিছিল আৰু তাৰ প্ৰতিফলন ঘটিছিল ১৯৯২ চনৰ ১৩ আগষ্টৰ দিনা। তেতিয়াৰ পৰাই মায়ং অঞ্চলৰ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে ধনী-দুখীয়া সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে স্থানীয়ভাৱে স্নাতক মহলাৰ উচ্চ শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছে। ৫১ জন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ কৰা মহাবিদ্যালয়খনত বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৭০০ ৰো অধিক।

কোনো এটা অঞ্চলত এখন বিদ্যালয় প্ৰতিষ্ঠাত আগভাগ লয় অঞ্চলটোৰ এচাম সচেতন লোকে আৰু সেই প্ৰচেষ্টাত সহযোগ কৰে সৰ্বসাধাৰণ লোকে। ৰাইজে পুঁজি

তালিকা নং ৪

| ক্ৰঃ নং | শিক্ষানুষ্ঠান | সংখ্যা | ছাত্ৰ-ছাত্ৰী | শিক্ষক |
|---|---|---|---|---|
| ১ | চৰকাৰী প্ৰাথমিক বিদ্যালয় | ২৪ | ১,৪০৭ | ৬২ |
| ২ | বেচৰকাৰী প্ৰাথমিক বিদ্যালয় | ২ | - | ৪ |
| ৩ | চৰকাৰী মাধ্যমিক বিদ্যালয় | ৭ | ৬৯৭ | ৩৪ |
| ৪ | বেচৰকাৰী মাধ্যমিক বিদ্যালয় | ৩ | ২৭৭ | ১৯ |
| ৫ | চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয় | ৩ | ৫২৬ | ৪২ |
| ৬ | বেচৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয় | ২ | ২১১ | ১৮ |
| ৭ | ব্যক্তিগত খণ্ডৰ উচ্চ মাধ্যমিক বিদ্যালয় | ১ | ৪৭ | ৪ |
| ৮ | চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় | ১ | ২৮৮ | ১৭ |
| ৯ | ব্যক্তিগত খণ্ডৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় | ১ | ৬০ | ৭ |
| ১০ | মহাবিদ্যালয় | ১ | ৭৩৩ | ২২ |
| ১১ | শংকৰদেৱ শিশু নিকেতন মায়ং (ব্যক্তিগত খণ্ড) | ১ | ৩০৮ | ১৭ |
| ১২ | অসম জাতীয় বিদ্যালয় মায়ং (ব্যক্তিগত খণ্ড) | ১ | ১৭০ | ১৬ |
| ১৩ | মিনাৰ্ভা একাডেমী | ১ | ১১০ | ৪ |
| ১৪ | অঙ্গনবাড়ী কেন্দ্ৰ | ২৯ | ১০০০ | ২৯ |
| | | | ৫৮৩৪ | ২৯৩ |

গঠন কৰে, বিদ্যালয় প্ৰতিষ্ঠা কৰে, শিক্ষক নিয়োগ কৰে, দৰমহা দিয়ে, যাৱতীয় ধনৰ যোগান ধৰে। ৰাইজৰ মাজৰে কোনোবা বিত্তৱানে নিঃচৰ্তভাৱে মাটি, ঘৰ আদি দান কৰে। এই ঘৰ-পুঁজিদাতাৰ নামেৰে বিদ্যালয় নামকৰণ হয়। এনে বিদ্যালয় প্ৰতিষ্ঠাৰ বহু পাছত বিদ্যালয় পৰিচালনা সমিতিৰ অশেষ পৰিশ্ৰমৰ পাছতহে চৰকাৰে বিদ্যালয় প্ৰতিষ্ঠান একোখনলৈ সমৰ্থন জনায়। মায়ঙতো তাহানিকালৰ পৰা আজিলৈকে সচেতন ব্যক্তিসকলৰ অশেষ কষ্টৰ ফলত অসমৰ বিভিন্ন অঞ্চলতকৈ শিক্ষাৰ ক্ষেত্ৰত আগুৱাবলৈ সমৰ্থ হৈছে। এইক্ষেত্ৰত সমগ্ৰ মায়ংবাসীক মই শ্ৰদ্ধাৰে সুঁৱৰিছো। তলত মায়ঙৰ বিভিন্ন চৰকাৰী, বেচৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকৰ তালিকা এখন দেখুওৱা হ'ল—

উক্ত তালিকা অনুসৰি শিক্ষাৰ্থী সমাজৰ সংখ্যা ৫,৮৩৪ জন। মুঠ জনসংখ্যা ১০,০৮১ জনৰ (২০১১ চনৰ লোকপিয়ল) শতকৰা হিচাপত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৫৭.৮৭%। শতকৰা হিচাপত চাবলৈ গ'লে এই সংখ্যা উৎসাহজনক। মুঠ ছাত্ৰ-ছাত্ৰীৰ ১৯.৭৯% প্ৰাথমিক বিদ্যালয়ৰ, আনহাতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হাৰ ৭.২৭%। এই ছাত্ৰ-ছাত্ৰীসকলেই কাইলৈৰ দেশৰ নাগৰিক। বিভিন্ন বাধা থাকিলেও মায়ং পঞ্চায়ত এলেকাত যে শিক্ষিতৰ পৰিমাণ বাঢ়িছে তাক নুই কৰিব নোৱাৰি। কিন্তু এটা কথা মন কৰিবলগীয়া যে বৰ্তমানৰ বিজ্ঞান-প্ৰযুক্তিৰ যুগত বৃহত্তৰ মায়ং অঞ্চলটোত বিজ্ঞান শাখাৰ শিক্ষাৰ অভাৱ অনুভৱ কৰা হৈছে। শিশুসকলৰ মাজত বিজ্ঞান শিক্ষাৰ চাপ বঢ়াব পাৰিলে মানুহৰ মাজত থকা অন্ধবিশ্বাস, কুসংস্কাৰ, অস্পৃশ্যতা আদি ভাববোৰ আঁতৰ কৰি এখন সুন্দৰ সমাজ গঢ়িব পৰা যাব। এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে ১৫ বছৰ বয়সপৰ্যন্ত যি শিক্ষা স্কুল-কলেজত লাভ কৰে, বাস্তৱ জগতত কোনো ক্ষেত্ৰতে তাৰ প্ৰয়োগমূল্য নাথাকে যদিহে বিদ্যালয়-মহাবিদ্যালয়সমূহ ব্যৱহাৰিক, বৃত্তিমূলক, বিজ্ঞানভিত্তিক পাঠ্যক্ৰমৰ ব্যৱস্থা নাথাকে।

মায়ং অঞ্চলৰ বিভিন্ন শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ গঢ়ি উঠাৰ লগে লগে সমাজ তথা শিক্ষাৰ পৰিবৰ্তন লক্ষণীয়। শিক্ষাৰ গুণগত মানদণ্ড আৰু পৰীক্ষাৰ ফলাফল হতাশজনক নহয়। শিক্ষাৰ মূল লক্ষ্য ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক, নৈতিক আদি দিশৰ বিকাশ সাধনেৰে সমাজত সুস্থ পৰিবেশ গঢ়ি উঠাত প্ৰতিগৰাকী শিক্ষক-কৰ্মচাৰীয়ে একাগ্ৰচিত্তে সেৱা আগবঢ়াই আহিছে। অৰ্থনৈতিক, শৈক্ষিক দিশত অনগ্ৰসৰ অঞ্চলটোৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক, কৰ্মচাৰী, সমাজৰ আগশাৰীৰ ব্যক্তিসকলৰ সমূহীয়া প্ৰচেষ্টাই মায়ঙক এদিন বিশ্ব দৰবাৰত জিলিকাই তুলিব। ◆◆

**সহায়ক গ্ৰন্থ ঃ**

১/ *হাজৰিকা মিহিৰ (সভাপতি) শইকীয়া দিলীপ (সম্পাদক) সম্পাদনা স্মৃতিগ্ৰন্থ ঃ 'পৱিত্ৰা'।*

২/ *হাজৰিকা লোকেন্দ্ৰ (সভাপতি), নাথ উৎপল (সম্পাদক), সম্পাদনা স্মৃতিগ্ৰন্থ ঃ 'কালশিলা'।*

৩/ *দেৱী ডঃ ৰুণুমী দত্ত, ডঃ দিপালী শইকীয়া, শ্ৰীইন্দিৰা কলিতা, শ্ৰীউৎপল ঃ স্নাতক মহলাৰ উন্মোচিত বিচাৰ্য বিষয় আৰু শিক্ষা।*

৪/ *ছেলিমউদ্দিন ঃ শিক্ষাতত্ত্ব আৰু নীতি*

৫/ *Das Lakshahira : A Text Book of Education.*

৬/ *Medhi Kabita : A Project Report "A Study of the causes of Drop out at the primary level of education with special reference to Mayang Area.*

**সমল ব্যক্তি ঃ**

১/ *শ্ৰীগোপাল চন্দ্ৰ নাথ ঃ অৱসৰপ্ৰাপ্ত ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত শিক্ষক।*

২/ *শ্ৰীতিলক হাজৰিকা ঃ অৱসৰপ্ৰাপ্ত শিক্ষক।*

৩/ *শ্ৰীপ্ৰফুল্ল কুমাৰ দাস ঃ অধ্যক্ষ, মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়।*

৪/ *শ্ৰীৰেণুপ্ৰভা লস্কৰ ঃ প্ৰধান শিক্ষক, জি এন বি হাইস্কুল, বৰদিয়া।*

৫/ *শ্ৰীজিতেন শইকীয়া ঃ মায়ং সমল সমন্বয়ক।*

৬/ *শ্ৰীবনমালী শইকীয়া, ৰবীন নাথ, লীলাধৰ শইকীয়া (জ্যেষ্ঠ কাৰ্যালয় সহায়ক)*

৭/ *শ্ৰীবিনয় চলিচা ঃ অধ্যক্ষ মায়ং কনিষ্ঠ মহাবিদ্যালয়।*

৮/ *শ্ৰীপবন বিষয়া ঃ সহকাৰী অধ্যাপক, মায়ং মহাবিদ্যালয়।*

# মৰিগাঁও জিলাত উচ্চ শিক্ষাৰ বাতাবৰণ আৰু সম্প্ৰসাৰণৰ গতি

নৰেন্দ্ৰ নাথ কেওঁট
প্ৰাক্তন অধ্যক্ষ, মৰিগাঁও মহাবিদ্যালয়

অসমত উচ্চ শিক্ষা প্ৰসাৰৰ ইতিহাস স্বৰাজোত্তৰ কালৰ কথা। অবিভক্ত নগাঁও জিলাত ১৯৪৪ চনতহে নগাঁও কলেজ আৰম্ভ হৈছিল। বিজ্ঞান আৰু বাণিজ্যি বিভাগ তাৰো পিচত। ১৯৫৭ চনলৈকে 'সন্মানৰ' পাঠ্যক্ৰমো আৰম্ভ হোৱা নাছিল। ১৯৬০ চন মানত আনন্দৰাম ঢেকীয়াল কলেজ ৰাতিৰ ভাগত আৰম্ভ হৈছিল। এইখন মহাবিদ্যালয়ে শিক্ষকসহ বিভিন্ন পৰ্যায়ত চৰকাৰী কৰ্মচাৰীসকলক স্নাতক হোৱাৰ পথত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

কুঠৰিৰ পৰা কাজলিমুখলৈকে অবিভক্ত নগাওঁ জিলা। ইয়াৰ পশ্চিম অঞ্চলটো মৰিগাঁও মহকুমা তথা এতিয়া মৰিগাঁও জিলা। স্বৰাজোত্তৰ কালতো মৰিগাঁও অঞ্চল শিক্ষা, কৃষি, অৰ্থনীতি, যোগাযোগ আদি দিশত তেনেই দুৰ্বল আছিল। বহু অঞ্চল দুৰ্গম আছিল। তেতিয়া মায়ং, কাজলি, বৰালীমাৰী আদি বহু অঞ্চল জলময় আৰু অৰণ্য ভূমি আছিল। স্বৰাজৰ পূৰ্বে গোটেই অসমতহে মাত্ৰ ৪০০ খন মান প্ৰাথমিক বিদ্যালয় আছিল। গাঁও অঞ্চলত বাইজে দুই-চাৰিখন প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় পাতিছিল। মৰিগাঁও জিলাত জালুগুটি, জাগী আৰু মৰিগাঁৱতহে উচ্চ-মাধ্যমিক বিদ্যালয় আৰম্ভ হৈছিল। প্ৰবেশিকা পৰীক্ষাৰ একমাত্ৰ কেন্দ্ৰ নগাঁও নগৰত আছিল। স্বৰাজোত্তৰ কালত বিভিন্ন অঞ্চলত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় ৰাইজে স্থাপন কৰিছিল। কলেজ পতাৰ সপোনো দেখা নাছিল।

১৯০০ শতিকাৰ ষষ্ঠ দশকৰ মাজভাগৰ পৰা পৰৱৰ্তী বৰ্ষসমূহৰ শিক্ষাৰ দিশত এক জাগৰণ আহিল। প্ৰাথমিক, মাধ্যমিক আনকি উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনতো গুৰুত্ব দিছিল। এইকালছোৱা শিক্ষাৰ ক্ষেত্ৰত প্ৰচুৰবৰ্ষিনী বৰ্ষ বুলিব পাৰি।

জিলাখনৰ প্ৰয়োজনীয় স্থানসমূহত ৰাইজে উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন কৰিলে প্ৰবেশিকা আৰু উচ্চতৰ মাধ্যমিক উত্তীৰ্ণৰ সংখ্যা বৃদ্ধি হ'লেহে কলেজ পতাৰ প্ৰয়োজন হয়। ১৯৬০-৬২ চনলৈকে মৰিগাঁৱত তেনে পৰিবেশ নাছিল। আনকি ১৯৬৮ চনতহে সমগ্ৰ মৰিগাঁও অঞ্চলৰ বাবে কেৱল মৰিগাঁৱতহে প্ৰবেশিকা পৰীক্ষাৰ কেন্দ্ৰ এটা আছিল য'ত এতিয়া ৩০ টাৰো অধিক পৰীক্ষা কেন্দ্ৰ হৈছে।

১৯৬৪ চনত মৰিগাঁও কলেজ প্ৰতিষ্ঠা হৈছিল। ইয়াৰ আগে পিছে ধিং, ৰহা, পুৰণিগুদাম, কলিয়াবৰ, হোজাই, নগাঁও ছোৱালী কলেজ স্থাপন হৈছিল।

১৯ শ শতিকাৰ ষষ্ঠ দশকত মৰিগাঁও জিলাত ৪/৫ জনমান স্নাতকোত্তৰ আৰু ২২ জন মান স্নাতক আছিল। তেতিয়া মৰিগাঁও জিলাত উচ্চ-শিক্ষা প্ৰসাৰত মৰিগাঁও কলেজ আছিল

মাতৃস্থানীয়। অঞ্চলটোৰ বাবে অতি আদৰৰ অনুষ্ঠান আছিল মৰিগাঁও কলেজ। কাজলীৰ পৰা উত্তৰ শিলপুখুৰীলৈ, ধৰমতুলৰ পৰা ভূৰাগাঁও, লাহৰীঘাট আদি সমগ্ৰ উত্তৰ অঞ্চলত উচ্চ শিক্ষাৰ প্ৰসাৰত মৰিগাঁও কলেজৰ ভূমিকা আছিল সৰ্বাধিক। প্ৰায় ১৭/১৮ বছৰৰ পিছত যথাক্ৰমে জাগীৰোড কলেজ আৰু মৈৰাবাৰী কলেজ প্ৰতিষ্ঠা হয়।

মৰিগাঁৱৰ পশ্চিম অঞ্চলত জাগীৰোড কলেজ আৰু উত্তৰ অঞ্চলত মৈৰাবাৰী কলেজে উচ্চ শিক্ষাৰ প্ৰসাৰত গধুৰ ভূমিকা গ্ৰহণ কৰি আহিছে। ১৯০০ শতিকাৰ অষ্টম দশকত মায়ং আঞ্চলিক কলেজ, মৰিগাঁৱৰ মাজমজিয়াত ঘনকান্ত বৰুৱা কলেজ আৰু চৰাইবাহী মৌজাত চৰাইবাহী কলেজ প্ৰতিষ্ঠা কৰা হৈছিল। এই তিনিওখন কলেজ ২০১৩ চনত চৰকাৰে প্ৰাদেশীকৰণ কৰে। কিন্তু এই কলেজ কেইখন এতিয়াও পূৰ্ণাংগ হৈ উঠা নাই যদিও জিলাখনৰ পশ্চিম অঞ্চলত মায়ং আঞ্চলিক কলেজে, মধ্যত ঘনকান্ত বৰুৱা কলেজে মৰিগাঁও নগৰৰ চৌদিশত আৰু চৰাইবাহী কলেজে চৰাইবাহী মৌজাকে ধৰি পূব অংশৰ বৰ্ধিত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা বিলাই আহিছে। নহ'লে বহু ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈ থাকিলহেঁতেন। এই তিনি মহাবিদ্যালয়ৰ পিছে পিছে ভূৰাগাঁও, ৰঙাদৰীয়া, বাৰপূজীয়া, ধৰমতুল, জালুগুটি আৰু লাহৰিঘাট মহাবিদ্যালয় আৰম্ভ হয়। বৰ্তমান ভূৰাগাঁও, লাহৰিঘাট আৰু ৰঙাদৰীয়া কলেজ ৰাইজে চলাই আছে। বৰ্তমান ধৰমতুল কলেজ পুনৰ আৰম্ভ হৈছে যদিও বাকী কেইখন নিষ্ক্ৰিয় হৈ আছে। নিজ নিজ অঞ্চলত এই কলেজ কেইখনেও উচ্চ শিক্ষাৰ প্ৰসাৰত গধুৰ ভূমিকা গ্ৰহণ কৰি আহিছে। এই আটাইখিনি কলেজৰে মাতৃস্থানীয় হৈ আহিছে মৰিগাঁও কলেজ। বিভিন্ন দিশত মৰিগাঁও কলেজে এই আটাইখিনি কলেজক সহযোগিতা আৰু বিভিন্ন দিশত আশ্ৰয় দি আহিছে। মৰিগাঁও কলেজৰ পূৰ্বৰ অধ্যক্ষ গুৰুচৰণ মেধিদেৱ আৰু শ্ৰীনৰেন্দ্ৰ নাথ কেওঁটে এই সমূহ কলেজৰ প্ৰসৱ বেদনা আৰু উন্নয়নৰ বিভিন্ন দিশত জড়িত হৈ আছিল।

বৰ্তমান সময়ত মৰিগাঁও জিলাৰ উচ্চ শিক্ষাৰ প্ৰসাৰ গতিশীল হৈছে— কিন্তু গুণগত দিশত সফল হোৱা বুলি ক'ব নোৱাৰি। বিশেষভাৱে নতুন কলেজ কেইখনৰ দুই/এখনৰ আন্তঃগাঁথনি কিছু উন্নত হ'লেও বিশেষভাৱে শিক্ষকৰ সংখ্যা পৰ্যাপ্ত হোৱা নাই আৰু আন আন ক্ষেত্ৰতো ভালেখিনি দিশ সবল হোৱা নাই। বিশেষভাৱে সেই দুৰ্বল দিশসমূহৰ মুখামুখি হ'ব নোৱাৰিলে গুণগত দিশতো আগবাঢ়ি যাব নোৱাৰিব। এই ক্ষেত্ৰত 'ঘাই শাক মৰলীয়া' স্বৰূপ অধ্যক্ষসকলৰ তৎপৰতা, সূক্ষ্ম নিৰীক্ষণ, সুপৰিচালনা, প্ৰয়োজনীয় আঁচনি প্ৰস্তুতকৰণ আৰু ৰূপায়ণ সু-শাসন ব্যৱস্থা আৰু কলেজ-পৰিয়ালৰ মাজত সু-সমন্বয়ৰ আতিথ্য প্ৰয়োজন। বয়সস্থ সকলৰ মুখত শুনি আহিছো 'হাতীৰ খাবন খোৱাবা, বাঘৰ চকুৰে চাবা'। কৰ্মচেতনা, ব্যক্তিত্ব আৰু আত্মীয়তাৰে অধ্যক্ষই কলেজ পৰিয়ালটোৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিলে নিশ্চয় গুণগত শিক্ষাৰ দিশত আৰু উন্নয়নৰ ক্ষেত্ৰত সফল হ'ব পাৰিব।

আমি মৰিগাঁও কলেজ পাতোতে প্ৰধান অন্তৰায় আছিল ছাত্ৰ-ছাত্ৰী আৰু পুঁজিৰ অভাৱ। ঘৰে ঘৰে গৈ ছাত্ৰ-ছাত্ৰী বিচাৰী আনিবলগীয়া হৈছিল। আনকি জীয়াৰী-বোৱাৰী আৰু আদহীয়া লোককো বিচাৰি আনি ছাত্ৰ-ছাত্ৰী হিচাপে সামৰি ল'ব লগা হৈছিল। এতিয়া আৰু তেনে অভাৱ নাই। আনহাতে ইউ জি চিয়ে বিভিন্ন দিশত শকত পুঁজি আগবঢ়াই আহিছে। কেৱল আঁচনি ৰূপায়ণ কৰি যোৱাহে আচল কথা।

উচ্চ শিক্ষা প্ৰসাৰত বৰ্ধিত সংখ্যক উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কনিষ্ঠ মহাবিদ্যালয়ে অৰিহণা যোগাই আহিছে। আমি মৰিগাঁও কলেজ স্থাপন কৰা সময়ত পশ্চিম অঞ্চলত মাত্ৰ ১০০ জন মান ছাত্ৰ-ছাত্ৰীহে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। এতিয়া সেই পৰিৱেশ নাই।

বৰ্তমান প্ৰতিযোগিতাৰ যুগ। শিক্ষা জগতত প্ৰতিযোগিতাৰ এক আলোড়ন সৃষ্টি হৈছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰতো এই আলোড়ন প্ৰবল হৈছে। আলোড়ন সৃষ্টি কৰিব নোৱাৰিলে বহু বিদ্যালয় বন্ধ হোৱাৰ দৰে ঘটনা কলেজৰ ক্ষেত্ৰতো ঘটিব পাৰে। এনে পৰিস্থিতিক বাধা দিয়াৰ চাবি-কাঠি আছে শিক্ষক আৰু ছাত্ৰসমাজৰ হাতত। সকলো দিশৰে মধ্যমণি অধ্যক্ষ মহোদয়সকলে সময়ৰ লগত খোজ মিলাব লাগিব।

বৰ্তমান মৰিগাঁও জিলা স্বাস্থ্যবিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ ক্ষেত্ৰতো আগবাঢ়ি আছে। ছাত্ৰ-ছাত্ৰীসকলো অধ্যয়নমুখী হৈ মূল্যবোধক সাৰ্থকতা দি আচাৰ বিধি সলনি কৰিব লাগিব। মহাবিদ্যালয়সমূহত সুষম পৰিৱেশ গঢ়াত ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকা হ'ব লাগিব ইতিবাচক। শিক্ষকসকল হ'ব লাগিব চালিকা শক্তি। তেতিয়াহে গুণগত শিক্ষাৰে সৃষ্টি হ'ব প্ৰকৃত মানৱ সম্পদ। ◆ ◆

# ৰাষ্ট্ৰৰ পুনৰুত্থানত ভাৰতীয় শিক্ষা আৰু সংস্কৃত ভাষা

ড° গুণেশ্বৰ ডেকা

একবিংশ শতিকাৰ পৰাই বৰ্তমান বিশ্বৰ সচেতন মহল অতি 'ভাবুক', 'সংবেদনশীল' আৰু 'ভৱিষ্যৎ অন্ধকাৰ' ফালে দৃষ্টি নিক্ষেপ কৰিছে। ইয়াৰ মূল কাৰণ হৈছে "বিশ্ব সন্ত্ৰাস"বাদৰ মানৱ বিধ্বংসী কাম-কাজ আৰু সন্ত্ৰাসবাদীৰ হাতত এটম ব'ম বা পৰমাণু হাথিয়াৰ পৰি যোৱাৰ সন্নিকট আশংকা। এই আশংকা কেৱল ভাৰতৰে নহয়, সমগ্ৰ বিশ্ববাসীৰ কাৰণে পৰমাণু ব'ম আক্ৰমণৰ বলি হোৱাৰ আশংকা। বৰ্তমানৰ সন্ত্ৰাসবাদী গোটসমূহ ধৰ্মীয় গোড়ামী আৰু মৌলবাদীৰ সৈতে জড়িত হৈ পৰিছে। ধৰ্মীয় গোড়ামী আৰু মৌলবাদী সন্ত্ৰাসবাদীহঁতৰ হৃদয় মানৱতা শূন্য। তিলমাত্ৰ মানুহৰ হৃদয়ৰ, অন্তৰৰ আৰু মৰমৰ কথা ভাবিবলৈ সময় নাই। তেওঁলোকক লাগে মাথো এখন "ইছলামিক বিশ্ব" আমাক শাসন কৰিবলৈ, তেওঁলোকক লাগে মাথো এখন 'ইছলামিক কাশ্মীৰ' যাতে ভাৰত মাতাৰ ঘোৰ অপমান কৰিব পৰা যায়। এজন মৌলবাদী সন্ত্ৰাসবাদী হৈছে বলিয়া, পাগল আৰু মানসিক ভাৰসাম্যহীন এটি বিৰাট চয়তান যি কংস, ৰাৱণ আৰু মহিষাসুৰৰ দৰে এখন দেশ, সমাজ আৰু এটি যুগ ধ্বংস কৰি দিব পাৰে। এনে জটিল সন্ধিক্ষণত, ৰাষ্ট্ৰসংঘই চেষ্টা কৰিছে মানৱতাক ৰক্ষা কৰিবৰ কাৰণে। কিন্তু চয়তানৰ সহযোগী, বিস্তাৰবাদী চীন ৰাষ্ট্ৰই পাকিস্তানক পৰমাণু হাথিয়াৰৰ সৈতে প্ৰতিৰক্ষাৰ সহায় আগবঢ়ায় আহিছে। কি যে লাজৰ কথা? সৰ্বস্বান্ত, সৰ্বহাৰাৰ ৰাষ্ট্ৰহীন, শ্ৰেণীহীন সমাজৰ কথা কোৱা সাম্যবাদীসকলৰ ৰাজনৈতিক মুনাফাৰ বাবে ভাৰতে পোন প্ৰথমে কোনো ৰাষ্ট্ৰকে আক্ৰমণ নকৰো বুলি কোৱাৰ পাছতো সিহঁতৰ ভয়। সেয়ে, ভয়ৰ পৰা মুক্তি পাবৰ বাবে সৰু বৰ সকলো ৰাষ্ট্ৰৰ লোককে, সকলো সংস্কৃতিকে সন্মান কৰাৰ শিক্ষা বিশ্বৰ সমগ্ৰ মানৱজাতিয়ে পাবলৈ হ'লে ভাৰতীয় শিক্ষাৰ বহল প্ৰসাৰ আৰু প্ৰচাৰ অতিকৈ প্ৰয়োজন। 'ভাৰতীয় মূল' শিক্ষা নীতিয়েহে ৰাষ্ট্ৰৰ পুনৰুত্থানত সহায় কৰিব আৰু ভাৰতৰাষ্ট্ৰক পৰম বৈভৱশালী ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব পাৰিব।

**আধুনিক শিক্ষা ঃ**

বৰ্তমান ভাৰতবৰ্ষত যি শিক্ষানীতি চলি আহিছে, সেয়ে হৈছে আধুনিক শিক্ষা। বৰ্তমানৰ শিক্ষাব্যৱস্থা ৰাষ্ট্ৰ ভাৱনাৰ অনুকূলে নহয় বুলি পণ্ডিতসকলে অনুমান কৰিছে। তথাপি আধুনিক শিক্ষাই কিমান দূৰ আগবাঢ়িছে তাক আমি থোৰতে চাব পাৰো।

স্বাধীনতাৰ পৰা আমি বহুতো দিশত প্ৰগতি কৰিছোঁ। উদাহৰণস্বৰূপে বিজ্ঞান আৰু প্ৰযুক্তি, মহাকাশ গৱেষণা, পৰমাণু শক্তি, স্বাস্থ্য খণ্ড, শিক্ষা, কিন্তু একেসময়তে এনে কিছু এলেকা আছে যিটো নেকি ৰাষ্ট্ৰহিতৰ কাৰণে জনাবলগীয়া আছে য'ত সমগ্ৰ জনগণৰ অধিকাংশ লোকৰ বিকাশ হোৱা নাই। শিক্ষাৰ ক্ষেত্ৰত আমি তৃতীয় বৃহত্তম দেশ অথচ কেৱল ৭% (১৭-২৪ বছৰ ভিতৰত) যুৱক উচ্চ শিক্ষাত নিয়োজিত হৈ আছে। আমি কওঁ যে আমাৰ দেশে সমগ্ৰ বিশ্বখনক বুদ্ধিদীপ্ত মানৱ সম্পদ যোগান ধৰিছো অথচ ৩৫% জনসাধাৰণ নিৰক্ষৰ হৈয়ে আছে। দেশৰ অৰ্থনীতি বিকাশৰ হাৰ বাঢ়িছে হয়, কিন্তু দেশত অদ্যাপি ১/৪ অংশ লোকে দৰিদ্ৰ সীমা ৰেখাৰ তলত আছে। বিশ্বৰ হেঁচাত পৰি আমিও পাৰমাণৱিক মহাশক্তি হবৰ কাৰণে তৎপৰ অথচ আমাৰ 'মানৱ' বিকাশ সূচাংক হৈছে ০.৫৯৫ । অৰ্থাৎ ১৭৭ খন দেশৰ ভিতৰত আমাৰ স্থান হৈছে ১২৭ নম্বৰ। আমাৰ দেশৰ ৭৩% অংশ গাঁও অঞ্চলত বাস কৰে। কিন্তু প্ৰায় ৯০ শতাংশ উচ্চ শিক্ষাৰ অনুষ্ঠান চহৰ অঞ্চলত আছে। এইটোও কোৱা হয় যে শিক্ষাই হৈছে সামাজিক সৎ উপায়। কিন্তু বহুতো ৰাজ্য চৰকাৰে এই দায়বদ্ধতাৰ পৰা আঁতৰত থাকে। "শিক্ষক হৈছে ঈশ্বৰ সদৃশ", বাস্তৱত সেইটো হৈ উঠা নাই। শিক্ষক আৰু ছাত্ৰৰ মাজতে সংঘাত বাঢ়িছে। "মাতৃ আমাৰ ভগৱানৰ সদৃশ" কিন্তু দেখা গৈছে, ভাৰতৰ ৪৫% শতাংশ মহিলা (বিহাৰত ৬৬%) আজিও নিৰক্ষৰ হৈ আছে।[১]

তাৰোপৰি বিদেশীৰাষ্ট্ৰৰ পূৰ্ব পৰিকল্পিত শিক্ষানীতিৰ মেৰপাকত পৰি ভাৰতীয় যুৱক তথা ছাত্ৰই ভাৰত ৰাষ্ট্ৰৰ

বিৰোধীতা কৰিবলৈ লৈছে। যাতে ভাৰত ৰাষ্ট্ৰক দূৰ্বল কৰাৰ লগতে খণ্ড-বিখণ্ড কৰিব পৰা যায়। তাৰ গুৰি ধৰিছে চীন আৰু পাকিস্তান ৰাষ্ট্ৰই। পাকিস্তানক সমৰ্থন দিয়া কিছু লোকে ৰাষ্ট্ৰীয় সংগীত আৰু বন্দেমাতৰম গাবলৈ বা ক'বলৈ দ্বিধাবোধ কৰে। "ভাৰত মাতা কি জয়" বুলি কবলৈ সংবিধানৰ ব্যাখ্যা বিচাৰে। তাৰ অৰ্থ এইটোৱে যে যদি বন্দেমাতৰম ক'ব নিবিচাৰে 'কবলৈ দিব নালাগে।" এইটো আকৌ কেনেধৰণৰ স্বাধীনতা? নিজৰ মাকক 'মা' বুলি কবলৈ লাজ কিয় লাগে? 'ভাৰত মাতা কি জয়' বুলি কবলৈ কাৰ নাকত খৰে ধৰে। এনেবোৰ নাকাৰত্মক ভাৱনাক আঁতৰাই— "পুনৰ মা" মোৰ জনমে জনমে, মা মোৰ দেহৰ ৰক্তে ৰক্তে", 'ভাৰত মাতা মোৰ মনে প্ৰাণে'— এই অনুভূতি গঢ়ি তুলিবলৈ হ'লে ৰাষ্ট্ৰৰ পুনৰুত্থানৰ ভাৰতীয় শিক্ষা অতিকে প্ৰয়োজন। তাৰ কাৰণে ভাৰতীয় মূলৰ শিক্ষা প্ৰসাৰ আৰু পদ্ধতিগত প্ৰয়োগৰ সময়োচিত তীব্ৰ আহ্বান।

**ভাৰতীয় শিক্ষাৰ অৰ্থ কি?**

যিখন দেশক জম্বুদ্বীপ, ভাৰত, হিন্দুস্থান আৰু ইণ্ডিয়া বুলি পৰিচিত আৰু এই দেশৰ মাটি পানী, জলবায়ু, পাহাৰ ভৈয়াম, আকাশ আৰু নদ-নদীৰ সহযোগত হিন্দুস্থানীসকলে যি জীৱনযোৱা সাধনা কৰি এজন লোকক জ্ঞানী বা আৰ্য তথা সংস্কৃতিবান কৰি গঢ়ি তুলিছে, সেই সৎ শিক্ষাই হৈছে ভাৰতীয় শিক্ষা। যেতিয়া শিক্ষাই মানুহক নৈতিক আৰু চাৰিত্ৰিক ৰূপেৰে সুদৃঢ় কৰি তোলে তেতিয়াহে তাৰ সাৰ্থকতা থাকে। কাৰণ ব্যক্তিৰ নিৰ্মাণ নিজৰ বাবে নহয় সমাজৰ বাবেহে। নৈতিকতাৰ সম্বন্ধ প্ৰাথমিক ৰূপে ব্যক্তি আচৰণৰ সৈতে থাকে, কিন্তু মানুহ এক বিচাৰশীল প্ৰাণী, নীতি, আদৰ্শ তথা চৰিত্ৰ ব্যক্তিৰ পৰস্পৰ সম্বন্ধতেই চৰিতাৰ্থ থাকে। গতিকে নৈতিক জীৱন, সামাজিকেই হয়। 'নৈতিক জীৱন' আধাৰতেই আমাৰ ৰাষ্ট্ৰীয় ভাৱনা বৈদিক কালতে গঢ়ি উঠিছিল। 'ভাৰতীয় মূল' শিক্ষাৰ আধাৰ স্বৰূপ হৈছে "সংস্কৃত ভাষা"।

শিক্ষা ব্যৱস্থাত ভাৰতীয়তা বুলি ক'লে ৪ টা উপাদান শিক্ষাৰ উদ্দেশ্য, নীতি, পাঠ্যবস্তু আৰু পদ্ধতি সকলো বিভাগতে ভাৰতীয়ত্ব পৰিলক্ষিত হ'ব লাগিব।

**শিক্ষাৰ উদ্দেশ্য ঃ** 'ভাৰতীয়ৰ মতে শিক্ষাৰ উদ্দেশ্য কেতিয়াও ব্যক্তিগত নহয়। বিশ্ব কল্যাণপন্থী ৰাষ্ট্ৰ নিৰ্মাণৰ কাৰণ সমাজ গঢ়িবৰ তৎপৰ সুযোগ্য নাগৰিকৰ নিৰ্মাণেই ভাৰতীয় শিক্ষাৰ উদ্দেশ্য। শিক্ষাৰ উদ্দেশ্যক ব্যক্তিকেন্দ্ৰিকৰ পৰা ৰাষ্ট্ৰ কেন্দ্ৰিক কৰা, প্ৰাথমিকৰ পৰা উচ্চ শিক্ষালৈ এই দৃষ্টিৰে জীৱন মূল্যৰ সংস্কাৰক প্ৰাধান্য দান কৰা, ব্যৱসায়িক তথা অপ্য ভৌতিক লক্ষ্যত ৰাষ্ট্ৰহিতকে আগস্থান দিয়া শিক্ষাৰ উদ্দেশ্য হোৱা উচিত। ভাৰতৰ অমূল্য গ্ৰন্থ "গীতা শাস্ত্ৰ'ত স্বধৰ্মৰ কথা কৈছে। মহাভাৰতৰ সময়ত স্বধৰ্ম মানে স্বৰাষ্ট্ৰ কথাকে কোৱা হৈছিল। ব্যক্তিৰ আমাৰ মুক্তি এক সংকীৰ্ণ ৰূপ হৈছে ধৰ্ম। কিন্তু স্বধৰ্ম সৰ্বাত্মক ৰূপ হৈছে স্বৰাষ্ট্ৰ বা ধৰ্ম ৰক্ষা কৰা। 'ধৰ্মো ৰক্ষিত ৰক্ষিত; অৰ্থাৎ ৰাষ্ট্ৰক ৰক্ষা কৰিলে ৰাষ্ট্ৰই আমাক ৰক্ষা কৰিব। থিক তেনেদৰে, আচাৰ বা ধৰ্ম-ৰক্ষা কৰিলে ৰাষ্ট্ৰই আমাক ৰক্ষা কৰিব। ঠিক তেনেদৰে, আচাৰ বা ধৰ্ম ৰক্ষা কৰিলে সেই আচাৰ বা ধৰ্মই আমাক ৰক্ষা কৰিব। সেই কাৰণে, গীতা শাস্ত্ৰৰ 'স্ব-ধৰ্ম' স্বৰাষ্ট্ৰৰ সমাৰ্থক। ইয়াৰে পৃথক হ'ব নোৱাৰে। কোনো ৰজা বা প্ৰজাই আচাৰ ত্যাগ কৰিব নোৱাৰে। কিন্তু পশ্চিমীয়া শিক্ষাৰ প্ৰভাৱ ইমান ব্যাপক যে বৰ্তমান ৰাজনীতিত আচাৰ বিহীন শিক্ষাৰ প্ৰভাৱ ইমান ব্যাপক যে বৰ্তমান ৰাজনীতিৰ আচাৰ বিহীন নাস্তিক এজনেও ৰাজ সিংহাসনত বহিব পাৰে। এই ব্যৱস্থাৰ আমূল পৰিবৰ্তন কৰিব লাগিব। ভাৰতীয় সংস্কৃতিৰ আধাৰত ভাৰতৰ ৰাজনীতি গঢ়ি তুলিব পাৰিব লাগিব।[২]

**শিক্ষাৰ নীতি ঃ** "ভাৰতীয় শিক্ষানীতি এনে হ'ব লাগে যাতে কোনো ভাৰতীয়ই নিজৰ পৰিচয় হেৰুৱাৰ উপক্ৰম নহয়। ভাৰতীয় জীৱন দৰ্শন বা ৰূপৰেখা হৈছে আজন্ম ধৰ্ম নিৰপেক্ষ। ভাৰতীয় জীৱন দৰ্শনত সৰু বৰ সকলো সমাজ। সৰুতে আছে সুন্দৰৰ সমাহাৰ। হয়তো হ'ব পাৰে এজন ব্যক্তিৰ জীৱন দৰ্শন, তাৰো আছে স্বতন্ত্ৰ আলোক। কোনো ব্যক্তিৰ জীৱন দৰ্শনক নস্যাৎ কৰা হোৱা নাছিল ভাৰতবৰ্ষত। 'সাৰ্ব্বাক মুনিৰ নাস্তিক দৰ্শনৰো স্থান আছিল ভাৰতত। এনেহেন ভাৰতবৰ্ষত কোনো প্ৰাণীৰ ভয় নাই। ভাৰতীয় লোকক কোনো ধৰ্মই ধৰ্মনিৰপেক্ষতাৰ কথা শিকোৱাৰ প্ৰয়োজন নাই। ভাৰতীয় ঋষিমুণিৰ প্ৰতিটো দৰ্শনত মানৱতাৰ কথা কোৱা হৈছে। তাৰে আধাৰত ভাৰতীয় সংবিধানত মানৱতাৰ জয় গুণ গান কৰা হৈছে। ভাৰতত বাস কৰা যিকোনো ব্যক্তি যদি সৎ আৰু নম্ৰ হয় তেতিয়াহ'লে পৃথিবীৰ কোনো মানুহৰ ইয়াত মৰণ নাই।

ভাৰতীয় জীৱন দৰ্শনত আধাৰত ভাৰতীয় শিক্ষা নীতি শক্তিশালী হোৱা উচিত। সৰ্বব্যাপী, সৰ্বসমাৱেশক, সৰ্বসুলভ শিক্ষাক লক্ষ্যত ৰাখি শিক্ষাৰ নীতি গঢ়িব লাগিব। সকলোৰ বাবে তেওঁৰ যোগ্যতাৰ অনুৰূপে, ভাৰতীয় সংকল্পনাৰ অনুৰূপে পূৰ্ণ ব্যক্তিত্ব বিকাশ কৰিবলৈ শিক্ষা উপলব্ধ হোৱাৰ শিক্ষানীতি হ'ব লাগিব।"

তাৰোপৰি স্বতন্ত্ৰতাৰে সৈতে স্বায়ত্বও শিক্ষানীতিৰ মুখ্য তত্ব

হোৱা উচিত। সঁচা স্বায়ত্বতা তেতিয়াহে হ'ব, যেতিয়া শিক্ষাৰ্থীসকলে নিজে অধ্যয়নৰ বিষয়বোৰ, পথপ্ৰদৰ্শক তথা মাধ্যম নিৰ্বাচনত স্বতন্ত্ৰ হ'ব। সংস্থা পৰিচালক শিক্ষকক অধ্যাপনাত পূৰ্ণ স্বতন্ত্ৰতা প্ৰদান কৰা উচিত। তাৰ অৰ্থ এইটো নহয় যে ভাৰত ৰাষ্ট্ৰক বিপন্ন কৰা ভাৰতৰ জীৱন পদ্ধতিক বদনাম গাই আন সন্তীয়া সংস্কৃতিৰ বাটেৰে বাট বুলা। ভাৰতীয় আত্মাক অন্তৰত ৰাখিহে হ'ব পূৰ্ণ স্বাধীনতা। যেনেকৈ চীনা আৰু ৰাছিয়াত সাম্যবাদী একনায়কত্ববাদ অথবা মাওবাদী একনায়কত্ববাদী বিস্তাৰ বাদী ধাৰণাৰ ওপৰতহে মানৱতাবাদৰ কথা কোৱা হয়।

পাঠ্যক্ৰম ঃ ভাৰত আমাৰ মাতৃভূমি, পিতৃভূমি, কৰ্মভূমি, ধৰ্মভূমি আৰু পূণ্য ভূমি সংকল্পনাৰ ভৰি পৰা সাহিত্য-সংস্কৃতিয়েই হ'ব ভাৰতীয় শিক্ষাৰ আধাৰ স্বৰূপ। প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি উচ্চ শিক্ষালৈ সকলোবোৰ শিক্ষাৰ আধাৰেই হওঁক ভাৰতীয়তা। প্ৰত্যেক বিষয়তে ভাৰতীয় পৰম্পৰা সমাৱেশ হওঁক। তাৰকাৰণে ভাৰতীয় জ্ঞানৰ গৱেষণা আৰু সেই জ্ঞানৰ ওপৰত পাঠ্যপুথি নিৰ্মাণ কৰিব লাগিব।

**শিক্ষাৰ পদ্ধতি ঃ** শিক্ষাৰ আধাৰ ভাৰতীয় হওঁক, এয়া আমাৰ কাম্য। ইয়াৰ অৰ্থ এইটো নহয় যে আধুনিক শিক্ষাৰ সকলোবোৰ কথাই অসাৰ। এজন শিক্ষিতলোকে যেতিয়া নিজৰ মাতৃভাষাক বেয়া পায়। নিজৰ পুত্ৰই যেতিয়া মাকক চিনিব নোৱাৰা হয়, স্বৰাষ্ট্ৰৰ নাগৰিকে যেতিয়া দেশৰ নাম পাহৰি যাব, নিজৰ সংস্কৃতিক এলাগি কৰিব, পৰদেশত যেতিয়া ভাৰত ৰাষ্ট্ৰ বদনাম গাব, নিজ দেশৰ নিৰাপত্তাকো যিসকলে নেউচী পেলায় তেতিয়াই আমাৰ প্ৰশ্ন হয়, আমাৰ দেশৰ শিক্ষা পদ্ধতিত আছেইবা কি? আমাৰ দেশৰ শিক্ষাৰ পদ্ধতি হ'ব লাগিব জনগণৰ শৰীৰ, মন আৰু আত্মা সমস্ত ভাৰতীয় 'মহাজ্যোতি' প্ৰাপ্তিৰ দিশত। মূল্যাংকণৰ আধাৰ কেৱল স্মৰণশক্তি নহয়, সমগ্ৰ জ্ঞানৰ গহন মূল্যাংকন ভাৰতীয় পদ্ধতিৰ হ'ব লাগে। আমাৰ পৰিবেশ, বেশ-ভূষা, আত্মীয় ব্যৱহাৰ সকলোতে ভাৰতীয়ত্ব প্ৰকাশ হ'লে কোনো ছাত্ৰ-ছাত্ৰী বা যুৱক-যুৱতীকে ক'ব নালাগে যে 'এইখন আমাৰ ভাৰত ৰাষ্ট্ৰ বা ভাৰত মাতা। শিক্ষকসকল যিহেতু গুৰুৰ আসনত থাকে, তেওঁলোকৰ জীৱনদৃষ্টি হ'ব লাগিব ভাৰতীয়। 'ত্যাগ আৰু কল্যাণ' যি ভাৰতীয় দৰ্শন এবাৰ দৰ্শন পালে 'সাম্যবাদৰ আৰু মাওবাদৰ কোনো প্ৰয়োজন নাই। তথাকথিত কমিউনিজমে সংঘাত সৃষ্টি কৰে, কিন্তু ত্যাগ আৰু কল্যাণে মানৱতাৰ মহামিলন ঘটায়। সেয়ে প্ৰকৃত ইতিহাস অধ্যয়নৰ জৰিয়তে ভাৰতীয়ত্ব সমাবেশ কৰি প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীকে তেওঁলোকৰ দখল আৰু দক্ষতাকে মাপদণ্ড কৰি এজন সু-নাগৰিক তথা ভাৰতীয় শিক্ষাৰে শিক্ষিত কৰাৰ পদ্ধতি অৱলম্বন কৰিব লাগিব। ভাৰত ৰাষ্ট্ৰ শক্তিশালী হোৱাত এই শিক্ষণ পদ্ধতিয়ে যথেষ্ট সহায় কৰিব। (৩)

**ভাৰতীয় শিক্ষাৰ ঐতিহাসিক ভেটি ঃ** ভাৰতবৰ্ষৰ ঐতিহাসিক শিক্ষাৰ ছবিখন বৰ্তমানলৈকে ক্ৰমবিকাশৰ পৰ্যায় সংঘটিত কৰিব পৰা নাই। এয়া সম্ভৱ হৈ উঠিলে আজি ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা বিশ্ব দৰবাৰত এক লেখত লবলগীয়া শিক্ষা হিচাপে নামাংকিত হ'লহেঁতেন। ঐতিহাসিক দৃশ্যপটৰ পৰা ভাৰতৰ শিক্ষা দিশটোৰে অধিক সবল আছিল সেই কথা সহজে অনুমেয়। খ্ৰীষ্টপূৰ্ব ৭০০ চনতে ভাৰততে বিশ্বৰ প্ৰথম বিশ্ববিদ্যালয় তক্ষশীলাত প্ৰতিষ্ঠা লাভ কৰিছিল, য'ত সেই সময়ৰ কম জনসংখ্যাৰ পৰাই হেজাৰবো অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আৰু ডজনৰো অধিক বিষয়ৰ বিদ্যা শিক্ষা প্ৰদান কৰা হৈছিল। তেনেদৰে চতুৰ্থ শতিকাতে প্ৰতিষ্ঠা হোৱা নালন্দা বিশ্ববিদ্যালয়ত বিশ্বৰ বিভিন্ন প্ৰান্তৰ শিকাৰুৰ উপস্থিতি দৃশ্যমান হৈছিল। আমাৰ অতীত ভাৰতৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুশিষ্য যি আধ্যাত্মিক, আৰ্থিক সম্পৰ্ক প্ৰতীয়মান আছিল আজি তেনে শিক্ষাৰ পুনৰ প্ৰতিষ্ঠা বা ব্যৱস্থাপনা তৈয়াৰ কৰা অতিকে প্ৰাসংগিক হৈ পৰিছে। মহাভাৰতত কৌৰৱ আৰু পাণ্ডৱে ব্যক্তিত্ব বিকাশত ব্যাপক শিক্ষা লাভ কৰিছিল। নালন্দা বিশ্ববিদ্যালয় তৰ্কশাস্ত্ৰৰ বাবে বিশ্ব বিখ্যাত আছিল। পূব ভাৰতত নালন্দাৰ যি খ্যাতি আছিল পশ্চিম ভাৰতত সেইদৰে বল্লভী বিশ্ববিদ্যালয়ৰ খ্যাতি আছিল। নালন্দাই মহাযান আৰু বল্লভীয়ে হীনযান বৌদ্ধমতৰ পোষকতা কৰিছিল। বিক্ৰমশীলা বিশ্ববিদ্যালয় আছিল তান্ত্ৰিক বৌদ্ধমনতৰ বিখ্যাত কেন্দ্ৰ। গণিত আৰু জ্যোতিৰ্বিদ্যাৰ বাবে উজ্জয়িনী বিখ্যাত আছিল। ধৰ্ম আৰু ঈশ্বৰ বিষয়ক অধ্যয়নৰ বাবে বাৰণাসী বিশ্ববিদ্যালয়ৰ খ্যাতি আছিল। ভাৰতবৰ্ষই বুদ্ধ আৰু শংকৰাচাৰ্যৰদৰে দাৰ্শনিক, কৌটিল্যৰ দৰে ৰাজনীতি আৰু অৰ্থনীতিবিদ, সুশ্ৰুতৰ দৰে শল্যচিকিৎসক, চাৰকৰ দৰে ঔষধী চিকিৎসক, কানাড়াৰ দৰে পদাৰ্থবিজ্ঞানী, নাগাৰ্জনৰ দৰে ৰসায়নবিদ, আৰ্যভট্ট আৰু বৰাহমিহিৰদৰে জ্যেৰ্তিবিদ, বৌদ্ধায়ন আৰু ব্ৰহ্মগুপ্তৰ দৰে গণিতজ্ঞ, পতঞ্জলিৰে দৰে যোগশাস্ত্ৰ বিশাৰদ,যাজ্ঞবল্ক্যৰ দৰে বিমান বিশাৰদক সৃষ্টি কৰিছিল। শূন্যৰ আৱিষ্কাৰো ভাৰতবৰ্ষতেই হৈছিল। (৪)

**"ভাৰতীয় মূল" শিক্ষাৰ কেইটিমান চিৰযুগমীয়া চিন্তন ঃ** সত্য এক, বিপ্ৰই বা পণ্ডিতে বহু ধৰণেৰে ব্যাখ্যা কৰে। বেদ

আৰু উপনিষদত সত্য বা ঈশ্বৰ এজনেই বুলি কালজয়ী সিদ্ধান্ত দিছে। পৰমব্ৰহ্ম সত্য, তাৰ বিনাশ নাই। পৰম শক্তিৰ ৰূপান্তৰহে হ'ব পাৰে কিন্তু বিনাশ নাই। ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ এয়া হৈছে চিৰপ্ৰবাহমান পৰম সত্য। এই সত্যৰ পৰাই ভাৰতীয় জীৱন পদ্ধতি, আচৰণ, কৰ্মসংস্কৃতি, ৰাষ্ট্ৰীয়তা, বিজ্ঞানৰ অন্বেষণ আৰু অমূল্য ভাৰতীয় সংস্কৃতি সৃষ্টি হৈছে। এনে সত্য আৰু আদৰ্শক এলাগী কৰি আজিৰ দিল্লীৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰই মাওবাদী সাম্যবাদ সমৰ্থন কৰাটো বৰ লাজৰ কথা।

"সৰ্বজন সুখায় আৰু সৰ্বজন হিতায়"— সুখ আৰু কল্যাণ সকলোৰে কাৰণে; কেৱল মুষ্টিমেয় কেইজনমান ব্যক্তিৰ কাৰণে সুখ আৰু কল্যাণ চৰকাৰৰ আঁচনি হ'ব নোৱাৰে। যিটো নেকি বিশ্বৰ চৰকাৰী ব্যৱস্থাত কেইজনমানৰ ব্যৱস্থাই চলি আহিছে। ভাৰতীয় শিক্ষণ প্ৰণালীত এই ব্যৱস্থাক নাকচ কৰা হৈছে। সেইবাবে ভাৰতীয় শিক্ষাই সৰু বৰ, ধনী, দুখীয়া, শাৰীৰিক অক্ষমলোক, বৃদ্ধ পিতৃ-মাতৃ সকলোৰে কল্যাণ কৰিবলৈ বিচাৰে। ৰাম ৰাজ্যত ইয়াৰ পূৰ্ণ প্ৰতিফলন হৈছিল।

ঃ সৰ্বে ভৱন্ত সুখীনঃ সৰ্বে সন্ত নিৰাময়া
সৰ্বে ভদ্ৰনী পশ্যোন্ত মা কচ্ছিদ
দুঃখ ভাগ ভৱেৎ।

বিশ্বৰ সকলো মানুহ সুখী হওঁক, বিশ্বৰ সকলো লোক ৰোগৰ পৰা নিৰাময় পাওঁক। বিশ্বৰ সকলোকে সকলোৰে বাবে শান্তি গঢ়ি তোলক, কোনোলোকেই দুখত থাকিব নাপায় আৰু সুখৰ পৰা বঞ্চিত কৰিব নাপায়। এনেধৰণৰ শিক্ষাৰ মকৰন্দ সুবাস যদি আধুনিক শিক্ষাৰ নীতি হয় তেতিয়াহ'লে বিশ্বত অশান্তি দূৰ হ'ব নিশ্চয়।

ঃ "সধৰ্ম খলো ইদম ব্ৰহ্ম" ইশোপদিষৰ বাক্য। সকলো ভূতত‍ে পৰম শক্তিমান ঈশ্বৰ বিৰাজমান। কোনো লোকৰ ভোগৰ সামগ্ৰী বা ভোগৰ স্বাধীনতা বঞ্চিত কৰিব নোৱাৰে, ইয়াৰ বিপৰীতে পাপ বা অন্যায় হ'ব। এজনী গাইৰ গাখীৰ সম্পূৰ্ণ খোৱাৰ অধিকাৰ নাই। পোৱালীয়ে এৰি দিয়া গাখীৰখিনিহে খোৱা উচিত। ইশোপনিষদৰ এই সত্যবাণী দুনীৰ্তি ৰোধ কৰাৰ একমাত্ৰ উপায়। বৰ্তমান দেশৰ বাণিজ্য বা ব্যৱসায় নীতিত এই পৰম সত্যৰ দৰ্শন অন্তৰ্ভুক্ত কৰিব পাৰিব লাগিব।

ঃ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ— কেৱল ধৰ্মীয় অনুভূতি নহয়। ই হৈছে এক ভাৰতীয় সমাজৰ সামাজিক তত্ব। চাৰি পুৰুষাৰ্থত সোমাই আছে সঁচা ৰাষ্ট্ৰীয় ভাৱনা, য'ত নেকি দুনীৰ্তি আৰু অন্যায়ৰ কথা ভাবিব নোৱাৰি।

ঃ "জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী" ভাৰতীয় ঐতিহ্যত চিৰপ্ৰবাহমান ৰামায়ণৰ এই বাণীষাৰ অতিশয় গুৰুত্বপূৰ্ণ। অসমত অম্বিকাগিৰি ৰায় চৌধুৰীয়েও এনে জীৱনৰ পোষকতা কৰিছে।

যি জীৱনত দেশ সেৱনত
আত্মাহুতিৰ অমলশিখা নাই।
সেই জীৱনত নাই অবাবত
প্ৰয়োজনৰ উচ্চ দাবি ভাই।

দেশপ্ৰেমহীন জীৱনৰ অৰ্থ নাই। তেওঁৰ মতে জন্মভূমিক ভালপোৱা আৰু তাৰ বাবে আত্মোৎসৰ্গ কৰাটোৱেই জীৱনৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য আৰু কৰ্তব্য।

ঃ মাতৃদেৱো ভৱ। পিতৃদেৱোভৱ।।
আচাৰ্য্য দেৱো ভৱ। অতিথিদেৱোভৱ।।

নৈতিকতা হৈছে এক সামাজিক শিক্ষা। নৈতিক শিক্ষা প্ৰসংগত কোৱা হৈছিল— মানুহ সদায় ন্যায়বান, ধৰ্মশীল, দয়াবান আৰু সত্যনিষ্ঠ হ'ব লাগে। নিজৰ জীৱনৰ বিনিময়তো শৰণাগতক ৰক্ষা কৰিব লাগে, পিতৃ-মাতৃ আচাৰ্য-অতিথিক দেৱতাৰ দৰে জ্ঞান কৰিব লাগে। সেইদৰে জ্যেষ্ঠ তথা গুৰুজনক শ্ৰদ্ধা কৰা, কনিষ্ঠক মৰম কৰা, সকলো জীৱৰ প্ৰতি সমদৃষ্টি আৰু প্ৰেমভাৱ ৰখা এই সকলোবোৰ গুণ আহৰণৰ ক্ষেত্ৰত গুৰুকুল শিক্ষা ব্যৱস্থাই সহায় কৰিছিল।

ঃ মাতা পৃথিব্যা মূৰ্ত্তিস্তভ্ৰাতা স্বোমূৰ্ত্তিতাত্মনাঃ

মাতা বা মাতৃ পৃথিৱীৰেই এক প্ৰতিৰূপ। সহোদৰ ভ্ৰাতৃতো নিজৰেই এক প্ৰতিমূৰ্ত্তি, আচাৰ্য, মা-দেউতা-ভাই-এওঁলোক কাকো অপমান কৰা উচিত নহয়। সন্তান জন্ম দিয়াৰ সময়ত মাক-দেউতাকে যি কষ্ট কৰে তাৰ ঋণ শ শ বছৰ ধৰিও পৰিশোধ কৰিব নোৱাৰি। এনে শিক্ষা বৰ্তমানে প্ৰয়োজন আছে। তেতিয়াহ'লে বৃদ্ধাশ্ৰমৰ ধাৰণা আৰু দম্পতীৰ বিচ্ছেদৰ মাত্ৰা বহু পৰিমাণে কমি যাব।

ঃ সং গচ্ছধ্বং সং বদধ্বং সং বো মনাংসি জামতাম।
সমানো মন্ত্ৰঃ সমিতিঃ সমানি সনানাং নমঃ সহচিত্ৰমেষাম্।
সমানী ব আকৃতিঃ সমানা হৃদয়ানি বঃ।
সমানমস্তু বো মনো যথা বঃ সুসহাসতি।। (ঋগ্বেদৰ অন্তিম যুক্ত)

আমাৰ যাত্ৰা এক হওঁক, আমি একেলগে একে সুৰত কথা কওঁ। আমাৰ অভিপ্ৰায় এক হওক। অন্তঃকৰণ এক হওঁক, মন এক হওঁক। আমি যেন সকলো ক্ষেত্ৰতে সম্পূৰ্ণৰূপে একমত

হওঁ। ঐক্য ব্যতিৰেকে আমাৰ উন্নতিৰ অন্য উপায় নাই। এক ভাৰত শ্ৰেষ্ঠ ভাৰত। মহাত্মা গান্ধীয়ে কোৱাৰ দৰে ভাৰতীয় ৰাষ্ট্ৰ ভাৱনাৰ সৈতে আন্তৰ্জাতিকতাবাদ এক উৎকৃষ্ট চেতনা। ইয়াৰ বিকল্প নাই।

ঃ অমৃতস্য পুত্ৰ, ভূমি মাতা, পুত্ৰোহম, পৃথিব্যাং
বন্দে ত্বাম ভূদেৱী আৰ্যমাতৰম্
জয়তু জয়তু পদযুগলে তে নিৰন্তৰম্।।
প্ৰতিসদনম প্ৰতীমা তো ত্বাম, মহাফলম্।
ৱৰনীম ভৰলীম জননীম।
কবি প্ৰতিভাম মতিসুলভাম।
জগদম্বা ৰাষ্ট্ৰ মাটৰম।।

প্ৰকৃত ভাৰতীয়সকলক বিশ্বায়নবাদ, আন্তজাৰ্তিকতাবাদ, মানৱতাবাদ, বহু সংস্কৃতিবাদ আৰু ধৰ্ম নিৰপেক্ষতাৰ কথা শিকোৱা প্ৰয়োজন নাই। "ভূমি মাতা, আমি পৃথিবীৰ অমৃতৰ সন্তান। হে বিশ্ব মাতৃ, ভূ দেৱী, তুমি জ্ঞানীসকলৰ মাতৃ, তোমাৰ যাত্ৰা তথা পদযুগলৰ সদায় জয় হওক। তুমি পৃথিবী, সকলোলোকৰ ঘৰে ঘৰে এক জীৱন্ত প্ৰতীমা, সকলোৰে বাবে তুমি এক দিব্যফলৰ দৰে। সমগ্ৰ লোকক ধাৰণ, ভৰণ তুমিয়েই, তুমিয়েই জননী। তুমিয়েই সাহিত্য প্ৰতিভাৰ গুপ্তমণি, সকলো লোকৰ সুচিন্তক, তুমি ধৰণী, জগত ৰাষ্ট্ৰ (ৰাষ্ট্ৰ সংঘৰ ধাৰণা) মাতা বিশ্বৰ প্ৰতি এনে জ্ঞান থকাৰ পিচত মাওবাদী বিস্তাৰবাদে পাকিস্তানৰ সন্ত্ৰাসবাদৰ সহায় লৈ ভাৰতক খণ্ড-বিখণ্ড কৰিবলৈ বিছাৰিছে। সেয়ে, ৰাষ্ট্ৰৰ পুনৰুত্থানৰ বাবে "ভাৰতীয় মূল"ৰ শিক্ষা নীতি প্ৰণয়ন কৰাটো বিছাৰিছো।

ঃ ওঁ সহ না-ববতু, সহ নৌ ভুলক্তু সহ বীৰ্যং কৰবাৰ হৈ তেজস্বি নাবধীতমত্ত, মা-বিদ্বিসা হৈ।

আমি একেলগে কথা কওঁ, সহভোজন কৰোহক। বিদ্যাৰ্জনৰ বাবে আমাক সমভাৱে বীৰ্য বা সামৰ্থ দান কৰক। আমাৰ অৰ্জিত জ্ঞান তেজস্বী হওক, আমি যেন পৰস্পৰৰ প্ৰতি বিদ্বেষভাৱ পোষণ নকৰো। এনে মহান শিক্ষা আমি বিশ্বক দিব পাৰো। ভাৰতীয় শিক্ষাৰ এনে মহানুভৱতাক আমাৰ শিক্ষাৰ নীতিৰ জৰিয়তে বিশ্বলৈ নিব পাৰিব লাগিব। তাৰ বাবে প্ৰকৃত অধ্যয়ন আৰু গৱেষণাৰ অতিকে প্ৰয়োজন।

ঃ 'বসুধৈৱ কুটুম্বকম"

সমগ্ৰ পৃথিৱীখনেই অৰ্থাৎ ইয়াত বাস কৰা সমস্তলোক আমাৰ বুকুৰ কুটুম বা আপোন মানুহ এটা পৰিয়াল। কেৱল মানুহেই নহয়, ধৰাৰ বুকুত বাস কৰা সকলো জীৱ-জন্তু আমাৰ জৈৱিক আপোন। ভগৱান সৃষ্টিতেই আছে ভিন্নতাৰ অনাবিল আনন্দ। ইয়াতকৈ ডাঙৰ বা বিশাল বিশ্বায়নবাদ নাই। কেৱল আৰ্থিক সকাহ বা আৰ্থিক উন্নয়নৰ জৰিয়তে "মানৱতাবাদ" গঢ়িব নোৱাৰি। তাৰবাবে লাগিব সঁচা সহানুভূতি আৰু আন্তৰিক সংবেদনশীলতা। সমগ্ৰ বিশ্বৰ জনগণই ভাৰতৰ এই মহান শিক্ষা যদি লয় তেতিয়াহ'লে অচিৰে ধৰাৰ বুকুত মানুহ সুখ-শান্তিৰে জীয়াই থকাৰ এক মহান মিলন সেতু বন্ধন হ'ব। সেইকাৰণে "ভাৰতীয় মূল" শিক্ষাৰ মহান বাণীসমূহ ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰিব লাগিব।

ঃ শিক্ষাই ৭ টা পাপৰ পৰা মুক্ত দিব পাৰিব লাগিব। যদি তেনে কৰিব নোৱাৰে তেতিয়াহ'লে প্ৰকৃত শিক্ষা হ'ব নোৱাৰে। ব্যক্তি আৰু সমাজ উভয়েই ৭ টা পাপ বা বেইমানী কামৰ লগত জড়িত থাকে।

(১) নীতিবিহীন বা নৈতিকতা শূন্য ৰাজনীতি কৰিব নাপায়। বাস্তৱত সেইটোৱে হৈ আছে। কিন্তু ভাৰতীয় আজন্ম শিক্ষাই তাক বাৰণ কৰি আহিছে। ভাৰতৰ স্বনাম ধন্য প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মহোদয়ে সেই ভুল পথ বন্ধ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছে।

(২) কৰ্ম নকৰাকৈ অযুত সম্পদ গঢ়িব নাপায়। গীতা শাস্ত্ৰত কৰ্মযোগী হ'বলৈ কৈছে।

(৩) নৈতিকতা বা আদৰ্শবিহীন বাণিজ্য কৰিব নাপায়। তেনে কৰাটো মহাপাপ।

(৪) চৰিত্ৰবিহীন শিক্ষাৰ সাৰ্থকতা নাথাকে। মানুহে তাক সন্মান নকৰে।

(৫) মানৱ প্ৰমূল্য শূন্য কৰি বিজ্ঞানৰ জয়গান কৰিব নাপায়। উত্তৰ কোৰীয়াত তেনে বিজ্ঞানৰ প্ৰয়োভৰ দেখা গৈছে। এই বিজ্ঞান মানৱতাৰ বাবে বিপদজনক। এই মানসিকতাক বন্ধ কৰিব পাৰিব লাগিব।

(৬) বিবেকহীন সুখ বা আনন্দ মানুহে কৰিব নাপায়। যিটো নেকি পশুপক্ষীয়ে কৰে। পৰৰ অপকাৰ কৰিব নাপায়।

(৭) আত্মত্যাগ বা স্বাৰ্থত্যাগ নকৰিলে যজ্ঞ বা পূজা সেৱাৰ কোনো মূল্য নাই। মানৱ সেৱা, ৰাষ্ট্ৰ সেৱা কৰিবলৈ আত্মত্যাগ বা ত্যাগ আৰু সাহসৰ অতিকৈ প্ৰয়োজন। যিটো নেকি ভাৰত ৰাষ্ট্ৰৰ "স্বয়ং সেৱক সংঘ" (আৰ এছ এছ)ই জীৱন্ত দধীচিৰ মহান আদৰ্শৰ নিদৰ্শন ডাঙি ধৰিছে।

এই ৭ টা পাপৰ মুক্তিৰ শিক্ষা ভাৰতীয় সংস্কৃতিত বিৰাজমান হৈ আছে। এনে শিক্ষা চৰকাৰী-বেচৰকাৰী সকলো কৰ্মচাৰীয়ে লব পৰাকৈ শিক্ষানীতি ৰচনা কৰিব লাগিব।

ঃ অমৃতং মধুৰং সম্যক্ সংস্কৃতংহি ততোহধিকম্"

ভাৰতৰ জাতীয় ঐক্য আৰু অখণ্ডতাৰ ভাবুকি আহিবলৈ আৰম্ভ কৰিছে। বহুধাবিভক্ত শত্ৰু পক্ষই ভাৰতক গ্ৰাস কৰিবলৈ বিৰাট অজগৰ দৰে চিকাৰৰ চুপ লৈ ভাৰতৰ শিক্ষা ব্যৱস্থাত বিষ ঢালি দিছে। এই ভয়াবহ বিষৰ পৰা মুক্তি পাবলৈ হ'লে সংস্কৃত ভাষাক ৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীত কৰিব লাগিব। সুদূৰ অতীত কালৰ পৰাই বহু ক্ষুদ্ৰ ৰাষ্ট্ৰ আৰু মানবগোষ্ঠীক বিভক্ত ভাৰতীয়সকলক সংস্কৃতিক দিশত এক অখণ্ড ভাৰতীয় চেতনাবোধৰে ঐক্যবাদ কৰি ৰাখিছিল সংস্কৃত ভাষাই। ইয়াৰ মূল কাৰণ হ'ল— এই ভাষাৰ মাজত থকা সৰ্বভাৰতীয় আবেদন। তদুপৰি ভাৰতীয় জাতীয় জীৱন তথা সাহিত্য ইতিহাসৰ আটাইতকৈ সমৃদ্ধখিনি সঞ্চিত হৈ আছে সংস্কৃত ভাষাত। ভাৰতবাসীৰ আত্মপৰিচয় স্বৰূপ সংস্কৃত ভাষাক জনপ্ৰিয় কৰাৰ কাৰণে কোনো পৰিকল্পিত আঁচনিয়েই স্বাধীন ভাৰতীয় শিক্ষাব্যৱস্থাত গৃহীত নহ'ল। অথচ সংস্কৃতভাষা উন্নয়নৰ কথা ৰবীন্দ্ৰনাথ, বিবেকানন্দ আদি মনীষীসকলে বাৰে বাৰে উল্লেখ কৰি গৈছে।

প্ৰকৃততে সংস্কৃত ভাষাত পৰিণত জ্ঞানৰ অভাৱৰ কাৰণেই ভাৰতীয় সংস্কৃতিৰ সম্যক পৰিচয় শিক্ষিত ভাৰতীয়সকলৰ এতিয়াও অজ্ঞাত হৈ আছে। দীৰ্ঘকাল ধৰি কেন্দ্ৰীয় শিক্ষাব্যৱস্থাই যি সংস্কৃত ভাষাক অৱহেলা কৰি আহিছে, সচেতন আৰু পৰিকল্পিতভাৱে, সেই সংস্কৃত ভাষা সম্পৰ্কে বিশ্বৰ অন্যতম শ্ৰেষ্ঠ ঐতিহাসিক পণ্ডিত— Will Durant এ 'Story of Civilisation' গ্ৰন্থত লিখিছে — India is the motherland of our race and sanskrit is the mother of European's Languages, she is the mother of our philosophy, of our mathematics, mother of ideas embodied in Christianyity and mother of the village community of self government and democracy. Mother India is in many ways the mother of us all.

"আমাৰ ভাৰতীয়সকলৰ সাধাৰণতে ধাৰণা সংস্কৃত এক মৃতভাষা, সেয়ে ভাবো আমাৰ কাৰণে ইয়াৰ কোনো প্ৰয়োজন নাই। এইভাৱ আমাৰ মানসত ইমানেই বদ্ধমূল হৈ আছে যে কেই বছৰ মানৰ আগতে মাননীয় মাদ্ৰাজ উচ্চ ন্যায়ালয়ে ৰায় দিবলগীয়া হৈছিল— "সংস্কৃত মৃতভাষা নহয়। যি ভাষাত শ্বেক্সপীয়েৰ নটক অনূদিত হৈছে, অনূদিত হৈছে ওমৰ খায়ামৰ ৰুবায়ত সেই সংস্কৃত ভাষাক মৃতভাষা বুলিব পাৰি কেনেকৈ? সংস্কৃতক কেৱল ঐচ্ছিক বিষয় কৰি ৰাখিব খোজা সকলৰ প্ৰথম আৰু প্ৰধান যুক্তি সংস্কৃত এক ধৰ্মীয় ভাষা। তেওঁলোক সততে পাহৰি থাকে যে ভাৰতীয় বিজ্ঞানৰ গৌৰবোজ্জ্বল ইতিহাসৰ সংস্কৃত ভাষাত লিখা পদাৰ্থ বিজ্ঞান, গণিত, জ্যোতিৰ্বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু চিকিৎসাশাস্ত্ৰৰ শতাধিক পুথি আছে। এতিয়া কথাটো হৈছে, ধৰ্মগ্ৰন্থ থাকিলে যদি ভাষা এটা ধৰ্মীয় হয়, তেনে প্ৰায় সকলো ভাষাই ধৰ্মীয়, যেনে 'অসমীয়া' ও 'ধৰ্মীয়', ইংৰাজীত 'ধৰ্মীয় কিছু ধৰ্মীয় সাহিত্য বক্ষত লৈও ইংৰাজী ভাষা সকলোৰে বাবে গ্ৰহণযোগ্য কেনেকৈ হৈছে। সংস্কৃতবিৰোধীসকলে জনা ভাল যে সংস্কৃত ভাষাৰ সুবিশাল বক্ষত ধৰ্মীয় সাহিত্যতকৈ ধৰ্মব্যতিৰেক বিষয়সমূহৰ শাস্ত্ৰ তথা সাহিত্যহে অধিক। আনহাতে সংস্কৃত ভাষাত থকা বেদাদি অনেক ধৰ্মশাস্ত্ৰ বিশ্বজনীন সাৰ্বকালিক মংগলময় তত্ত্ব আৰু প্ৰমূল্যৰ সম্ভাৰেৰে সমৃদ্ধ আৰু এই সমৃদ্ধি কেৱল হিন্দু বা ভাৰতীয়সকলেই নহয়, সমগ্ৰ মানৱ জাতিৰেই কল্যাণপ্ৰদ সম্পদ।

**পৰামৰ্শ ঃ** আমি কামনা কৰো, আমাৰ দেশত শিক্ষা সংক্ৰান্ত বিষয়ত চৰকাৰ আৰু জনসাধাৰণ সকলোৰে শুভবুদ্ধিৰ উদয় হ'ব আৰু আমাৰ শিক্ষা ব্যৱস্থাত সংস্কৃতে সমুচিত স্থান লাভ কৰি ৰাষ্ট্ৰৰ পুৰ্ণনিৰ্মাণৰ লগতে আমাৰ সৰ্বপ্ৰকাৰ মংগলৰ অক্ষয় নিধিৰূপে সমাজত বিৰাজ কৰিব।

ৰাষ্ট্ৰৰ বাবে প্ৰায়ে তিনিটা শব্দৰ প্ৰয়োগ কৰা হয়। দেশ ভৌগোলিক অৱধাৰণা, ৰাজ্যৰ ৰাজনৈতিক অৱধাৰণা তথা ৰাষ্ট্ৰ হৈছে সাংস্কৃতিক অৱধাৰণা। সংস্কৃত ভাষাই সেই সাংস্কৃতিক অৱধাৰণাটো অধিক শক্তিশালী কৰিছে। যিকোনো এখন ৰাষ্ট্ৰৰ স্বৰূপ তাৰ ৰাষ্ট্ৰৰ ভৌগোলিক সীমাৰ পৰাই নিৰ্মিত নহয়, সেয়া মাত্ৰ শৰীৰহে, ৰাষ্ট্ৰৰ আত্মা হৈছে তাৰ লোকমানস। ইয়াৰ নিবাসীসকলৰ চাৰিত্ৰিক তথা নৈতিক মূল্য হৈছে সেই ৰাষ্ট্ৰৰ আত্মা। ভাৰত ৰাষ্ট্ৰৰ আত্মা পূৰ্ণ বিকাশত ভাৰতীয় মূল শিক্ষাৰ তথা ওপৰত আলোচনা কৰি অহা মহান চিন্তন সমূহক আধুনিক ভাৰতীয় শিক্ষানীতিত অন্তৰ্ভুক্ত কৰিব লাগিব।

বৰ্তমানৰ শিক্ষা ব্যৱস্থাত ভাৰতীয় জীৱনবোধৰ ওপৰত অধিক মনোনিবেশ কৰিব বিচৰা হৈছে আৰু আশা কৰা হৈছে ভাৰতীয় কৰ্মযোগৰ দৃষ্টিভংগী আৰু কৰ্মসংস্কৃতিৰ মনোবৃত্তি, জীৱিকা আৰু আৰ্থসামাজিক জীৱনত তাৰ প্ৰতিফলন ঘটিব। শিক্ষাৰ পুনৰবৰ্ধনৰ হকে শিক্ষণ শিকন প্ৰক্ৰিয়া, গৱেষণা আৰু দক্ষতা বৃদ্ধিত বাস্তৱভিত্তিৰ পৰিকল্পিত শিক্ষানীতি গঢ়ি তুলিবলৈ বিচৰা হৈছে। ৰাষ্ট্ৰৰ পুনৰ উত্থানত গৱেষণা কৰাৰ সংকল্প লোৱা হৈছে। বৰ্তমান ৰাষ্ট্ৰসংঘই শিক্ষাৰ সফলতাৰ চাৰিস্তম্ভ (Four pillar of success) ৰ জৰিয়তে প্ৰকৃত শিক্ষিত হৈ

জানিবলৈ (to know), কৰিবলৈ (to do), প্ৰকৃতৰূপত শিক্ষিত হ'বলৈ (to be educated) আৰু একেলগে সম্প্ৰীতিৰে বসবাস কৰিবলৈ (to line together) শিক্ষানীতিৰ অন্তৰ্ভুক্ত কৰিছে। বৰ্তমান বিশ্বৰ এই চাৰিস্তম্ভৰ শিক্ষাৰ কথা ভাৰতৰ মহান শিক্ষাবিদ তথা চিন্তাবিদ স্বামী বিবেকানন্দই এই কথা পূৰ্বতে কৈ গৈছিল। বৰঞ্চ প্ৰকৃত মানুহ আৰু চৰিত্ৰ নিৰ্মাণৰ কথাও সুন্দৰভাৱে উল্লেখ কৰি থৈ গৈছিল। তাৰ প্ৰমাণ স্বৰূপে ভাৰতীয় মূলৰ শিক্ষাৰ মাধ্যম 'সংস্কৃত' ভাষাৰ অক্ষয় ভাণ্ডাৰ অদ্যাপি বিদ্যমান হৈ আছে। চৰকাৰৰ সৎ ইচ্ছাহে মাথো প্ৰয়োজন।

যি মানবীয় মূল্যবোধক সাৰথি কৰি প্ৰাচীন ভাৰতে গৌৰৱবোধ কৰিছিল, সেই মূল্যবোধৰ বিনাশ আজি সমাজৰ প্ৰতিস্তৰতে ঘটিব ধৰিছে। অথচ এই মূল্যবোধক ৰক্ষা কৰাটোৱেই সময়ত ভাৰতীয় জীৱনাদৰ্শ আছিল। তাৰ কাৰণেই কিমান ৰজা-জমিদাৰ বিত্তবানে হাঁহিমুখে দাৰিদ্ৰক বৰণ কৰিছিল, বাটে-ঘাটে ভিক্ষা কৰি অথবা বনচাৰী হৈ জীৱন কটাইছিল।

আজিৰ ভাৰত তথা বিশ্বত মূল্যবোধৰ অৱক্ষয় ঘটিছে। ধনী-দুখীয়া ৰাষ্ট্ৰ বা ব্যক্তি কাৰোৱে শান্তি নাই। আজিৰ হত্যা-সন্ত্ৰাস, চুৰি-ডকাইতি, ধৰ্ষণ আৰু জিঘাংসাৰে আৱৰা ভোগবাদী অশান্তিজৰ্জৰ সমাজত শান্তি ঘূৰাই আনিবলৈ হ'লে মূল্যবোধৰ অৱক্ষয় বোধ কৰিবই লাগিব, ভোগতকৈ ত্যাগৰ মানসিকতা অধিকৰূপত গঢ়ি তুলিব লাগিব। প্ৰতিজন ছাত্ৰ-ছাত্ৰী তথা ভাৰতীয়ৰ মনত ভাৰতবোধ জাগ্ৰত কৰিব লাগিব, ভাৰতীয় মহান ঐতিহ্যক শ্ৰদ্ধা কৰাৰ শিক্ষা দান কৰিব লাগিব আৰু কৰ্ম সংস্কৃতিৰ ব্যাপক উত্থান ঘটাব লাগিব। শিক্ষক সমাজৰ আসন হ'ব লাগিব পানীৰ দৰে পৱিত্ৰ। তাৰ বাবে প্ৰয়োজন হ'ব ভাৰত আধাৰিত বিজ্ঞানভিত্তিক সুপৰিকল্পিত এক নিটোল শিক্ষা ব্যৱস্থাৰ দেশৰ ভৱিষ্যত নিষ্পাপ ছাত্ৰ-ছাত্ৰীসকলক যি শিক্ষা ব্যৱস্থাই সৰুৰে পৰাই এক দুনীৰ্তিমুক্ত স্বচ্ছ ভাৰত গঢ়াৰ কামত আত্মোৎসৰ্গ কৰিবলৈ প্ৰবুদ্ধ কৰিব। লগতে চৰকাৰলৈ বিনম্ৰ অনুৰোধ কৰিম যাতে 'ভাৰতীয় মূল শিক্ষাৰ মহান চিন্তনবোৰক এক উপযুক্ত শিক্ষানীতিৰ জৰিয়তে অতি তীব্ৰভাৱে ৰূপায়ণ কৰিবলৈ কাম হাতত লয়। ◆ ◆


**সহায়ক গ্ৰন্থপঞ্জী :**

১। Paul Khuvana, S.M. S others Ed. Higher Education) Quality and Management, Chautra Offset Printers, Delhi, 2010,P-2013

২। কানিটকৰ, মুকুল, সংগঠন গঢ়ো আহক, বীপীএছ মাৰ্কেটিং ইংক, ৰামনগৰ, নাগপুৰ, ২০১৪, পৃঃ ২৬

৩। পূৰ্ব গ্ৰন্থ, পৃঃ ২৭

৪। হাজৰীকা, ড° লক্ষী, সম্পাদক, বিনয়ন, ৰাজ্যিক বছৰেকীয়া মুখপত্ৰ, ভাৰতীয় শিক্ষাৰ মণ্ডল আনন্দ নগৰ, ২০১৫, পৃঃ ১৬

৫। যোশী অধ্যাপক, ড° অৰবিন্দ, সং, দৰ্শন, কেন্দ্ৰীয় মুখপত্ৰ, ভাৰতীয় শিক্ষণ মণ্ডল, নাগপুৰ, ২০১০, পৃঃ ৪১


◆ ◆